DEBATES OF THE

# ASSAM LEGISLATIVE ASSEMBLY, 1973

( FIFTH SESSION )

VOLUME—V

No.—25

Dated the 13th July, 1973

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions .... .... ... .... ... | 1 |
| 2. | Short Notice Questions ... ... | 44 |
| 3. | Calling Attention Notice under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly .... | 52 |
| 4. | Leave of Members ... .... ... | 54 |
| 5. | Matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly ... .... .... | 57 |
| 6. | Discussion on Special Motion Under Rule 130 A of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly ... ... ... | 75 |
| 7. | Half-an-hour discussion under Rule 49 of the Procedure and Conduct of Busi[illegible] .... Assam Legislative Assembly | 83 |
| 8. | Adjournment ... | |

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# PROCEEDINGS OF THE FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The Assembly met in the Assembly Chamber, Dispur, Gauhati at 9 A. M. on Friday, the 13th July, 1973.

## PRESENT

Shri R. C. Barooah, B. L. Speaker in the Chair, 12 (twelve) Ministers, 2 (two) Ministers of State and 99 (ninetynine) Members.

## STARRED

## QUESTIONS AND ANSWERS

—

(Date : 13th July, 1973)

Re : Maintenance of Stock Register

Shri Dulal Chandra Barua asked :

* 531. Will the Chief Minister be pleas[ed to state—]

(a) Whether it is a fact that D[irectors of]

Supply and the Assistant Directors of Supply of all Districts and Subdivisions maintain no stock Registers of commodities stored on Government account as in practice to record the actual position?

(b) If so, whether those officers are held responsible for serious lapses to safeguard the financial interest?

Shri Sarat Chandra Sinha (Chief Minister) replied:

531. (a)—No. All Deputy Directors and Assistant Directors of Supply in-charge of district or Sub divisional Supply Offices maintain stock Registers of all commodities stored on Government Account.

(b) Does not arise in view of reply to (a) above.

Shri Dulal Chandra Barua: Is Govt. aware of the fact that almost all the D. D. S. and A. D. S, are not maintaining accounts and hence they are not in a position to submit the accounts to the audit?

Shri Sarat Chandra Sinha (Chief Minister): That is not our information. So far the Govt. is concerned no complaint has been made till this day. As there is no complaint it can be taken that the accounts are maintained.

Shri Dulal Chandra Barua: The Govt. may take it from us that no accounts were maintained for the last 12 years, in respect of supply and distribution of essential commodities. Will the Govt. issue instructions to the district officers of the Supply Deptt. to maintain accounts strictly?

Shri Sarat Chandra Sinha (Chief Minister): Sir, we will look into it.

St. Q. 532 was not put as the hon. member was absen

## বিঃ ভাৰতীয় খাদ্য নিগম

শ্ৰীনগেন বৰুৱাই সুধিছে :

*৫৩৩। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৩ চনৰ ভিতৰত মে' মাহ পৰ্য্যন্ত ভাৰতীয় খাদ্য নিগমে অসমৰ বিভিন্ন জিলাত কিমান পৰিমাণৰ ধান আৰু ঘেহুঁ সংগ্ৰহ কৰিলে ?

(খ) এই কালছোৱাত সংগ্ৰহ লক্ষ্য দুয়োবিধ শস্যৰ কিমান আছিল ?

(গ) মাজুলীৰ আহঁতগুৰি মৌজাত নিগমৰ এজেণ্ট কাক নিয়োগ কৰিছে, এজেণ্টৰ নাম জনাবনে ?

(ঘ) বোকাখাট অঞ্চলৰ এজেণ্ট্ জনৰ নাম কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৩৩। (ক) – ১৯৭৩ চনত ১ম জানুৱাৰীৰ পৰা ৩১ মে' লৈকে ৪,৬২,৯৩৫·৮৩ কুইণ্টল ধান আৰু ৬১৩৯·৪১ কুইণ্টল ঘেঁহু সংগ্ৰহ কৰে।

(খ)—ৰাজ্য চৰকাৰৰ ঘেঁহু সংগ্ৰহৰ নিৰ্দ্ধাৰিত লক্ষ্য নাই।

ৰাজ্য চৰকাৰে ভাৰতীয় খাদ্য নিগমক ১৯৭২-৭৩ খাৰিফ বতৰৰ বাবে ৯.৮০,০০০ কুইণ্টল ধান সংগ্ৰহ কৰিবলৈ অনুমোদন কৰে।

(গ)—আহঁতগুৰি মৌজাত মাজুলীৰ বেচা-কিনা সমবায় সমিতিক এজেণ্ট হিচাবে নিয়োগ কৰা হৈছে।

(ঘ)—(১) শ্ৰীফণী বৰা আৰু

(২)—শ্ৰীমহেশ আগৰৱালা।

শ্ৰীনগেন বৰুৱা :—যি লক্ষ্য বান্ধি দিয়া হৈছিল সেই লক্ষ্যত নিগম উপনিত হব নোৱাৰাৰ কাৰণ কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ইয়াৰ কাৰণ কেইবাটাও। এটা কাৰণ হৈছে যি বিলাক অঞ্চলত খাদ্য নিগমক ধান সংগ্ৰহ কৰিবলৈ দিয়া হৈছে সেই অঞ্চল বিলাকৰ ভিতৰত শিৱসাগৰত খৰাং বতৰ হৈছে সেইকাৰণে তাত উৎপাদন কমিছে। সেই দৰেই কাছাৰ জিলাতো খৰাং এটা অস্থিৰ কাৰণে তাতো উৎপাদন কমিছে। তাৰ পাছত ...

অৱস্থা অহাৰ কাৰণেই তেওঁলোক কিছু অসুবিধাৰ সন্মুখীন হব লগা হয়।

শ্ৰীনগেন বৰুৱা :—নিগমৰ যি সকল এজেণ্ট সেইসকলে যথেষ্ট পৰিমাণে ধান ঘেহু সংগ্ৰহ কৰে। কিন্তু এই এজেণ্ট সকলে তাৰে এটা নাম মাত্ৰ অংশহে নিগমক দিয়ে। বাকীখিনি আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য যেনে-নগালেণ্ড, ত্ৰিপুৰা, অৰুণাচল, মিজোৰাম আদিলৈ চোৰাং ভাবে পঠাই দিয়া কথাটো চৰকাৰে জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, এইটোৰ সম্ভাৱনা নাই বুলি কব নোৱাৰি।

শ্ৰীসোনেশ্বৰ বৰা :—কাছাৰ জিলাত পেকেজ প্ৰগ্ৰেম কৃতকাৰ্য্য নোহোৱাৰ কাৰণেই তাৰ পৰা ধান সংগ্ৰহ কৰিব পৰা নগল নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—পেকেজ প্ৰগ্ৰেম কৃতকাৰ্য্য হৈছে। কিন্তু বতৰৰ কথাটো কব নোৱাৰি। বতৰৰ পেকেজটো কাৰ্য্যকৰী নহল।

Shri Jagannath Sinha :--In almost all the summer seasons due to heavy rainfall railfall lines as well as roads linking Cachar District with the rest of the world are disrupted. In view of this fact will the Chief Minister arrange for a buffer stock of food grains to cope with the siauttion ?

Shri Sarat Chandra Singha ( Chief Minister ) : Sir, the supplementary is not relevant here.

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী :—মন্ত্ৰীমহোদয়ে সংগ্ৰহৰ এটা অংশ চোৰাং ভাৱে বিক্ৰী হয় বুলি স্বীকাৰ কৰিছে। আৰু এইটো কথাও স্বীকাৰ কৰিব নেকি ? যে ধান সংগ্ৰহৰ ভাৰ এফ চি আইক দিছে যদিও তেওঁলোকে নিজে নকৰি এজেণ্টৰ হতুৱাই কৰাইছে। এইটো পৰিবৰ্ত্তন [illegible] নেকি ?

শ্ৰীশৰ[illegible] সিংহ ( মুখ্যমন্ত্ৰী ) :— এই ঠাইত স্পষ্টভাৱে নীতি ঘোষণা কৰা হৈছে। যি [illegible] এপেক্স মাৰ্কেটিং চচাইটি আছে আৰু যি ঠাইত

তেওঁলোকেই ধান সংগ্ৰহ কৰে। কিন্তু যি বিলাক ঠাইত এই অনুষ্ঠানটো নাই তাত ব্যক্তিগত মানুহক দিয়া হৈছে। আৰু বহুতো মাননীয় সদস্যই সন্দেহ প্ৰকাশ কৰাটো সম্ভাৱনা নোহোৱা নহয়। কিন্তু এই সম্পৰ্কত অভি-যোগ পোৱা নাই।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :-খাদ্য নিগমক কোন কোন জিলাত ধান সংগ্ৰহ কৰিবলৈ দিয়া হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—লক্ষীমপুৰ আৰু দৰং জিলাত মাৰ্কেটিং চচাইটিক দিয়া হৈছে।

শ্ৰীজগদিশ দাস :—ধান সংগ্ৰহৰ কাৰণে যি বিলাক এজেন্ট নিয়োগ কৰা হয় সেইবিলাক কি কথাৰ ওপৰত নিৰ্ভৰ কৰি নিয়োগ কৰা হয়। দ্বিতীয়তে এই এজেন্ট সকলে কিমান এলেকাৰ ভিতৰত ধান সংগ্ৰহ কৰে। আৰু তৃতীয়তে এই এজেন্ট কিমান জন আছে। তেওঁলোকৰ নাম ঠিকনা সহ জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—ধান সংগ্ৰহৰ যিটো ব্যৱস্থা সেইটো নিগম আৰু মাৰ্কেটিং চচাইটিক দিয়া হৈছে। মাৰ্কেটিং চচাইটি বিলাকে কোনো ব্যক্তিগত মানুহক ধান সংগ্ৰহ কৰিবলৈ নিদিয়ে কিন্তু তেওঁলোকৰ তলত যি বিলাক প্ৰাইমেৰী মাৰ্কেটিং চচাইটি থাকে তেওঁলোকে চাৰ্ভিচ চচাইটিৰ দ্বাৰা সংগ্ৰহ কৰে। আৰু য'ত মাৰ্কেটিং চচাইটি নাই তাত ব্যক্তিগত মানুহক খাদ্য নিগমে দিয়ে। এই মানুহবিলাক কেনেকৈ নিয়োগ কৰা হয় সেইটো মই নাজানো।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :—অধ্যক্ষ মহোদয়, ধান সংগ্ৰহৰ দুটা নিয়ম আছে। এটা হল এফ চি আই সংগ্ৰহ নীতি আৰু আনটো হৈছে এপেক্স মাৰ্কেটিং চোচাইটিৰ সংগ্ৰহ নীতি। এফ চি আয়ে যিটো ৰেফাৰেন্স দিয়ে সেইটো এপেক্স মাৰ্কেটিং চোচাইটিৰ লগত একেনে বেলেগ বেলেগ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, একেই।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—অধ্যক্ষ মহোদয়, চৰকাৰে ... নিয়োগ কৰে তেওঁ-যে মাৰ্কেটিং চোচাইটিয়ে যি বিলাক ব্যক্তিগত ... কথা জানেনে

লোকে অত্যন্ত কম দামত মোনে ১৫-১৬ টকাকৈ ধান কিনে এই সম্পৰ্কত কেইবাটাও অঞ্চলৰ পৰা বিশেষকৈ লক্ষীমপুৰ অঞ্চলৰ পৰা চৰকাৰৰ ওচৰত অভিযোগ জনাইছিল।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—এই প্ৰশ্নটোৰ উত্তৰ অধ্যক্ষ মহোদয় একেই। নিয়ম হিচাবে ক'অপাৰেটিভ এপেক্স মাৰ্কেটিং চোচাইটিয়ে কেৱল তেওঁলোকৰ তলত থকা হেলথ চাৰ্ভিচ চোচাইটিৰ জৰিয়তে ধান সংগ্ৰহ কৰিব, কিন্তু ব্যক্তিগত মানুহ নিয়োগ কৰাৰ যিটো সম্ভাৱনা সেইটো নাই বুলি কোৱা টান। এই সম্পৰ্কে অভিযোগ দিয়া কথাটো অধ্যক্ষ মহোদয় মোৰ মনত নপৰে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া:—অধ্যক্ষ মহোদয়, অসমৰ চাহ-নিগমে চাহ খেতিৰ উপৰিও অন্যান্য খাদ্য সামগ্ৰী সংগ্ৰহ কৰাৰ এটা ব্যৱস্থা আছে, এনে ব্যৱস্থাৰ খাতিৰত খাদ্য নিগমে অসমৰ চাহ নিগমক এই সংগ্ৰহৰ দায়িত্ব দিয়াৰ কথা চৰকাৰে ভাবিছেনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—অসমৰ চাহ নিগমক তেওঁলোকৰ যি দায়িত্ব দিয়া হৈছে সেইটোহে পালন কৰা উচিত।

শ্ৰীনগেন বৰুৱা:—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা জনাব পাৰে নেকি যে বোকাখাট অঞ্চলত ধান বেছা-কিনা কৰিবলৈ যি সমবায় সমিতি আছে সেই সমিতিক ধান সংগ্ৰহ কৰাৰ পৰা আতৰাই ৰাখি দুজন ব্যক্তিগত ব্যৱসায়িক ধান সংগ্ৰহ কৰিবলৈ কিয় দিয়া হৈছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—অধ্যক্ষ মহোদয়, মোৰ যি খবৰ সেইমতে বেছা-কিনা সমবায় সমিতিখন সেই অঞ্চলৰ অন্তৰ্ভুক্ত নহয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: আমাৰ ধান সংগ্ৰহৰ ক্ষেত্ৰত চৰকাৰৰ যি ঘোষিত নীতি সেই নীতি মতে কৰা হৈছে যাতে আমাৰ খেতিয়কে ধানৰ উচিত মূল্য পায়। কিন্তু এইটো কথা মুখ্য মন্ত্ৰীয়ে এফ চি আই আৰু এপেক্স মাৰ্কেটিং চোচাইটিয়ে যি বিলাক এজেণ্ট নিয়োগ কৰিছে তেওঁলোকে (নীতিগত ভাবে ক'পাৰেটিভ মাৰ্কেটিং চোচাইটিক নিদি) লাভ খোৱাৰ সুবিধা [illegible] কিছুমান গাইগুটীয়া মানুহক অৰ্থাৎ ধনীক শ্ৰেণীৰ হাতত দিছে, আৰু সেই[illegible]ৰ পৰা আমাৰ খেতিয়কসকলে উচিত মূল্যৰ পৰা

বঞ্চিত হৈছে। এই নীতি সম্পূৰ্ণ পৰিবৰ্ত্তন কৰি ধান সংগ্ৰহৰ কাম সম্পূৰ্ণ ভাবে এপেক্স মাৰ্কেটিং চোচাইটিক বা বেচাকিনা সমিতিক দিয়াৰ বিশেষ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ):—অধ্যক্ষ মহোদয়, মাননীয় প্ৰশ্ন কৰ্ত্তাই যি পৰামৰ্শ দিছে সি সম্পূৰ্ণ গ্ৰহণীয় তেখেতে এই সম্পৰ্কত যিটো কথা উল্লেখ কৰিছে সেইটোৰ উত্তৰ মই দুবাৰ দিছো যে এইটোৰ সম্ভাৱনা নাই বুলি কোৱা টান কিন্তু এই সম্বন্ধে বিশেষ অভিযোগ অহা নাই। নাহিলেও সম্ভাৱনা দুৰীভূত কৰিবৰ কাৰণে ব্যৱস্থা কটকটীয়া কৰিব লাগিব।

শ্ৰীকেহোৰাম হাজৰিকা :—অধ্যক্ষ মহোদয়, চৰকাৰে ধানৰ যিটো দাম বান্ধি দিছে তাতোকৈ কম নিৰিখত খেতিয়ক সকলৰ পৰা ধান কিনা অভিযোগ উঠিছে। গতিকে অন্যান্য বস্তুৰ দাম বঢ়াৰ পৰিপ্ৰেক্ষিতত ধানৰ মূল্য বঢ়োৱাৰ কথাটো চৰকাৰে ভাবিছেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ):—এই প্ৰশ্নটোৰ উত্তৰ মই আগতেই দিছো। ধানৰ দাম বাঢ়িলে খেতিয়কৰ ভাল হ'ব বুলি মই ভাবো কিন্তু অধ্যক্ষ মহোদয় প্ৰশ্নটো অৰ্থনৈতিক হোৱাৰ কাৰণে আমি ইচ্ছা কৰিলেই দাম বঢ়াব নোৱাৰো। ভাৰত চৰকাৰে যি নীতি কৰে সেই মতেই দাম নিৰ্দ্ধাৰিত হয়। আৰু সেই নীতি মতে বৰ্ত্তমান ধানৰ দাম বঢ়োৱাৰ কথা ভবা নাই।

Shri Md. Umaruddin :—May I know whether the F.C.I. is competent to post their own agents independently of the State Government, and if so, whether the terms and conditions of such agencies are settled independently by F.C.I. or in consultation with the State Government ?

Shri Sarat Chandra Sinha ( Chief Minister ) :--Thi partinent question which I will have to look in

শ্ৰীদেবেন বৰা :--অধ্যক্ষ মহোদয়, আমাৰ অসমত যি ... ৰ পৰা ... ৰমাণে ভাৰতীয় নাই বুলি মন্ত্ৰী খাদ্য নিগমে কৰিব লাগিছিল সিমানখিনি

মহোদয়ে জনাইছে। মই জনামতে এই কাৰণেই ধান সংগ্ৰহ কৰিব পৰা নাই যে যি বিলাক সহকাৰী বিষয়া বিশেষকৈ চাপ্লাই আৰু ক'অপাৰেটিভ বিষয়া সকলে ভাৰতীয় খাদ্য নিগমৰ লগত সহযোগ কৰে। তেওঁলোকে কিছুমানে কু-কাৰ্য্য কৰিছে বুলি শুনা যায় সেইকাৰণে এই গোটেই বিষয়টো বিভাগীয় পক্ষৰ পৰা তদন্ত কৰা হবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—এই প্ৰশ্নটোৰ উত্তৰ দিয়া হৈছে যে সম্ভাৱনাটো অস্বীকাৰ কৰিব নোৱাৰি, অস্বীকাৰ কৰিব নোৱাৰিলেও যি সম্ভাৱনা আছে সেইটো দূৰ কৰিবৰ কাৰণে চৰকাৰে কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীহাচমুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, শ্ৰীতুলাল খাউণ্ড ডাঙৰীয়াৰ প্ৰশ্নটোৰ আচল উত্তৰ নিদি মন্ত্ৰী মহোদয়ে বেলেগেই উত্তৰ দিছে। মই আকৌ মন্ত্ৰী মহোদয়ক সুধিব খোজো যে ১৫।২০ টকাত খেতিয়কৰ পৰা ধান সংগ্ৰহ কৰা কথাটো সচানে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—প্ৰশ্নটোৰ উত্তৰ অধ্যক্ষ মহোদয় যিমান দূৰ পাৰি মই দিছো। সম্ভাৱনা নোহোৱা নহয়, কিন্তু আমি এতিয়ালৈকে অভিযোগ পোৱা নাই। এই খিনিতে মই হাজৰিকা মহোদয়ে সোধা প্ৰশ্নৰ উত্তৰত কওঁ যে অহা খাৰিফ চেচনৰ পৰা ধানৰ দাম বঢ়োৱা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—ধানৰ দামটো কোনে থিক কৰে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰ প্ৰাইচ কমিচন আছে, সেই কমিচনে গোটেই কথাটো বিবেচনা কৰে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—অধ্যক্ষ মহোদয়, চৰকাৰে খাদ্য শস্যৰ পাইকাৰী ব্যৱসায় নিজৰ হাতলৈ অনাৰ কথা ঘোষণা কৰিছে। ধান আৰু ঘেহু সংগ্ৰহৰ ক্ষেত্ৰত যি বেমেজালি ঘটিছে সেই কথালৈ লক্ষ্য ৰাখি চৰকাৰে ধান আৰু ঘেহু সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থাৰ তত্বাৱধান লবলৈ এখন ৰাজহুৱা কমিটিৰ তত্বাৱধানত এই ব্যৱস্থা লোৱাৰ দিহা কৰিব নোৱাৰেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) :—সেই ক্ষেত্ৰত অধ্যক্ষ মহোদয় ৰাজ-

হুৱা কমিতি আছিবই। ধানৰ পাইকাৰী ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ অনাৰ যি নীতি ঘোষণা কৰিছে তাৰ পৰিপ্ৰেক্ষিতত সংগ্ৰহেই হওক বা বিতৰণেই হওক ৰাজহুৱা কমিতিৰ কথা আহিবই।

### Re: Record of Rights

Shri Atul Chandra Saikia asked :

*534. Will the Minister, Revenue be pleased to state—

What progress in preparation of record-of-rights has been made in tea gradens of Assam as per provision of Assam ( Temporarily Settled Areas ) Tenancy Act, 1971 ?

Shri Paramananda Gogoi ( Minister, Revenue ) replied :

534. A statement showing the different stages so far reached in connection with preparation of tenants' record-of rights in tea gardens as well as in other areas of the State, is placed on the Table of the House.

Shri Atul Chandra Saikia :—Sir, I have seen the statement which has been placed on the table of the House. The statement does not cover my queston. No specific information has been given about the preparation of record-of rights in tea gardens. My question was specific. May I know what progress in preparation of record-of-rights has been made in tea-gardens ?

Shri Paramananda Gogoi ( Minister ) :--Sir, that includes the Tea Gardens also.

Shri Jagannath Sinha :—Sir, may I know from the Hon'ble Minister whether the preparation of record-of-rights in the tea-gardens of Cachar District has already started ? If, so, how many bighas of land [illegible] placed on covered because in the list, which has [illegible]ication is available.

& that is absolutely vague as regards the Cachar district is concerned ?

Shri Paramananda Gogoi ( Minister ):--Sir, so far my information goes, there are 86 Tea Gardens within Silchar Sadar and Hailakandi Sub-divisions of the Cachar District of which survey have already been done in respect of lands which are not required for special cultivation of tea and for purposes of anciliary thereto. Draft Khatians have been or were issued to the eligible occupying tenants in 81 tea-gardens under the provision of the Assam ( Temporarily Settled District ) Tenancy Act, 1935, but the managements of 22 tea gardens filed writ petitions and stay orders were issued by the Hon'ble High Court. The exact figure is not with me. But so far as my information goes, the settlement operation for preparation of tenants and adhiars' record-of-rights in respect of lands belonging to the Tea-gardens-lands was started for about 81 tea gardens under the provision of the Tenancy Act, 1935- Recently, progress of preparation of tenants' records-of-rights in respect of lands belonging to another tea garden under Silchar Sadar Circle has been stayed under order of the Hon'ble High Court and the writ petition has been filed by the management of the tea garden concerned. However, we have posted our officers recently to carry out the work of the record-of-rights and for full implementation of Tenancy Act. These officers are now examining the revenue records and other necessary papers. From next winter, the actual work of record-of-rights will be started in Cachar District.

Shri Jagannath Sinha : Sir, the Hon'ble Minister of Revenue has stated that Officers have been posted there for prepartion of record-of-rights in respect of lands belonging to the Tea-gardens. But so far as

my information goes, nor a single tea-garden has covered as yet for preparation of record-of-rights in respect of lands belonging to thc Tea-gardens. May I know whether the Govt. has got that infomration ?

Shri Paramananda Gogoi (Minister): Sir, I have stated that officers have been posted recently and they are examining the necessary revenue papers and the actual work will be started only from the next winter season.

Shri Jagannath Sinha : Sir, while replying to my question, the Hon'ble Minister has only stated about the tea-garden lands of Silchar and Hailakandi Subdivision. But I have referred about the tea-garden lands of Cachar District which also includes Karimganj Subdivision. May I know the position of Karimganj Subdivision from the Hon'ble Minister ?

Shri Paramanada Gogoi (Minister) : Sir, I have already stated the position in respect of Silchar & Hailakandi Subdivisions. As regards the implementation of works, I have stated that work will commence from next winter in the district of Cachar. Sir, this also includes the work of Karimganj Subdivision.

Shri Giasuddin Ahmed : Sir, does the record-of-rights mean the record of right of the tea-garden labourers who are tenants ?

Shri Paramananda Gogoi (Minister): Sir, all the tenants in the tea-gardens will surely be there.

Shri Atul Chandra Saikia : Sir, may I know from the Hon'ble Minister whether any progress has been made in preparation of record-of-rights in both the tea-gardens of Salona & Lakhmijhna, where the land grabing is going on ?

Shri Paramananda Gogoi ( Minister ) : Sir, I do not know the exact location of these gardens. But so far as my information goes, in this district about 33,000 rayats were recorded including tea-gardens only in Darrang District.

Shri Giasuddin Ahmed : Sir, whether it means only the lands in the Tea Garden areas ?

Shri Paramanda Gogoi (Minister) : Sir, it does not mean only the lands in the Tea-gardens. Whoever is a tenant, his record-of-rights will be recorded.

Shri Jagannath Sinha : Sir, is it a fact that labourers' lands at Chaltabeel under Silcoree T.E. and Madhapur T.E. under Karimganj Subdivision were grabbed by the Land-lords ? If so, what steps have been taken by the Govt. to protect them ?

Shri Paramananda Gogoi ( Minister ): Sir, I do not exactly know whether the lands of the labourers have been grabbed by the Landlords or not. But there are certain cases regarding this and D. C. Cachar has been instructed to take proper action. Furthermore, we are trying to amend the present Tenancy Act, so that these landlords cannot evict the land of the tenants.

Shri Dulal Chandra Khound : Sir, may I know from the Hon'ble Minister whether the workers who are under actual employment in tea-gardens will be regarde as tenants ?

Shri Paramananda Gogoi ( Minister ) : Sir. according to the Tenancy Act whoever occupying the land and doing their agriculture will be regarded as tenant.

Shri Dulal Chandra Barua : Sir, the main purpose of the Temporarily Settled Areas Tenancy Act is to safeguard

the interesr of the Ex-tea-garden labourers & labourers who are now working in the Tea-gardens. But whether Govt. is aware of the fact most of the Revenue Officers in the district in collusion with the Tea-garden owners or big Landlords are not looking after the interest of the labourers with the result that their records-of-rights in respect of lands belonging to the Tea-garden are not properly recorded ? If so, then under what circumstances the Hon'ble Minister is giving this information to the House ?

Shri Paramananda Gogoi, Minister : Government is not aware that the Revenue Officers in collusion with the land lords are doing these things. So far as my information goes, tenancy work has been started in several districts, viz : in Sibsagar, Kamrup and few other districts and we have also posted officers there and the tenancy work under the Tenancy Act and Rules thereunder has been started and the tenants' right is being recorded.

Shri Giasuddin Ahmed : I am sorry, the matter has not been quite clear so many tea garden labourers are occupying land as tenants. May I know to whom these lands belong ? Who are the owners of the land, whether the tea garden managements or somebody else ? If the tea garden management, on what basis lands were given to the tenants and if these belong to somebody else then what legal status is there for the whole transaction ?

Shri Paramananda Gogoi, Minister— I could not follow exactly. But whatever I have followed, whether it is tea garden or anybody else is the owner, if the tenants occupy a plot of land carry on agricultural operation for more than 3 years, irrespective of teagarden or any land he has the right of occupancy and he cannot be evicted.

St. Q. No. 535 was not put member being absent.

বিঃ বৰপেটা মহকুমা

ডঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে ঃ

* ৫৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমা কোন চনত স্থাপিত হৈছিল ?

(খ) প্ৰথম মহকুমা স্থাপনৰ সময়ত জনসংখ্যা কিমান আছিল আৰু বৰ্ত্তমান জনসংখ্যা কিমান ?

(গ) প্ৰশাসনৰ সুবিধাৰ্থে আৰু ৰাইজৰ বহুদিনীয়া দাবী আৰু আশা-পুৰণাৰ্থে বৰপেটা মহকুমাক জিলালৈ ৰূপান্তৰিত কৰাৰ কিবা ব্যৱস্থা কৰিছে নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫৩৬। (ক)—২ মাৰ্চ ১৮৪১ (ইং) চনত।

(খ) সেই সময়ত কোনো লোকগনণা হোৱা নাই। ১৮৭২ (ইং) চনৰ প্ৰথম লোকপিয়ল মতে বৰপেটা মহকুমাত ১,৪৬,২১৪ জনসংখ্যা আছিল আৰু ১৯৭১ চনৰ লোকপিয়ল মতে জনসংখ্যা ৯,৭১,৭৩৭।

(গ) বিষয়টো বিবেচনাধীন হৈ আছে।

ডাঃ সুৰেন দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাত অসমত কিমান জিলা গঠিত কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—মহোদয়, ভালে কেইখন জিলা গঠন কৰা হৈছে।

ডাঃ সুৰেন দাস ঃ—মহোদয়, সাধাৰণতে কি কি ভিত্তিত এই জিলা বিলাক গঠন কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, এই জিলাবিলাক গঠন কৰা হয় বিশেষকৈ প্ৰশাশনীয় সুবিধা, জনসাধাৰণৰ সুবিধা, ৰাজহ সংগ্ৰহৰ সুবিধা আৰু প্ৰশাসনীয় নানা ধৰণৰ সুবিধাৰ বাবে।

Shri Jalaluddin Ahmed : May I know from the Chief Minister that if the district of Lakhimpur compri-

sing less number of population and with a smaller area than Barpeta Sub-Division, can be declared a district why Barpeta cannot be declared a district? What are the reasons for that?

Shri S. C. Sinha, Chief Minister: Population is not the only criterion.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :--মহোদয়, মই জনাত উত্তৰ প্ৰদেশত স্বাধীনতাৰ পূৰ্ববৰ্ত্তী কালত ৫২ খন জিলা আছিল। স্বাধীনতাৰ পিচত তাত মাত্ৰ নতুনকৈ এখন জিলাহে গঠন কৰিলে। আৰু তাৰ প্ৰশাসনো সুচাৰু ৰূপেই চলি আছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে, অসমত ইমান কেইখন নতুনকৈ জিলা গঠন কৰিবলগীয়া হৈছে অকল প্ৰশাসনীয় সুবিধাৰ কাৰণে। ২/১ বছৰৰ অন্তৰে অন্তৰে আমাৰ ইয়াত জিলা গঠন কৰিব লগা হৈছে এইটো ইয়াকে বুজায়নেকি যে আমাৰ ইয়াৰ প্ৰশাসন সোলোক ধোলাক?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): -মহোদয়, উত্তৰ প্ৰদেশ অসম নহয় আৰু অসমো উত্তৰ প্ৰদেশ নহয়।

শ্ৰীগীয়াছ উদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, প্ৰশাসনীয় সুবিধাৰ কাৰণে এই জিলাবিলাক গঠন কৰা হৈছে বুলি কৈছে। কিন্তু বৃটিছ সাম্ৰাজ্যবাদী সকলৰ প্ৰশাসনীয় সুবিধা আৰু আমাৰ চৰকাৰৰ প্ৰশাসনীয় সুবিধা এই দুটাৰ ভিতৰত কিবা প্ৰাৰ্থক্য আছেনেকি? যদি আছে সেই প্ৰাৰ্থক্যৰ কাৰণে অসমৰ জিলা আৰু মহকুমা বিলাকত পুনৰ গঠন কৰাৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :--অধ্যক্ষ মহোদয়, বৃটিছ চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থা আৰু বৰ্ত্তমান চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থাৰ মাজত বহুটো প্ৰাৰ্থক্য আছে। বৃটিছ প্ৰশাসনীয় ব্যৱস্থাই এনে কিছুমান অসুবিধাৰ সৃষ্টি কৰিছে যে, সেই অসুবিধাবিলাক দূৰ কৰিবলৈ আমি বহুতো অসুবিধাৰ সম্মুখীন হব লগা হৈছো। যাতে সেইবিলাক দূৰ কৰি জনসাধাৰণৰ সুবিধা কৰিব পৰা যায় তাৰহে চেষ্টা কৰা হৈছে। অৱশ্যে

এই ক্ষেত্ৰত প্ৰশ্ন কৰ্ত্তাৰ বিষয়টোও বিবেচনা কৰা হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, কামৰূপ জিলাৰ জনসংখ্যাৰ পৰিপেক্ষিতত উত্তৰ কামৰূপত এখন নতুন জিলা গঠন কৰাৰ বাবে, বৰপেটাৰ বাহিৰেও আৰু আন আন ঠাইৰ পৰাও দাবী আহিছে। সেই দাবীবোৰ বিবেচনা কৰি চৰকাৰে নতুন জিলা গঠন কৰাৰ কথা বিবেচনা কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এইটো এটা নতুন প্ৰশ্ন। বৰ্ত্তমানৰ প্ৰশ্নৰ লগত কোনো সমন্ধ নাই।

শ্ৰীমতী প্ৰনিতা তালুকদাৰ :—অধ্যক্ষ মহোদয়. মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰপেটা মহকুমাক নতুন এখন জিলাত ৰূপায়িত কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ সা-সুবিধা আৰু জনসাধাৰণৰ সা সুবিধাৰ প্ৰশ্ন নাই বুলি ভাবেনেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—অসুবিধা নাই বুলি কব নোৱাৰি। এই কথাটো বিবেচনা কৰা হৈ আছে।

শ্ৰীজালাল উদ্দিন আহমেদ :—অধ্যক্ষ মহোদয় ১৯৭১ চনৰ লোক পিয়ল মতে বৰপেটা মহকুমাৰ জনসংখ্যা ৯,৭১,৭৩৭ জন। কিন্তু এই জনাত কম জনসংখ্যালৈও লক্ষীমপুৰক জিলালৈ ৰূপান্তৰ কৰা হল আৰু ডিব্ৰুগড়কো প্ৰায় ৮ লাখ জন সংখ্যালৈয়ে জিলালৈ ৰূপান্তৰ কৰিব লগা হল। কিন্তু আজিলৈকে বৰপেটা মহকুমাক কিয় জিলালৈ ৰূপান্তৰ কৰা হোৱা নাই।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—উত্তৰ ইতি মধ্যে দিয়া হৈছে।

শ্ৰীকন্দৰ্প কুমাৰ দাস :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনসংখ্যা আৰু শাসন যন্ত্ৰৰ ভিত্তিত জিলা গঠন হয় বুলি কৈছে। আমাৰ বৰপেটা মহকুমাত জনসংখ্যা প্ৰায় ১০ লাখ। আনহাতে এই মহকুমাত শাসন যন্ত্ৰৰ বেমেজালী হোৱা কাৰণে দুনীতিও বাঢ়ি গৈছে। গতিকে শাসন যন্ত্ৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইয়াত এখন জিলা গঠনৰ কথা চৰকাৰে চিন্তা কৰিবনে?

মাননীয় অধ্যক্ষ :—এই প্ৰশ্নৰ উত্তৰ আগতে দিয়া হৈছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—অধ্যক্ষ মহোদয়, আজি নতুন জিলা গঠনৰ ক্ষেত্ৰত অকল অসমৰ বৰপেটাৰ পৰাই নহয়, মঙলদৈ, গোলাঘাট আদি ঠাইৰ পৰাও তেনে ধৰণৰ দাবী আহি আছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা সময়ত বক্তৃতা প্ৰসঙ্গত এই জিলাবিলাক যেৰিবট বেচিচত গঠন কৰা বুলি কৈছিল যদিও. এইটো প্ৰতিয়া পৰিলক্ষিত হৈছে যে, মূলত ৰাজনৈতিক হেচাৰ কাৰণেহে এতিয়াৰলৈকে জিলাবিলাক গঠন কৰা হৈছে। কিন্তু তাৰ পৰিবৰ্ত্তে এই জিলা গঠনৰ বিষয়টো এটা তদৰ্থ ব্যৱস্থাৰ আলম লৈ কিছু-মান নিৰ্দ্দিষ্ট নিয়ম নীতিৰ ওপৰত ভিত্তি কৰি চৰকাৰে বিবেচনা কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—সেইটো ইতিমধ্যে কৰা হৈছে।

শ্ৰীআব্দুল হানান চৌধুৰী :-অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ বৰ-পেটা মহকুমাত ছাত্ৰ সন্থাই অহা ১৫ আগষ্টত বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ স্থিৰ কৰিছে। সেই বিষয়ে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই খবৰ পাইনে ? যদি পাইছে তাৰ কি বিহিত ব্যৱস্থা কৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :-মই ছাত্ৰসকলক অনুৰোধ কৰিম যাতে তেওঁলোকে সেইটো নকৰে।

ডাঃ সুৰেণ দাস :—বৰপেটা জিলাৰ দাবী বহুদিনীয়া দাবী আৰু এই দাবীৰ পৰিপ্ৰেক্ষীতত চৰকাৰে বিবেচনা কৰি আছে বুলি কৈছে। মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে বিবেচনা কৰাৰ কাৰণে যিখিনি দাতা লাগে সেইখিনি সংগ্ৰহ কৰা হৈছে নে ? যদি সংগ্ৰহ কৰা হৈছে ইয়াক জিলালৈ ৰূপান্তৰিত কৰাৰ কাৰণে আৰু কিমান সময় লাগিব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :-যিখিনি পৰিসংখ্যা লাগে সেইখিনিত ৰৰ বেছি অসুবিধা নাই, সেই বিলাক আছেই। এই অসুবিধা আৰু তথ্য-পাতি বিলাক বিশ্লেষণ কৰি তাৎপৰ্য্য অনুযায়ী সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণে সময় লব পাৰে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :-ৰাজ্য পুনৰ গঠন হোৱাৰ পাচত অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু প্ৰশাসনীয় সকলো বিলাকতে পৰিবৰ্ত্তন আহিছে লগতে এইটোও চাব লাগিব বৃটিশৰ দিনতে যি পদ্ধতিৰে জিলা বা মহ-

কুমা বিলাক তৈয়াৰ কৰা হৈছিল সেই শাসন পদ্ধতিৰে আজিও আমাৰ প্ৰশাসন ব্যৱস্থা চলি থকাটো সমিচিন হৈছেনে নাই চাব লাগিব। মোৰ মনত পৰে মৰি মহকুমাৰ প্ৰস্তাবৰ সময়ত আমাৰ মাননীয় সদস্য শ্ৰীপিট-সিং কোৱৰ ডাঙৰীয়াই এটা প্ৰশ্ন আনিছিল আৰু সেই প্ৰশ্নৰ আলোচনা প্ৰসঙ্গত চৰকাৰে ঘোষনা কৰিছিল যে ৰাজ্য পুৰ্ণ গঠণ হোৱাৰ পাছত প্ৰশাসনীয় ভিত্তিত জিলা বা মহকুমাৰ কথাটো বিবেচনা কৰা হব আৰু তাৰ কাৰণে চৰকাৰে এখন কমিটি গঠন কৰাৰ সিদ্ধান্ত কৰিছিল। গতিকে মই সুধিব খুজিছো এই কমিতি গঠন হৈছেনে নাই? যদি হৈছে কিবা কাম কৰিছেনে নাই আৰু যদি হোৱা নাই কিয় হোৱা নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ:—কমিটি গঠন কৰা সঠিক খবৰ মই জনাত নাই।

শ্ৰীজগদীশ চন্দ্ৰ দাস:-অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰীয়ে কৈছে যে প্ৰশাসনৰ সুবিধাৰ কাৰণে জিলাবিলাক গঠন কৰা হৈছে। মই সুধিব খুজিছো যিবিলাক মহকুমাত প্ৰশাসনীয় অসুবিধা আছে সেইবিলাকক প্ৰশাসনৰ সুবিধাৰ কাৰণে জিলালৈ ৰূপান্তৰিত কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):-এই কথাটো মোৰ উত্তৰত আছে। পৰিসংখ্যাৰ কথাই হওক বা অন্য কিবা কথাই হওক। এই তথ্যাৱলি বিশ্লেষণ কৰি কি কৰিব লাগিব বা কি সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব এই-টোত উপনিত হোৱাটোহে টান কথা।

শ্ৰীকৃষ্ণ কান্ত লহকৰ:-বৰপেটা জিলা কৰাৰ লগতে আৰু এখন তাত মহকুমাৰ কথা ভাবিছিনেকি বা বাইজৰ পৰা তেনে কিবা আপত্তি বা আবেদন পাইছেনেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):-অধ্যক্ষ মহোদয়, আগতে জিলাখন হৈ লওক তাৰ পিচতহে মহকুমাৰ কথা আহিব।

শ্ৰীসোনেশ্বৰ বৰা:-জিলা সদৰৰ যি সকল সদস্য থাকে তেওঁলোকে অন্য মহকুমা সদৰত থকা সদস্য সকলতকৈ পোনপতীয়া যোগাযোগ পায়। সেই কাৰণে মহকুমাৰ সদৰৰ সদস্য সকলে জিলা দাবী কৰে তাৰ কাৰণ হল জিলা সদৰৰ সদস্যত কৈ মহকুমা সদৰৰ সদস্যসকলে সুবিধা কম পায়।

গতিকে মহকুমা আৰু জিলাৰ পাৰ্থক্য বিলোপ কৰি শাসন তন্ত্ৰটো এক কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :-পৰামৰ্শটো বিবেচ্য ।

বিঃ কৃষি মজুৰ সংস্থাপনৰ আঁচনি

শ্ৰীকেহোৰাম হাজৰীকাই সুধিছে :

* ৫৩৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ নখুটি, সোনাজুৰি আৰু সৰিসাবাৰী নামৰ স্থানত কৃষি মজুৰ সংস্থাপনৰ এখন আঁচনি লোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) এই আঁচনি কোন চনত গ্ৰহণ কৰা হৈছিল ?

(গ) উক্ত আঁচনি মতে মাটি দিবলৈ লিষ্টভুক্ত খেতিয়ক সকলক সংস্থাপন কৰা হ'ল নে ?

ঘ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৩৭। (ক) হয়, জানে।

(খ) ১৯৬৭ চনত।

(গ) এই আঁচনি মতে ১০০ ঘৰ মাটিহীন খেতিয়কক সোনাজুৰি আৰু সৰিসাবাৰি অঞ্চলত মাটি দিয়া হৈছে। কিন্তু নখুটি অঞ্চলৰ মাটি বেদখলত থকাৰ কাৰণে লিষ্টভুক্ত খেতিয়কক মাটি সমজি দিব পৰা নাই।

(ঘ) বেদখলকাৰী সকলক উচ্ছেদ কৰি লিষ্টভুক্ত পৰিয়াল সকলক দখল দিবলৈ গৈ দেখা গ'ল যে এই মাটি পুনৰ বেদখল কৰিছে, আৰু বেদখলকাৰী সকলক পুনৰ উচ্ছেদ কৰিবলৈ লোৱাত তেওঁলোকৰ দৰ্খাস্ত মৰ্ম্মে অসম বোৰ্ড অৱ ৰেভিনিউৱে এই উচ্ছেদ কাৰ্য্য স্থগিত ৰখাৰ আদেশ দিয়াত লিষ্টভুক্ত সকলক মাটিৰ দখল দিব পৰা নাই।

শ্ৰীকেহোৰাম হাজৰীকা :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে দখল কাৰী সকলে ৰেভিনিউ বোৰ্ডত গোচৰ দিয়া কাৰণে

তেওঁলোকক দখল চমজাই দিব পৰা নাই। ৰেভিনিউ বোৰ্ডত তেওঁলোকে কিমান তাৰিখে কেচ দিছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :-তাৰিখটো মোৰ ইয়াত নাই। বোধকৰো ১৯৭০ চনৰ কোনোবা এটা সময়ত হব লাগিব।

শ্ৰীকেহোৰাম হাজৰীকা :-প্ৰশ্নৰ উত্তৰৰ পৰা দেখা যায় যে ৩ বছৰ আগতে তেওঁলোকে ৰেভিনিউ বোৰ্ডত কেচ দিছিল। এই ৩ বছৰ আগতে খেতিয়কক মাটি চমজাই নিদিয়াটো শাসন যন্ত্ৰৰ সম্পূৰ্ণ চক্ৰান্ত বুলি ধৰি লব নোৱাৰিনে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :-শাসন যন্ত্ৰৰ চক্ৰান্ত ইয়াত অলপো নাই। কাৰণ ইয়াত যি বেদখল হৈছে সেই বেদখলকাৰী সকল শক্তিশালী আৰু ৰাজনৈতিক ভূমিকাও তাত আছে। তেওঁলোকক বাৰে বাৰে উচ্ছেদ কৰিবলৈ চেষ্টা কৰা হৈছে। তেওঁলোকক উচ্ছেদ কৰিবলৈ যাওতে ৰেভিনিউ বোৰ্ডত দৰ্খাস্ত কৰিলে আৰু তেতিয়া উচ্ছেদ স্থগিত থাকে। এতিয়াও আমি যতপৰোনাস্তি চেষ্টা কৰি আছো। আশা কৰা হৈছে আৰু অলপ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিম যদি ৰাইজৰ সহযোগ পাওঁ। এইটো কেন্দ্ৰীয় চৰকাৰৰ আচনি আৰু তাক কাৰ্য্যকৰী কৰাৰ সিদ্ধান্ত আমাৰ আছে গতিকে তেখেত সকলক বসবাস দিয়াত অসুবিধা নহব। বোৰ্ডৰ পৰা খালাচ হৈ অহাৰ লগে লগে অতি সোনকালে আমি উচ্ছেদ কৰিম।

শ্ৰীকেহোৰাম হাজৰীকা :—ইতিমধ্যে ৰেভিনিউ বোৰ্ডত কেছটো শেষ হৈছে বুলি গম পাইছো। যদি সেইটোৱে হয় আৰু কিমানদিন পাচত এই লোক সকলক মাটি চমজাই দিব পৰা হব?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :—সঠিক সময় নিৰ্দ্ধাৰণ কৰা সম্ভৱ নহয় কিন্তু চৰকাৰে যত্ন কৰিব অতি সোনকালে কৰিবৰ কাৰণে।

শ্ৰীপিত সিং কোঁৱৰ :—এই আচনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি খিনি টকা দিছিল সেই টকা আমাৰ হাতত আছে নে কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিছে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :-টকাখিনি আমাৰ হাতত আছে, আমি কাম আৰম্ভ কৰিব পাৰিম।

শ্ৰীমতী আনন্দি বালা ৰাভা :-এনেধৰণৰ কৃষি মজদুৰ সংস্থাপন আঁচনি গোটেই ৰাজ্যত এইখনেই নে আৰু ক'ৰবাত আছে? যদি আছে ক'ত ক'ত আছে?

শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ) :-গোটেই ৰাজ্যৰ ভিতৰত এইখনেই লোৱা হৈছে।

শ্ৰীজগদীশ দাস :-নখুটি সৰিস্বাৰী আৰু সোনাজুৰিত এই কেইখন আদৰ্শ গাওঁ স্থাপন কৰাৰ হকে কেন্দ্ৰীয় চৰকাৰে ১২০০ টকা আৰু ১০ বিঘাকৈ মাটি প্ৰতিঘৰ মানুহক দিয়াৰ আঁচনি ১৯৭২ চনতে লৈছে কিন্তু আজিলৈকে তাক কাৰ্য্যকৰী কৰিব পৰা নাই। গতিকে যি সকল বিষয়া তাত আছে তেওঁলোকৰ অনভিজ্ঞতাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনি অকৃতকাৰ্য্য হোৱা কথাটো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিবনে?

শ্ৰীপৰমানন্দ গগৈ ( ৰাজহ মন্ত্ৰী ) : এইটো স্বীকাৰ কৰিবলৈ টান। কিন্তু যতপৰোনাস্তি চেষ্টা কৰি থকা হৈছে। মানুহ বিলাকক ১২/১৩ ঘৰীয়া সৰু সৰু গোট কৰি বহিবলৈ দিলে নহবে। কাৰণ তেওঁলোকে ভয় কৰে আৰু পুলিচ পহৰা লাগে বুলি কয়। গতিকে যেতিয়ালৈকে বেদখলকাৰীক সম্পূৰ্ণ উচ্ছেদ কৰিব নোৱাৰি তেতিয়ালৈকে মানুহ বিলাকক তাত বহুৱা টান হব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৰাজ্যখনত এখন মাত্ৰ কৃষি মজদুৰ আঁচনি লোৱা হৈছে, এইটো কথা সঁচানে যে অসম চৰকাৰে প্ৰস্তুত কৰা আঁচনিৰ বিফলতাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ টকা ঘূৰাই দিব লগীয়া হৈছে। বিশেষকৈ শিৱসাগৰ জিলাত আঁচনি তৈয়াৰ কৰিবলৈ অপাকা হোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ টকা ঘূৰাই দিব লগীয়া হৈছে।

শ্ৰীপৰমানন্দ গগৈ :—এইটো পৰীক্ষা কৰি চাম।

শ্ৰীপিটসিং কোঁৱৰ :—এই তিনিখন ঠাইলৈ যে বেদখলকাৰী আহিছে ক'ৰ পৰা আহিছে? আৰু সংখ্যা কিমান?

শ্ৰীপৰমানন্দ গগৈ :—সংখ্যা নাই বৰ্ত্তমান মোৰ হাতত। কিন্তু আমাৰ সংবাদ মতে সেই বেদখলকাৰী নখুটিৰ আশে পাশে থকা লোক, নগাওঁ জিলাৰ লোক, আৰু কামৰূপ জিলাৰো আছে গোৱালপাৰাৰো আছে।

Re : Offices of Forest Department

Shri Biren Ram Phookan asked :

*438. Will the Minister, Forests, be pleased to state--

(a) Who are the offices of Forests Department functioning at Gauhati and where are these accommodated ?

(b) How many of these offices are located in Government buildings and how many are in rented houses ?

(c) What is the amount of rent being annually paid by Government for these offices ?

(d) How many employees of these offices are provided with Government Quarters and how many employees are yet to be provided with such Government residences ?

(e) what step the Government propose to take to provide residential accommodation to all such employees ?

(f) whether Government is aware that construction of a Multistoreyed structure in the central site by demolishing the present delapidated Divisional Forest Office at Gauhati to accommodate all the offices of the Forest Depertment would be financially more advantageous in the long run and more beneficial to the public ?

(g) If so, whether Government will take action in that direction ?

Shri Paramananda Gogoi (Minister, Forests) replied :

438. (a) 9 (nine) Numbers of the offices of Forest Department with 6(six) subordinate offices are functioning at Gauhati. These are as follows.

(1) Conservator of Forests, Lower Assam Circle at Kharguli.

(2) Conservator of Forests Economic Circle at Uzanbazar.

(3) Divisional Forest Officer, South Kamrup Division at Panbazar, Kachari with 5 (five) subordinate offices.

(i) Range Forest office at Panbazar, Kachari.

(ii) Beat Forest office at Panbazar, Kachari.

(iii) Dispur Forest Check gate at Dispur.

(iv) Sub-Beat Forest Office at Khanapara.

(v) Sub-Beat Forest Office at Khanapara.

(4) Divisional Forest Office, Forest Resources Survey Division at Rehabari.

(5) Working Plan Office, L. A. C. at Santipur.

(6) Divisional Forest office, Consolidation Division at Silpukhuri with—

(i) Range Forest Office, Reservation and Survey Range at Zoo-Narangi Road.

(7) Divisional Forest Office, State Zoo at Zoo Road at Gauhati.

(8) Divisional Forest Office, Forest Economic Division at South Sarania, Ulubari.

(9) Silviculturist, Assam at South Sarania, Ulubari.

(b) 7 (seven) numbers of the above offices are accomodated in Government buildings and 8 (eight) Nos. are in rented houses.

(c) Rupees 51,804·00 is being paid annually by these offices for 8 Nos, of the above offices.

(d) 99 (ninty nine) Numbers of employees are provided with Government quarters and 203 Nos. of employees are yet to be provided with such Government quarters.

(e) It is under contemplation of the Government.

(f) Matter of construction of a multi-storeyed buil-

ding and site thereof is under examination of the Chief Conservator of Forest.

(g) Direction of action will depand on the report of the examination.

শ্ৰীবীৰেণ ৰাম ফুকন :—মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে যে এই অফিচ বিলাক সিচঁৰতি হৈ থকাৰ কাৰণে ৰাইজৰ বহুত অসুবিধা হয় সেইকাৰণে কাচাৰীৰ কাষত যিটো অফিচ আছে সেইটো চাবি মহলীয়া কৰি ফৰেষ্টৰ সকলো বিভাগ তাত বহুৱাবলৈ চৰকাৰে চিন্তা কৰিছেনে আৰু যদি চিন্তা কৰা নাই তেনেহলে সন্তৰপৰ অন্য ঠাইত মাটি লোৱাৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ : প্ৰশ্নটো প্ৰথম অংশৰ উত্তৰ ইয়াতে "এক" প্ৰশ্নৰ উত্তৰত দিয়া হৈছে আৰু দ্বিতীয় অংশৰ কথা চিন্তা কৰাই নহয় প্ৰায় সিদ্ধান্তই কৰিছো। এইটো ফৰেষ্ট ক'লনি পতাৰ কথা হৈছে আৰু বন বিভাগৰ আটাইবিলাক কাৰ্য্যালয় তাত পতাৰ দিহা কৰা হৈছে। কিয়নো দিচপুৰত অস্থায়ী ৰাজধানী হোৱাত আৰু স্থায়ী ৰাজধানীও অতি সোনকালে সিদ্ধান্ত হব গতিকে চাফ কনজাৰভেটৰৰ অফিচ শ্বিলঙত থকাৰ কোনো কথা নাই, এইটোও আনিব লাগিব গতিকে আটাইবিলাক কন্চলিডেট আঁচনিত লব লাগিব এইটো সিদ্ধান্তত উপনীত হৈছে।

শ্ৰীবীৰেণ ৰাম ফুকন :—কেন্দ্ৰীয় চৰকাৰৰ টাইগাৰ প্ৰজেক্ট কেতিয়া আৰম্ভ হব মন্ত্ৰী ডাঙৰীয়াই জনাবনে ?

শ্ৰীপৰমানন্দ গগৈ :– এই প্ৰশ্নটো ইয়াৰ সংক্ৰান্তত নাহিব নেকি, চাৰ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : -নগৰৰ মাজত ফৰেষ্ট অফিচ বিলাক ৰাখি ফৰেষ্ট যি ধৰণে ৰক্ষা কৰিছে আমাৰ ফৰেষ্ট বিলাক যি ধৰণে ৰক্ষণাবেক্ষন দিছে সেইটো দেখিবলৈ পাইছো, সেই কথা বিবেচনা কৰি অন্ততঃ ডিভিজনেল অফিচৰ পৰা আৰম্ভ কৰি তলৰ অফিচ বিলাক ফৰেষ্টৰ ওচৰত অনাৰ কথা বিবেচনা কৰি চাবনে ?

শ্ৰীপৰমানন্দ গগৈ :—এই কথা সামগ্ৰিক ভাৱে বিবেচনা কৰি চোৱা হৈছে আৰু সেই সুত্ৰে কেইটামান ডিভিজনেল অফিচ বনাঞ্চলৰ ওচৰলৈ নিয়া

হল কিন্তু প্ৰমাণ পোৱা নাই যে বেছি কৃতকাৰ্য্য হৈছে। অৱশ্যে কিছুমান কথাৰ অসুবিধা হৈছে। দ্বিতীয়তে চিন্তা কৰা হৈছে যে ধন পইচা আদি সংগ্ৰহ কৰি ২০-৩০ মাইল দূৰৰ পৰা আহি ট্ৰেজাৰি চালান আদি দিয়া, বেংকত টকা জমা দিয়া আদি অসুবিধা হৈছে।

শ্ৰীমতী আনন্দী বালা ৰাভা ঃ—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ৰাজধানী নিৰ্ম্মাণ প্ৰশ্নটো ঠিৰাং নোহোৱাৰ কাৰণেই গুৱাহাটীত বন বিভাগৰ দৰ্কাৰী অফিচ ঘৰবোৰ আৰু কৰ্ম্মচাৰী সকলৰ বাসস্থানবোৰ ক'ত নিৰ্ম্মাণ কৰা হব ঠিক কৰা হোৱা নাছিল কিন্তু বৰ্ত্তমান অস্থায়ী ৰাজধানী দিচপুৰত হোৱাত এই বিষয়ে গুৱাহাটীৰ ওচৰতে স্থায়ী বন বিভাগৰ অফিচ, আৰু বাসস্থানৰ কাৰণে ফৰেষ্ট ক'লনী বনাবলৈ আঁচনি লোৱা হৈছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে এই বন জঙ্গলবোৰ আটাইবোৰ গাওঁত অৱস্থিত, তেনে স্থলত ৰাজধানীৰ লগত এই অফিচবোৰ আৰু কৰ্ম্মচাৰীসকল থকাৰ ক'লনি বনোৱাৰ সম্বন্ধ কি ? আৰু মন্ত্ৰী মহোদয়ে কৈছে যে বন বিভাগৰ লগত টকাৰ সম্পৰ্ক আছে বাবেই ৰাজধানীত অফিচবোৰ নিৰ্ম্মাণ কৰিব লগা হয়, মন্ত্ৰী মহোদয়ে জনাবনে প্ৰতি মহকুমাতে বিভাগীয় টকা পইচাৰ লেনদেনৰ কাৰণে ষ্টেট বেংক ট্ৰেজাৰী আদি আছে, সেইবোৰত ফৰেষ্ট বিভাগে টকা পইচাৰ লেন-দেন কৰাৰ কিবা অসুবিধা আছেনে ?

অধ্যক্ষ ঃ—প্ৰশ্নোত্তৰ সময়েই শেষ হব এতিয়া।

( সদনত হাঁহিৰ ৰোল উঠে )

শ্ৰীপৰমানন্দ গগৈ :—মাননীয়া প্ৰশ্নকৰ্ত্তয়ে উত্তৰটো যথাযথ ভাৱে অনুধাৱন কৰিব নোৱাৰিলে তাৰ বাবে দুখীত। তেখেতৰ পৰামৰ্শ মতেই অফিচ বিলাক আছে। ডিভিজনেল অফিচৰ পিচত ৰেঞ্জ অফিচ, বীট অফিচ সাধাৰণতে হাবিৰ মাজতেই থাকে। ৰেঞ্জ অফিচ থাকে এশ বৰ্গ মাইল বা পাচশ বৰ্গমাইল এনেকুৱা ৰেঞ্জৰ ভিতৰত। কেইটামান বীট অফিচৰ ওপৰত ৰেঞ্জ অফিচ থাকে। কিন্তু এই টকা বিলাকৰ ডিভিজনেল অফিচৰ লগত পোনপতীয়া সম্বন্ধ আছে। তেখেতৰ গোটেই প্ৰশ্নটোৰ উত্তৰ আগতেই দিয়া হৈছে তেখেতে বুজিব নোৱাৰা কাৰণেহে মই দুখীত।

Mr. Speaker, The question hour is over.

Undisposed Starred question of 13th July, 1973.

Re : Issue of permit for fire-wood.

Shri Giasuddin Ahmed asked :

* 539. Will the Minister, Forests be pleased to state—

(a) Whether it is a fact that Government has instructed all the Divisional Forest Officers to issue permit for fire-wood from the plantation and clear felling coupes to Assam Hard Board at one-third royalty ?

(b) If so, what is the total quantity of fire-wood given to the said firm at the same rate i.e. one-third royalty ?

(c) What is the amount of royalty per truck load available in open sale ?

(d) Whether it is a fact that this concession to the Assam Hard Board has resulted in a huge loss of revenue since 1966 ?

(e) If so, what is the amount of loss till to-day ?

Shri Paramananda Gogoi (Minister, Forests) reply :

539. (a) M/s. Assam Hard Board Limited of Panikhaiti has been allowed to remove fire-wood and other thinning materials from yound plantation on payment of one-third of current rates or royalty since 1969. At present such materials are allowed to be removed from Nowgong and South Kamrup Divisions only.

(b) The total quantity of fire-wood given to the said company are as shown below :—

Nowgong Division

| Year | | Volume in stacked Cu. M. |
|---|---|---|
| (1) | | (2) |
| 1969-70 | .... | 4392·0 |
| 1970-71 | .... | 15063·55 |

| | | |
|---|---|---|
| 1971-72 | ... | 18107·7 |
| 1972-73 | ... | 18248·0 |

( till 8th June 1973 )

B From Thinningsin Plantations.

| | | |
|---|---|---|
| 1969-70 | ... | 1546 |
| 1970-71 | ... | Nil |
| 1971-72 | ... | Nil |
| 1972-73 | ... | 309 |

( till 8th June 1973 ).

South Kamrup Division

| | | |
|---|---|---|
| 1970-71 | ... | 15 truck loads. |

(c) The Schedule rates of royalty for fire-wood is Rs. 9·00 per 3 ton truck and Rs. 15·00 per 5 ton truck.

(d) and (e) The concession mentioned at (a) above has been given to the company since 1969 and not 1966. The quantum of total loss of royalty is about Rs. 53,703.25 till 8th June 1973.

বি : চাউল বাজেয়াপ্ত

শ্ৰীহিৰণ্য কুমাৰ বৰাই সুধিছে :

* ৫৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চলিত বছৰৰ জানুৱাৰী মাহত বৌতা সমবায় বেচা-কিনা সমিতিৰ কিছু পৰিমাণৰ চাউল বাজেয়াপ্ত কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল কি কাৰণে আৰু কিমান পৰিমাণৰ চাউল বাজেয়াপ্ত কৰা হৈছিল ?

(গ) এই চাউলখিনি মঙ্গলদৈ মহকুমাধিপতিয়ে ৰাজনৈতিক হেঁচাত পৰি খালাচ কৰি দিব লগীয়া হোৱাৰ কথা চৰকাৰে জানেনে ?

(ঘ) যদি জানে, এই ৰাজনৈতিক হেচঁা কি স্বাৰ্থত কোনে প্ৰয়োগ কৰিব লগীয়া হৈছিল জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

৫৪০। (ক) বাজেয়াপ্ত কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বি ঃ তেজপুৰ মহকুমা

শ্ৰীৰাম চন্দ্ৰ শৰ্মাই সুধিছে ঃ

* ৫৪১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাৰ পূব সীমাৰ পৰা পশ্চিম সীমাৰ দূৰত্ব কেই কিলোমিটাৰ ?

(খ) এই মহকুমাৰ মুঠ জনসংখ্যা কিমান ?

(গ) বাঢ়ি অহা জনসংখ্যা আৰু তেজপুৰৰ পৰা পূবে হাৱাজানৰ ( লক্ষীমপুৰ জিলাৰ সীমা ) দূৰত্বলৈ লক্ষ্য ৰাখি তেজপুৰ আৰু হাৱাজানৰ মধ্য স্থান বিশ্বনাথ চাৰিআলিত নতুন মহকুমা কাৰ্য্যালয় প্ৰতিষ্ঠা কৰাৰ কথা চৰকাৰে বিবেচনা নকৰেনে ?

(ঘ) যদি কৰে, তেন্তে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

৫৪১। (ক) তেজপুৰ মহকুমাৰ পূৰ সীমাৰ পৰা পশ্চিম সীমালৈ দূৰত্ব প্ৰায় ২০৩ কিলোমিটাৰ।

(খ) ৯০১৬১৪ ( ১৯৭১ চনৰ লোকপিয়ল মতে )।

(গ) আৰু (ঘ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিঃ পশ্চিম বৰক্ষেত্ৰী মৌজাত বাস কৰা লোকসকল

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

* ৫৪২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পশ্চিম ববক্ষেত্ৰী মৌজাৰ কালৰচৰ, ভাঙনমাৰী এই বিৰাট অঞ্চলত বাস কৰা লোকসকল কোন পঞ্চায়তত পৰে ?

(খ) যদি কোনো পঞ্চায়তত নপৰে তেনেহলে চৰকাৰে কি ব্যৱস্থা কৰিছে ?

(গ) এই কথা সঁচানে যে কোনো পঞ্চায়তৰ অধীনত নথকা কাৰণে চৰকাৰৰ পৰা পাব লগা বহু সুবিধাৰ পৰা বঞ্চিত হব লগা হৈছে ?

শ্ৰীচৈয়দ আহমদ আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

৫৪২ । (ক) পশ্চিম ববক্ষেত্ৰী মৌজাৰ কালৰচৰ আৰু ভাঙনমাৰী গাওঁ কিখন কোনো পঞ্চায়তৰ অন্তৰ্ভুক্ত নাছিল ।

(খ) এই গাওঁসমূহক বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ পৰা পোনপটিয়া সাহায্য দিয়া হৈছিল ।

(গ) সঁচা নহয় । এই গাওঁ সমূহে বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ পৰা পাব লগা সকলো সুবিধা পাই আছিল ।

Re : Divisional Officer of P. W. D. (R. and B.)

Shri Pitsing Konwar asked :

* 543. Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) Whether Government is aware of the fact that the Divisional Office of P. W. D. (R. & B.), Nowgong can not pay attention to the undeveloped roads constructed within Marigaon Civil Subdivision due to large coverage of Roads and also due to long distance from Nowgong to Marigaon ?

(b) Whether it is a fact that the Subdivisional Office P. W. D. (R. & B.), Marigaon is not enough to assist the Divisional Office of Nowgong West Division for completion of Roads and Bridges in Marigaon Civil Subdivision ?

(c) If so, whether Government propose to open a Divisional Office at Marigaon for better functioning of the Department and to look after the development of the Roads ?

Dr. Lutfur Rahman [Minister, P. W. D. (R. and B.)] replied :

543. (a) No.

(b) No.

(c) Does not arise.

Re : Cattle Loan

Shrimati Pranita Talukdar asked :

* 544. Will the Minister, Revenue be pleased to state—

How much amount has been sanctioned to Barpeta Subdivision as Cattle loan to be given to flood affected people ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

544. Rs. 86,100 was sanctioned as Cattle loan to the flood affected people of Barpeta Subdivision during the year 1972-73.

Re : Payment of Amount by a Lady Employee

Shri Dulal Chandra Barua asked :

* 545. Will the Chief Minister be pleased to state—

Whether there is any amount payable to the Government by Shrimati Indu Borah, a Lady employee of the Directorate of Supply in connection with advance drawal and if so, whether the same has been recovered in full from her ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

545. A sum of Rs. 279.00 is yet to be recovered from Shrimati Indu Borah.

বিঃ মঙ্গলদৈ সমষ্টিত জলসিঞ্চন ব্যৱস্থা

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰে সুধিছে :

* ৫৪৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা চৰকাৰে জানেনে যে মঙ্গলদৈ সমষ্টিৰ গাওঁ অঞ্চলত কোনো শিল্প উদ্যোগ নাই আৰু ৰাইজৰ জীৱিকা নিৰ্বাহৰ একমাত্ৰ পথ কৃষিয়েই ?

(খ) কৃষি কাৰ্য্যত সফলতা তথা কৃষিৰ উৎপাদন বৃদ্ধিৰ হকে মঙ্গলদৈ সমষ্টিত এতিয়া কিবা কৰবাত চৰকাৰে কৰি দিয়া দোং বা আন কিবা জলসিঞ্চনৰ ব্যৱস্থা আছেনে ?

(গ) যদি নাই এইবোৰ নলা নদীৰ পৰা সময়মতে খেতিৰ কাৰণে পানী নোপোৱা কিয় ইমান দিনে এনে সুবিধা কৰি দিয়া হোৱা নাই ?

(ঘ) এই সমষ্টিৰ শ্যামাবাৰী মৌজাৰ হীৰাপতা, কলাবাৰী, গোসাঁইপৰা আদি গাওঁ সমূহৰ ৰাইজে যোৱা বছৰ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াক টাঙনী নদীত চেক বান্ধ নামে জনাজাত বান্ধটো ঠাইডোখৰ দেখুৱাই এই চেক বান্ধটো পুনৰ বান্ধি মেৰামতি কৰি ৰাইজক খেতিৰ কাৰণে পানী যোগানৰ সুবিধা কৰি দিবলৈ আবেদন কৰা হয়নে ?

(ঙ) এই বান্ধটো বন্ধা আৰু তাৰ পৰা দিবলগীয়া আৱশ্যকীয় খাল দোং আদিৰ কাম চৰকাৰে সোনকালে আৰম্ভ কৰিবনে ?

(চ) যদি ভাবিছে কেতিয়া মানে এই কাম সম্পূৰ্ণ কৰা হব ?

(ছ) এই সমষ্টিৰ আন কোনো ঠাইত জলসিঞ্চনৰ কিবা আঁচনি চৰকাৰে লৈছে নেকি আৰু যদি লৈছে কত ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে :

৫৪৬। (ক) হয়।

(খ) কিছুমান সৰু সৰু বান্ধ, দোং আঞ্চলিক পঞ্চায়তৰ জৰীয়তে আগতে কৰি দিয়া হয়, যদিও এইবোৰ এতিয়াও আছে নে নাই কোৱা টান। ইয়াৰ বাহিৰেও ‘বেগা’ আৰু ‘সুধাজানী’ নদীৰ ওপৰত দিয়া পকা বান্ধৰ ফলত মঙ্গলদৈ সমষ্টিৰ কিছু মাটি উপকৃত হৈছে। ইয়াৰ বাহিৰেও

কপাতি অঞ্চলত বৈদ্যুতিক উত্তোলন জলসিঞ্চন আঁচনিও চৰকাৰে যোৱা বছৰ লৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) হয়।

(ঙ) আৰু (চ) এইটো বিবেচনাধীন হৈ আছে।

(ছ) ওপৰৰ (খ) ত কোৱা হৈছে।

বিঃ পানী যোগানৰ ব্যৱস্থা

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে ঃ

* ৫৪৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰবিশস্যৰ কাৰণে গোলাঘাটৰ চাৰিটা সমষ্টিত পানী যোগানৰ ব্যৱস্থা কৰা হৈছিলনে?

(খ) এই চাৰিটা সমষ্টিত প্ৰত্যেকতে কেইখনকৈ ট্ৰেক্টৰ হাল বোৱাত লগোৱা হৈছিল?

(গ) ডেৰগাওঁ অঞ্চলত কৃষি জলসিঞ্চনত এই বিভাগে যোৱা ২ বছৰত কিমান ধন খৰছ কৰিছে?

(ঘ) গেলাবিল অঞ্চলৰ বাবে এই বিভাগৰ জলসিঞ্চন আঁচনিৰ প্ৰস্তাৱ আছেনে?

(ঙ) যদি আছে তেন্তে ইয়াক কেতিয়াকৈ কাৰ্য্যকৰী কৰা হব?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

৫৪৭। (ক) হয়।

| | | |
|---|---|---|
| (খ) গোলাঘাট সমষ্টিত | ... | ৬ খন |
| সৰু পথাৰ | .... | ৩ খন |
| বোকাখাট | ... | ২ খন |
| দেৰগাওঁ | ... | ৬ খন |

(গ) কোনো খৰছ কৰা নাই।

(ঘ) আৰু (ঙ) হয় প্ৰস্তাৱ আছে, কিন্তু অনুসন্ধান আৰু জৰীপ কাৰ্য্য সমাপ্ত হোৱা নাই। এনে প্ৰস্তাৱ কাৰ্য্যকৰী কৰিব পৰা যাবনে নেযায় বা পাৰিলেও কেতিয়া কৰা হব কব পৰা যাব।

Re : Salary of Principal, Regional Engineering College, Silchar

Shri Abdul Muqtadir Choudhury asked :

* 548. Will the Minister, Education be pleased to state—

(a) What is the monthly salary drawn by the Principal, Regional Engineering College, Silchar ?

(b) Where the headquarters of the Principal is located at Silchar, Gauhati or Shillong ?

(c) Whether it is a fact that the term of the Principal, Regional Engineering College, Silchar expired on 19th October, 1972 ?

(d) If so, who is the new Principal ?

(e) Whether classes have started in the Regional Engineering College, Silchar ?

Shri Harendra Nath Talukdar, (Minister, Education) replied :

548. (a) The monthly salary drawn by the Principal, Regional Engineering College, Silchar is as follows:—

| | | Rs. P. |
|---|---|---|
| Pay .... | ... | 2,250·00 |
| D. A.... | ... | 100·00 |
| H. R .... | .... | 337·57 |
| Total | ... | 2,687.50 |

(b) The Head Quarters of the Principal as per memorandum of the Regional Engineering College should be at Silchar but the Principal has been functioning by maintaining a Camp Office at Shillong. The camp office at Shillong is also now on the way of shifting to Silchar.

(c) Yes, the present term of 5 years of the Principal has expired on 18th October, 1972, but he has not yet been released by the Government of India. A proposal to release the present Principal has already been submitted to Government of India.

(d) Does not arise in view of reply given at (c) above.

(e) No.

Re : Filling up the Post of Sub-Inspector and Inspector of Supply

Shri Dulal Chandra Barua asked :

*549. Will the Chief Minister be pleased to state—

Whether it is a fact that the meeting of an Assam Supply employees' Association at Jorhat moved the Government for filling up the vacant posts of the Sub-Inspectors and the Inspector of Supply from the existing ministerial staff so as to give them better scope for utilisation of their services in the Department irrespective of the educational qualification as in the case of similar posts in the sales tax Department ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

549. The All Assam Supply Employees' Association in their meeting held at Jorhat on 20th October, 1970 demanded that 10 % of the posts of Inspectors of Supply and 25 % of the posts of Sub-Inspectors of Supply be kept reserved to be filled up from the existing ministerial staff of the Supply Department to give them better scope for utilisation of their services to the department irrespective of their educational qualifications, as allowed in the case of other departments like sales Tax, Excise etc.

বিঃ আদালতীয় তদন্তৰ ৰায়

শ্ৰীঅতুল চন্দ্ৰ শইকীয়াই সুধিছে :

* ৫৫০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উদ্যোগীক বিবাদ আইনৰ ১০ (খ) আৰু ৬ ধাৰা মতে গঠিত আদালতীয় তদন্তই (Court of enquiry) জানো, তদন্ত কৰি পোৱা তথ্যৰ ভেটিত কিবা ৰায় দিব পাৰেনে ?

(খ) যদি নোৱাৰে তেন্তে যোৰহাট টি কোম্পানীৰ সদৰ কাৰ্য্যালয় বিবাদ সম্পৰ্কীয় আদালতীয় তদন্তই সংশ্লিষ্ট কৰ্ম্মচাৰী আৰু শ্ৰমিকক কিবা সকাহ দিব পাৰিবনে ?

(গ) যদি আদালতীয় তদন্তই ( Court of enquiry ) মাথো চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰাৰ বাহিৰে একো কৰিব নোৱাৰে তেন্তে বিবাদটো কিয় আদালতীয় তদন্তৰ বাবে পঠোৱা হ'ল ?

(ঘ) যদি আদালতীয় তদন্তৰ প্ৰতিবেদন কৰ্ম্মচাৰী আৰু শ্ৰমিকৰ সপক্ষেই হয় তত্ৰাচ জানো বিষয়টো আকৌ উদ্যোগীক ন্যায়াধীকৰণৰ আগত উত্থাপন কৰিব নালাগিব ?

শ্ৰীগজেন তাঁতী ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৫৫০। (ক) নোৱাৰি।

(খ) যদিও প্ৰত্যক্ষ ভাবে সংশ্লিষ্ট কৰ্ম্মচাৰী আৰু শ্ৰমিকক লগে লগে সকাহ দিব নোৱাৰে তথাপিও আশঙ্কিত বিবাদটোৰ মূলত কি ঘটিছে সেই সম্পৰ্কে আদালতীয় তদন্তৰ প্ৰতিবেদনে চৰকাৰক পূৰ্ণ আভাস নিশ্চয়কৈ দিব।

(গ) উল্লেখিত (খ) প্ৰশ্নৰ ওপৰত এই প্ৰশ্নৰ উত্থাপনৰ কোনো কাৰণ হব নোৱাৰে।

(ঘ) আদালতীয় তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ পিচতো যদি আশঙ্কিত বিবাদটো চলি থকা দেখা যায় তেতিয়াহলে চৰকাৰে বিবাদ আইন অনুযায়ী সময় মতে সমুচিত ব্যৱস্থা নোলোৱাকৈ নাথাকে।

Re : Realisation of outstanding dues.

Shri Dulal Chandra Barua asked :

* 551. Will the Chief Minister be pleased to state—

(a) What is the present position of debt against Shillong Food Grains Merchants Association ?

(b) Whether there are possibilitics of realisation of the said outstanding dues ?

(c) If not, who are responsible ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

551. (a) A money Execution case No. 1 (H) dated 23rd December, 1969 was instituted in the Court of the Sub-Judge, Shillong for recovery of the amount.

(b) As the case is still subjudice no assessment can be made at this state about the possibility of realisation of the said outstanding dues.

(c) Does not arise.

বিঃ খাদ্য সামগ্ৰীৰ বৰ্দ্ধিত দাম

ডাঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে :

* ৫৫২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত খাদ্য সামগ্ৰীৰ বৰ্দ্ধিত দামৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষ সজাগ আছেনে ?

(খ) যদি আছে, তেন্তে খাদ্য সামগ্ৰীৰ বৰ্দ্ধিত দাম নিয়ন্ত্ৰণ কৰিবৰ কাৰণে কি কি ব্যৱস্থা হাতত লোৱা হৈছে ?

(গ) দৈনিক ব্যৱহাৰ্য্য সামগ্ৰী যেনে—ধান, চাউল, সৰিয়হৰ তেল, দালি আদি কিমান পৰিমাণৰ মজুত আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰীয়ে ) উত্তৰ দিছে :

৫৫২। (ক) হয়, সজাগ আছে।

(খ) খাদ্য সামগ্ৰীৰ বৰ্দ্ধিত দাম নিয়ন্ত্ৰণ কৰিবৰ বাবে নিম্ন লিখিত ব্যৱস্থাবোৰ চৰকাৰে হাতত লৈছে।

(১) চৰকাৰে স্থানীয় বিষয়াসকলক মজুতকাৰী, লাভখোৰ আৰু সমাজ বিৰোধী লোকসকলৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দ্দেশ দিছে। যাতে কৃত্ৰিম অনাতন সৃষ্টি কৰি বস্তুৰ দাম বঢ়াব নোৱাৰে।

(২) যোগান সচিব, উচ্চ পদস্থ ৰেলৱে বিষয়া আৰু অন্য সকলক লৈ এখন সম্বনয়ী কমিটি গঠন কৰি দিয়া হৈছে, যাতে বাহিৰৰ পৰা ৰেল যোগে অন্য প্ৰয়োজনীয় সামগ্ৰী পৰিবহনৰ নাটনি দেখুৱাই বস্তুৰ মূল্য বৃদ্ধি কৰিব নোৱাৰে।

(৩) যেতিয়া আৱশ্যক অনুযায়ী খাদ্য সামগ্ৰী যোগান ধৰাত ব্যতিক্ৰম হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগত উক্ত বিষয়ে যোগাযোগ কৰা হয়, যাতে খাদ্যৰ যোগান নিয়মিত ভাৱে অসমলৈ আহে আৰু বস্তুৰ মূল্য বৃদ্ধি হব নোৱাৰে।

(গ) ১৯৭৩ চনৰ প্ৰথম জুনত (১ম) মজুত থকা সামগ্ৰী হল ধান প্ৰায় ৮০৬৩৭৮.১৭ কুইণ্টল, চাউল প্ৰায় ৮৪১০০.৬৯ কুইণ্টল, দালি প্ৰায় ৫২,৩৭৫ কুইণ্টল আৰু সৰিয়হৰ তেল প্ৰায় ১৫৭০২ কুইণ্টল।

## Re : Engine Marboat

Shrimati Pranita Talukdar asked :

*553. Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) How many days the Burikhamar P. W. D. ghat did not function due to the failure due to the failure of engine marboat ?

(b) Whether the Engine Marboat will be maintained properly this year ?

Dr. Lutfur Rahman (Minister, P. W. D. (R. & B.) replied :

553. (a) 4 (four) days only during the month of November, 1970 when the bearing of the Engine was damaged.

(b) Yes, as far practicable.

Re : Construction of a Bridge

Shri Abdul Muqtadir Choudhury asked :

* 554. Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) Whether the construction of a bridge over the river Langai on the Parnagha-Supnargoot. P. W. D. road in Karimganj P. W. D. Division is proposed to be taken up ?

(b) If so, when the work will be started ?

Dr. Lutfur Rahman [Minister, P. W. D. (R. & B.) replied :

554. (a) There is no such proposal under the 4th 5 year plan period.

(b) In view of (a) above does not arise.

Re : Loan under Cash Credit Tea Hypothecation

Shri Atul Chandra Saikia asked :

* 555. Will the Minister, Co-operation be pleased to state—

(a) Whether it is a fact that the Latekoojan Group of Tea Estates had obtained any loan under cash credit Tea Hypothecation from the Assam Co-operative Apex Bank. through its planters Co-operative Society ?

(b) If so, the amount of loan obtained ?

(c) Whether the said group of Tea Estate have repaid the loan ?

(d) If not, what is the total accumulated arrear of loan which is to be paid at the end of the Tea season of 1971-72?

(e) Whether it is a fact that the current market value of Latekoojan and Singorijan Tea Estate is far less than the amount of loan advanced to these Tea Estates?

(f) How the bank will collect the amount of loan granted to these Estates?

Shri Gajen Tanti (Minister, Co-operation) replied :

555. (a) Yes.

(b) Rs. 92,83,000·00

(c) Repaid partly.

(d) The total accumulated arrear to be paid at the end of Tea season of 1971-72 was principal and interest total Rs. 24,68,667·49 Rs. 16,17,239·35 Rs. 40,85.906·84.

(e) Yes.

(f) The Bank proposes to realise its dues from the following securities :

(i) Land, Buildings and machineries of Latekoojan and Singorijan Tea Estate mortgaged to the Bank.

(ii) Additional security of landed property at Jorhat belonging to the proprietor of the Garden mortgaged to the Bank.

(iii) Compensation money for acquisition of Rowriah Tea Estate belonging to the proprietor of Latekoojan group of Tea Estates.

Re : Regional Engineering College, Silchar

Shri Abdul Muqtadir Choudhury asked :

* 556. Will the Minister, Education be pleased to state—

(a) What is the progress of Regional Engineering College, Silchar ?

(b) When the admission of students into the College will be started ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

556. (a) Originally the work of construction of the necessary buildings of the Regional Engineering College, Silchar was entrusted to the Board of Governors. During the last few years, the progress of construction was found unsatisfactory. Ultimately the construction of buildings of the College has been entrusted to the P. W. D. on 19th February 1973 consequent on the decision of the Board of Governors of the College taken in their meeting held on 5th May 1972. The P. W. D. has agreed to undertake the works at a concessional rate of 7½%. Agency charge as was done in respect of the other State Plan Schemes. A considerable progress has also been achieved in installation of the Water Supply Project to the College. The Plan and Estimates of the buildings are now with the P. W. D. for scrutiny and approval. The minimum length of the Approach Road has also been completed together with drawing up of the High tension lines at the site.

(b) The admission of students into the College depends on completion of buildings and providing of Instructional facilities.

## Re : Loss of Mandays

Shri Atul Chandra Saikia asked :

* 557. Will the Minister, Labour be pleased to state —

(a) What is the total number of Mandays lost in

1972-73 due to strike in Assam ?

(b) What is the total number of Mandays lost in 1972-73 due to lock-out in Assam ?

Shri Gajen Tanti (Minister, Labour) replied :

557. (a) 24732.

(b) 10669.

## UNSTARRED

## QUESTIONS AND ANSWERS

( To which replies laid on each Members table )

---

Date : 13th July, 1973

Re : Amount invested for Irrigation

Shri Nurul Islam asked :

46. Will the Minister, F. C. and I. be pleased to state—

(a) What is the total amount invested during 1972-73 and 1973-74 for Irrigation in the State ?

(b) What is the total number of projects (Irrigation) under taken during the year 1972-73 and 1973-74 and what are their names and locations subdivision wise ?

(c) Whether any Irrigation project for Mankachar area will be taken up in near future ?

(d) If so, what are the preliminary steps taken to that effect ?

Shri Bishnu Prasad (Minister of State, F. C. and I.) replied :

46. (a) During the year 1972-73 Rs. 1,89,14,278.00 and proposed during 1973-74 Rs. 3,90,84,000.00.

(b) A list is placed on the Table of the House.

(c) Under consideration.

(d) Investigation taken up.

## Re : State Dispensaries

Shri Jalaluddin Ahmed asked :

47. Will the Minister, Health be pleased to state—

(a) The total number of State Dispensaries established by the Government in the Baghbar Constituency ?

(b) Whether the Government is considering to sanction more State Dispensaries in the above Constituency ?

Shri Chatrasing Teron (Minister, Health and Family Planning) replied :

47. (a) Nil.

(b) The Government have no proposal at present to establish any State Dispensary in this Assembly Constituency area. However, there is a proposal to establish a Primary Health Centre at Mandia which is in this Assembly Constituency area. The Primary Health Centre buildings are under construction. The post for it will be sanctioned after the buildings are handed over to this Department by P. W. D.

There are sub-centres at Baghmarachar, Balijuri, Chatla, Moinabari and Bamunbongra in that area.

## বিঃ ৰাজ্যিক পৰিবহন নিগমৰ বাছ

শ্ৰীঘন কান্ত বড়োই সুধিছে ঃ

৪৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটীৰ পৰা পাট্টাচাৰকুচিহৈ শিমলালৈ চলা ৰাজ্যিক পৰিবহণ নিগমৰ বাছখন বন্ধ হোৱা কিমান দিন হ'ল ?

(খ) এইখন বাছ বন্ধ হোৱাৰ কাৰণ কি ?

(গ) জন সাধাৰণৰ যাতায়াতৰ অতি প্ৰয়োজনীয় এই বাছখন চৰকাৰে আকৌ কেতিয়াৰ পৰা চলাব ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪৮ (ক) ২৪ মাৰ্চ্চ, ১৯৭২ তাৰিখৰ পৰা বাছখন বন্ধ আছে।

(খ) এই পথ ৰাষ্ট্ৰীয়কৰণ কৰা হোৱা নাই। ব্যক্তিগত মালিকৰ গাড়ী পাট্টাচাৰকুচি, শিমলা আৰু শিমলা-বৰপেটাৰ মাজত এতিয়াও চলি আছে। নিগমৰ বাছ অস্থায়ী অনুমতি পত্ৰত (Temporary permit) চলোৱা হৈছিল। পাট্টাচাৰকুচিৰ পৰা শিমলালৈ ২৫ কিলোমিটাৰ পথ গড়-কাপ্তানী বিভাগৰ কেছা শিলৰ আলি, সেয়েহে বাৰিষাকালি নিগমৰ ডাঙৰ বাছ চলাচল কৰাৰ বাবে সম্পূৰ্ণ উপযুক্ত নহয়।

(গ) পথৰ অৱস্থা উন্নত হলে অহা অক্টোবৰ-নভেম্বৰৰ পৰা নিগমৰ বাছ চলাচল কৰিব পাৰি বুলি আশা কৰা হৈছে। যাত্ৰীৰ অহা যোৱাৰ বাবে (খ) উল্লেখ কৰাৰ দৰে ব্যক্তিগত মালিকৰ বাছৰ সুবিধা আছে।

Re : Badarpur-Gharmura Road

Shri Abdur Rahman Choudhury asked :

49. Will the Minister, Transport be pleased to state—

(a) What is the distance from Badarpur to Gharmura through the existing P. W. D. Road in the District of Cachar ?

(b) Whether the Assam and Meghalaya Road Transport Corporation proposes to take up this route ?

(c) If so, from what date ?

(d) Whether the Government is aware of the fact that this road is running lengthwise on the Hailakandi Subdivision touching all the important places of the Subdivision ?

Shri Harendra Nath Talukdar (Minister, Transport) replied :

49. (a) 80 Kilometres.

(b) The Assam and Meghalaya State Road Transport Corporation have no proposal at present to take over this route.

(c) Does not arise.

(d) Yes.

## SHORT NOTICE QUESTIONS AND ANSWERS

### বিঃ বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন আঁচনিৰ বাবে ইঞ্জিনিয়াৰ আমদানি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰ আৰু প্লেনিং বৰ্ডৰ ভাইচ চেয়াৰমেন শ্ৰীকোছলীয়ে কেন্দ্ৰীয় মন্ত্ৰী ডাঃ কে, এল ৰাওলৈ আজি কিছুদিনৰ আগতে অসমত বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন আঁচনিৰ বাবে অভিজ্ঞ ইঞ্জিনিয়াৰ নাই আৰু সেই বাবে বাহিৰৰ পৰা ইঞ্জিনিয়াৰ আমদানি কৰিব লাগে বুলি এখন চিঠি লিখা সঁচানে ?

(খ) অসমত বহুত ইঞ্জিনীয়াৰ থকা সত্বেও জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ আঁচনিৰ বাবে পঞ্জাবৰ অৱসৰ প্ৰাপ্ত চীফ ইঞ্জিনীয়াৰ শ্ৰীযতীন দাস সিঙক নিয়োগ কৰা সচানে ?

(গ) এইজন অৱসৰ প্ৰাপ্ত ইঞ্জিনীয়াৰক কিমান হাৰত দৰ্মহা দিয়া হৈছে ?

(ঘ) অসমৰ ইঞ্জিনীয়াৰ সকলক বঞ্চিত কৰি এওঁক কিয় অনা হ'ল জনাবনে ?

(ঙ) যদি অসমলৈ অন্য ৰাজ্যৰ পৰা ইঞ্জিনীয়াৰ আনিবই লাগে আৰু ভাৰতৰ অন্য ৰাজ্যৰ ইঞ্জিনীয়াৰ সকলেহে প্ৰকৃত অভিজ্ঞ তেনেহলে অসমৰ

এইজাত ইঞ্জিনীয়াৰক অন্য ৰাজ্যৰ ইঞ্জিনীয়াৰক বিনিময় ভিত্তিত নিয়োগৰ ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। (ক), (খ), (গ), (ঘ) আৰু (ঙ)

ৰাজ্যিক পৰিকল্পনা বৰ্ড গঠিত হোৱাৰ লগে লগেই জলসিঞ্চন উপদেষ্টাৰ এটা পদৰ সৃষ্টি কৰা হয়। অসমৰ পঞ্চম-পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ জলসিঞ্চনত বিশেষ গুৰুত্ব থকাৰ বাবে আৰু কৃষিৰ স্থিতিকৰণৰ অভিপ্ৰায়ে অসমৰ স্থানীয় লোকতকৈ অধিক অভিজ্ঞতা সম্পন্ন এজন লোকৰ নাম মনোনয়নাৰ্থে কেন্দ্ৰীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰা হৈছিল। উপৰোক্ত সন্দৰ্ভতে শ্ৰীযতীন্দ্ৰ সিঙক উপদেষ্টা হিচাবে নিযুক্তি দিয়া হয়।

আশাকৰা হৈছে যে জলসিঞ্চনত অধিক গুৰুত্ব দিয়াৰ লগে লগে আমাৰ নিজা ইঞ্জিনীয়াৰ সকলে আৱশ্যকীয় অভিজ্ঞতা আৰু দক্ষতা আহৰণ কৰিব পাৰিব। আমাৰ নিজা ইঞ্জিনীয়াৰ সকলক অভিজ্ঞতা সঞ্চয়ৰ কাৰণে অসমৰ বাহিৰলৈ পঠোৱাৰ প্ৰশ্নটো যথোপযুক্ত ভাবে বিবেচনা কৰা হব।

শ্ৰীযতীন্দ্ৰ সিঙক তেওঁৰ পাবলগীয়া পেঞ্চন আৰু পেঞ্চন অনুৰূপ পাৰিতোষিক বাদ দি মুঠ ১৩৮০.৬৪ টকা মাহিলী দৰমহা দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :—মুখ্যমন্ত্ৰীয়ে কৈছে যে অসমৰ ইঞ্জিনীয়াৰ বাহিৰলৈ পঠাবলৈ তেখেতে বিবেচনা কৰিছে। কিন্তু মই জানিব বিচাৰিছো যে অসমৰ বাহিৰৰ কোন ৰাজ্যই ইঞ্জিনীয়াৰ নিবলৈ কিবা আশা দিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—ভাৰত চৰকাৰৰ লগত বিনিময় ব্যৱস্থা সম্পাদন কৰিবলৈ লোৱা হৈছে। ইয়াৰ পৰা ৫ জন ইঞ্জিনীয়াৰ বাহিৰলৈ পঠাই বাহিৰৰ পৰা ৫ জন ইঞ্জিনীয়াৰ অনা হব। আৰু এইদৰেই বিনিময় ব্যৱস্থাৰ কাম সম্পাদন কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—আমি এইটো কথা ধৰি লব পাৰো নেকি যে আজি ২৫ বছৰৰ ভিতৰতো জলসিঞ্চন সম্পৰ্কত অভিজ্ঞ ইঞ্জিনীয়াৰ এজনো নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) —এইটো অস্বীকাৰ কৰি লাভ নাই যে আমাৰ জলসিঞ্চন বিভাগটো শক্তিশালী হিচাবে গঢ়ি তুলিব পৰা নাই।

ইয়াত নানা কাৰণ থাকিব পাৰে। আমাৰ জলসিঞ্চন শক্তিশালী কৰিবৰ কাৰণে যি বিলাক ৰাজ্য জলসিঞ্চনত কৃতকাৰ্য্য হৈছে আৰু কৃতকাৰ্য্য হোৱাৰ অভিজ্ঞতা অৰ্জন কৰিছে তেনেকুৱা ৰাজ্যৰ পৰা মানুহ অনাৰ ব্যৱস্থা কৰিছো যাতে আমি এই কাম সম্পাদন কৰিব পাৰো। মই এই কথা স্পষ্ট ভাৱে কব খুজিছো যে আমাৰ যি সকল ইঞ্জিনীয়াৰ আছে সেই সকলক মই নিন্দা কৰিব খোজা নাই। আমাৰ ইয়াত অভিজ্ঞ ডাক্তৰ থকা স্বত্বেও জেনেভা, মাদ্ৰাজ, বোম্বেলৈ যায় তাৰ দ্বাৰা এইটোৱেই প্ৰমাণ নকৰে যে আমাৰ ডাক্তৰ সকলে একো নাজানে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: আজি ২৫ বছৰৰ পিছতো প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলগীয়া হৈছে। মই মুখ্য মন্ত্ৰীৰ পৰা এইটো কথা জানিব বিচাৰিছো যে বাহিৰৰ পৰা অভিজ্ঞতা থকা এজন লোক ইয়ালৈ অনা হৈছে। আমাৰ বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত খাপ খোৱাই কাম কৰিবলৈ আমাৰ ইয়াত অভিজ্ঞ ইঞ্জিনীয়াৰ নাই নেকি।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—মই নাই বুলি কব খোজা নাই। কিন্তু অন্য ৰাজ্যবিলাকত জলসিঞ্চন যি ধৰণৰ শক্তিশালী ৰাজ্য হিচাবে গঢ়ি উঠিছে তেনেকৈ আমাৰ ইয়াত গঢ়ি তুলিব পৰা নাই। এই অসুবিধা দূৰ কৰিবলৈ এই ব্যৱস্থা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা:-মই জানিব বিচাৰিছো যে যি কথা ২৫ বছৰেও নহল, বাহিৰৰ পৰা এজন অভিজ্ঞতা থকা ইঞ্জিনীয়াৰ আনিলেই আমাৰ জলসিঞ্চন সমস্যাটো সমাধান হব বুলি ভাবে নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): এইটো কাৰ্যকৰী ব্যৱস্থা হব বুলি ধৰা হৈছে।

শ্ৰীমতী ৰেৱতী দাস:— আজি ২৫ বছৰে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰি জলসিঞ্চন ব্যৱস্থা কৰিব পৰা নহল সেই কাৰণে বাহিৰৰ পৰা অভিজ্ঞতা থকা বুলি ইঞ্জিনীয়াৰ অনা হৈছে। ইয়াৰ পৰা এই ক্ষেত্ৰত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি বানপানী নিয়ন্ত্ৰণ কৰিব পৰা হৈছেনে? আৰু এই মৰ্ম্মে যি খন ড্ৰেজাৰ অনা হৈছে সেইখন চলাবৰ কাৰণে প্ৰশিক্ষণ প্ৰাপ্ত ইঞ্জিনীয়াৰ নাই বুলি কোৱা কথাটো সঁচানে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ—যিটো প্ৰশ্ন দিয়া হৈছে সেইটোৰ দিয়া প্ৰশ্নটোৰ লগত সম্বন্ধ নাই।

শ্ৰীপ্ৰেম বৰা :—যি জন ইঞ্জিনীয়াৰক অভিজ্ঞ বুলি নিযুক্তি দিয়া হৈছে তেওঁৰ কুৱালিফিকেচন আৰু এক্সপিৰিয়েন্স কি আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ আগৰ প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই। আকৌ কবলৈ হলে দ্বিৰুক্তি কৰা হব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে জলসিঞ্চন বা কৃষিৰ যিবিলাক অন্যান্য আচনি সেইবিলাক ফলৱৰ্ত্তী নহব যদি ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সেইকাৰণে এটা মালটি পাৰপাচ প্ৰজেক্ট লোৱাৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ—বানপানী নিয়ন্ত্ৰণ আৰু জলসিঞ্চন এই দুটা সম্পৰ্ক থকা বিভাগ। এই দুটাৰ সম্পৰ্ক ৰাখি কাম কৰিব নোৱাৰিলে আচনি কাৰ্য্যকৰী কৰা টান। এই দুটাৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক ৰাখি কেনেকৈ কাম কৰিব পাৰি তাৰ বুদ্ধি উলিয়াব পৰা নাই। গতিকে উপায় উদ্‌ভাৱনৰ কাৰণে ইঞ্জিনীয়াৰ সকলক পৰামৰ্শ দিবলৈ কোৱা হৈছে। আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত এই কথা উত্থাপন কৰা হৈছে যাৰ ফলত ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কেন্দ্ৰীয় চৰকাৰে কৰিব আৰু জলসিঞ্চন আমি কৰিম।

Shri Probin Kumar Choudhuri : Sir, may I know from the Chief Minister whether this gentleman. Shri Jatindra Singh has got any experience in flood control in any other State.

Shri Sarat Chandra Sinha (Chief Minister) : Yes, Sir. I cited a list ; if necessary I can again cite it, but that would be a repitition of things already on record.

Shri Dulal Ch. Barua : I think he has no qualification in flood control, but he has qualification and experience in irrigation.

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মূখ্যমন্ত্ৰী)ঃ বান নিয়ন্ত্ৰণৰ অভিজ্ঞতা আছে।

শ্ৰীহাচিমুদ্দিন আহমেদ :—আমাৰ জলসিঞ্চন বিভাগটো শক্তিশালী কৰিবলৈ অভিজ্ঞ ইঞ্জিনীয়াৰ অনা হৈছে। ইয়াৰ আগতেই মঠাউৰী নিৰ্মাণৰ কাৰণে কুমৰা নামৰ এজনক অনা হৈছিল তেওঁৰ দিনত হোৱা মঠাউৰী বিলাকেই আতাইতকৈ বেচি ভাগিল। এখেতৰ বেলিকা কি হব জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):—এইটো কথা ঠিক হোৱা নাই যেন লাগে।

ৰিঃ শিক্ষিত নিবনুৱা সমস্যা সমাধানৰ বাবে আঁচনি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষিত নিবনুৱা সমস্যা সমাধানৰ বাবে আঁচনি থকা কথাটো সঁচা নেকি?

(খ) যদি সঁচা হয়, তেনেহলে অসমত এনেকুৱা কিমান শিক্ষিত নিবনুৱাক এই আঁচনিত নিয়োগ কৰা হৈছে?

(গ) এনে আঁচনি কাৰ্য্যকৰী নকৰি ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগে যোৱা বছৰ ২ (দুই) কোটি টকা ওভতাই দিয়া কথাটো সঁচা নেকি?

(ঘ) যদি সঁচা এনেকৈ টকা ওভতাই দিব লগা হোৱাৰ কাৰণ কি?

(ঙ) যোৱা বছৰ, এনে বুজন পৰিমাণৰ টকা ওভতাই দিয়াৰ পৰিবৰ্ত্তে উক্ত আঁচনি মতে শিক্ষিত নিবনুৱাক নিয়োগ কৰাৰ ব্যৱস্থা নকৰাৰ বাবে দায়ী কোন?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰীয়ে) উত্তৰ দিছে:-

১। (ক) হয়।

(খ) ৩৪ জন।

(গ) সঁচা নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা ঃ—এই বিষয়ে এনেকুৱা টকা ঘুৰাই দিয়া বা ওভতাই দিয়া বুলি এটা জনৰব উঠিছিল আৰু খবৰ কাগজতো ওলাইছিল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা মতে ৩৪ জনক নিয়োগ কৰা হৈছিল। এই ৩৪ জন নিয়োগ পাৰ্থীৰ কাৰণে আচনিত অন্তভূৰ্ক্ত আছিলনেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—এই যে যাননিয়ন্ত্ৰণৰ আঁচনি আছিল তাত মুঠ ৬ লাখ ১৬ হাজাৰ টকা ধৰা হৈছিল আৰু সেই আঁচনিত নিযুক্তি দিয়া কথা আছিল ১৫১ জন পাৰ্থীক। এই ১৫১ জনৰ ভিতৰত যিবিলাক আঁচনি আছে সেই আঁচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে সকলো কথা ভাল দৰে পৰীক্ষা নিৰিক্ষা কৰি তেখেতে উল্লেখ কৰা সেই বছৰৰ ভিতৰতে মাত্ৰ ৩৪ জন হে দিব পৰা হৈছে, আঁচনিখন এতিয়াও সম্পূৰ্ণ হোৱা নাই গতিকে টকা ওভতাই দিয়াৰ প্ৰশ্ন নুঠে, আঁচনিখন চলি আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—কেন্দ্ৰীয় চৰকাৰৰ পৰা এই আঁচনি সম্পৰ্কত যি টকা দিয়া হৈছিল সেই টকা দিবৰ সময়ত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ লিখি দিয়া নাছিল নেকি যে যদি আঁচনিখন কাৰ্য্যকৰী কৰিব নোৱাৰে, তেতিয়া হলে টকাখিনি ঘুৰাই দিব লাগিব। কিমান টকা দিয়া হৈছিল আৰু কিমান টকা আমি আচনিত খৰছ কৰিছিলো?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—টকখিনি দিয়া হৈছে আঁচনিখনৰ ওপৰতহে সময়ৰ ওপৰত নহয় এই আঁচনি বিলাক কাৰ্যকৰী কৰিবলৈ যাওঁতে যিখিনি টকা লাগে সেইখিনি পোৱা যাব। সময়ৰ কাৰণে সেই টকাখিনি টকাৰৈ নাযায়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—যোৱা বছৰ আমাৰ যাননিয়ন্ত্ৰণ বিভাগৰ পৰাই প্ৰাই ৩½ কোটি টকা দিয়া হৈছিল?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—সেইটো প্ৰশ্ন ইয়াত নুঠে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ - চাৰে তিনি কোটি টকা সময় মতে খৰছ কৰিব নোৱাৰাৰ কাৰণে ঘুৰাই দিয়া হৈছিল এইটো সঁচানেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—এইটো বেলেগ কথা। এইটো হৈছে স্পিচিয়েল এমপ্লয়মেণ্ট প্ৰোগ্ৰেমৰ কথা।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :--ইয়াৰ ভিতৰত এটা অংশ ঘুৰাই দিয়া হৈছে, তাৰ এটা অংশ স্পিচিয়েল প্ৰোগ্ৰেমৰ ভিতৰত, যদি এইটো ঘুৰাই দিয়া হোৱা নাই চাৰে তিনি কোটি টকাৰ ইয়াৰ আধা বুলি মই ভাবো, চাৰে তিনি কোটি টকাৰ এই আচনিত ঘুৰাই দিয়া হোৱা নাইনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :--এই ঘুৰাই দিয়া কথাটো মিছলিডিং কৰা হব। মই কব পৰা মতে এই আঁচনিত যিটো টকা আৰু সেই মতে যিবিলাক আঁচনি গ্ৰহণ কৰা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰা হব। আৰু যিটো টকা ধৰা হৈছে সেই টকা আঁচনিখন কাৰ্যাকৰী কৰিবৰ উদ্দেশ্য খৰছ কৰা হব কিন্তু ঘুৰাই দিয়াৰ প্ৰশ্নটো নুঠে। সেই বছৰ খৰচ কৰিব পৰ নগলে যদি এই বছৰ খৰচ কৰিব লাগিব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— কেন্দ্ৰৰ পৰা ক্লিয়াৰেঞ্চ পোৱা হৈছেনে নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :--ক্লিয়াৰেঞ্চ আছে। মই স্পিচিয়েল এমপ্লয়মেণ্ট স্কীমৰ কথা কৈছিলো। এইটো আন এটা প্ৰশ্ন। সেই আচনিৰ টকা খৰছ কৰিবলৈ যাওঁতে কেন্দ্ৰীয় চৰকাৰৰ কিছুমান ব্যাখ্যা আছিল তেতিয়া মই স্পষ্ট ভাবে কৈছিলো যে ২ টা কথাৰ ওপৰত ভিত্তি কৰিহে এই আচনিৰ নীতি নিৰ্দ্ধাৰণ কৰা হৈছিল। এটা হৈছে দৰমহালৈ নিয়োগ ব্যৱস্থা আৰু আনটো হল স্কোপৰ্কিত আৰ্হিত নিয়োগ ব্যৱস্থা। যি বিলাক স্পিচীয়েল এমপ্লয়মেণ্ট স্কীম আছে সেই বিলাক আৰু নতুন আচনিবিলাক পৰীক্ষা কৰিহে কেন্দ্ৰীয় চৰকাৰে খৰচ কৰিবৰ কাৰণে টকা পঠাই দিব। দৰ্মহা দি নিয়োগ কৰাৰ ক্ষেত্ৰত যিবিলাক আঁচনি গ্ৰহণ কৰা হৈছে সেই মতে যি সকলক নিয়োগ কৰা হৈছে সেই সকলক পৰবৰ্ত্তি কাল চোৱাত ৰাখিব পৰা হবনে নহয় সেই বিষয়ে চিন্তা কৰা হৈছে। এই গোটেই বিলাক কথা ভালদৰে পৰীক্ষা নিৰিক্ষা কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। এইটো কথা উল্লেখ কৰা হৈছে সেই মাহতে যেতিয়া প্লেনিং মন্ত্ৰী মোহন কেৰীয়া আমাৰ ইয়ালৈ আহিছিল তেতিয়া এই বিষয়ে তেখেতৰ লগত ভালদৰে আলোচনা কৰা হৈছিল। তেখেতে যি ধৰণে গাইড লাইন দিছে সেই মতেই খৰচ কৰিবলৈ দিহা কৰা হৈছে আৰু সেই মতেই বিভিন্ন বিভাগলৈ পৰীক্ষা নিৰিক্ষা কৰি আঁচনি বিলাক ঠিক মতে দিবৰ কাৰণে এটা সময় বান্ধি দিয়া হৈছিল আৰু সেই মতেই নীতি

নিৰ্দ্ধাৰণ কৰা হৈছে। জুলাই মাহৰ জুলাই মাহৰ ৩১ তাৰিখৰ ভিতৰতে এইবিলাক আঁচনি পৰীক্ষা নিৰিক্ষা কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াই দিব লাগিব। আৰু ইতিমধ্যে গাইড লাইনৰ ভিতৰত হোৱা স্বোপাৰ্জ্জিত স্পিছিয়েল এমপ্লয়মেণ্ট আঁচনিত ভৰ্ত্তি কৰাৰ কাৰণে কোনো অসুবিধা নহব। এই কথাৰ বদলি হোৱাৰ কোনো প্ৰশ্ন নুঠে।

শ্ৰীসোণেশ্বৰ বৰা :--মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰ মতে এই আঁচনিখন কিমান দিনলৈকে ম্যাদ থাকিব? আৰু এই আঁচনিৰ ম্যাদন্তত কেন্দ্ৰীয় চৰকাৰে পুনৰ সাহাৰ্য্য আগবঢ়াবনেকি? যদি নবঢ়াই অসম চৰকাৰেই সেই খৰচ বহন কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—আঁচনিৰ ওপৰত দিয়া টকাৰ শেষ হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যও ওৰ পৰিব। এই আঁচনিবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে চিন্তা কৰি আছে। ১৯৭৩/৭৪ চনৰ নতুন আঁচনি প্ৰস্তুত কৰিবৰ কাৰণে আমি চেষ্টা কৰি আছো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :--মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে এই যে আঁচনি বিলাক উৎপাদন শীল আঁচনিনে 'নন প্ৰদাকতিভ'?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :--সেইদৰে বিভক্ত কৰা টান। ধৰক ইৰিগেচন ডিপাৰ্টমেণ্টৰ কাৰণে ইঞ্জিনীয়াৰ লোৱা হল কিন্তু তেওঁতো কোনো উৎপাদন নকৰে সেই হিচাবে এইটো 'ননপ্ৰদাকতিভ' হব। কিন্তু তেওঁ যি বোৰ কামত সহায় আৰু ইঞ্জিনীয়াৰিং পদ্ধতি আগবঢ়াব, ঘৰ পৰানেকি খেতিয়কে দাইৰেক্ট উৎপাদনশীল কামত ব্ৰতি হব পাৰে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :--যিবিলাক আঁচনি লোৱা হব সেইবিলাক উৎপাদনশীল হবনে নহয়?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :--সেইবিলাক ওৱেজ এমপ্লয়মেণ্ট।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :---অধ্যক্ষ মহোদয়, ৫৩৩ নং প্ৰশ্নৰ সম্পৰ্কত যি পৰিপুৰক প্ৰশ্ন আহিছিল সেই প্ৰশ্ন উত্তৰত কওঁ যে খাদ্য নিগমে ধানৰ দাম ৫৬ টকাৰ পৰা ৬৩ টকালৈ বঢ়াইছে আৰু এই দাম নিৰ্দ্ধাৰণ কৰে 'এগ্ৰিকালচাৰ প্ৰাইচ কমিছনাৰ' কিন্তু সেইটো এতিয়া পৰি-

বৰ্ত্তন কৰি খাদ্য মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী সন্মিলনৰ সীধান্ত অনুযায়ী ইয়াৰ দাম নিদ্ধাৰণ কৰা হৈছে।

Smti. Pranita Talukdar : Mr. Speaker Sir. Under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Minister, Health to the news item appearing in the Dainik Asom, dated 6th June, 1973 under the caption : "সোঁহাতৰ ঠাইত বাওঁহাত"

মাননীয় অধ্যক্ষ মহোদয়, এই কাট্ মোছনৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী-মহোদয়ে যিটো উত্তৰ দিব সেই পৰিপ্ৰেক্ষিতত মই কব খোজোঁ যে, এই দেৰ বছৰীয়া শিশুটিক সোঁহাতখন ভাঙোতে সোঁহাতখনৰ পৰিবৰ্ত্তে বাওঁহাতখনহে প্লাষ্টাৰ কৰি দিলে আৰু তেনেকৈ প্লাষ্টাৰ কৰি শিশুটিক ঘৰলৈ পঠিয়াই দিয়া হয়। ডাক্তৰৰ এই ব্যৱস্থাটোৰ দ্বাৰা এই দেৰ বছৰীয়া শিশু-টিৰ জীৱন বিপদাপন্ন হোৱাৰো সম্ভাৱনা আছিল। গতিকে এনে এটা অৱস্থাত এই চিকিৎসকজনৰ বিৰোদ্ধে চৰকাৰে কি ব্যৱস্থা লব সেইটো মই বিভাগীয় মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

Mr. Speaker, Sir,

Regarding the news item published in the Dainik Asom of the 6th June, 1973 under the caption, "সোঁহাতৰ ঠাইত বাওঁহাত" "I beg to inform that on 3.6.73, a child patient, Rinkoo aged about 1½ years, was brought to the Tezpur Civil Hospital by his mother Mrs. Mina Baruah. She was accompanied by her mother-in-law.

The child was first attended in the Out patient Department where X-Ray of the right elbow region was advised by the Doctor in the Out patient Department Dr. T. Bora. Accordingly, X-Ray of the right elbow joint of the child was taken after some time. Then he i. e. Rinkoo along with the X-Ray plate was taken to the District Surgeon by his mother.

The District Surgeon examined the injury of the child and the X-Ray plate the same day (i.e. 3.6.73). where upon he decided to immobilise the affected elbow region (i. e. joint) by applying only Back slab made of Plaster of Paris and bandage and not to apply Plaster of Paris as a whole. As advised by District Surgeon, the mother took the child to the Plaster Room attached to the Operation Theatre. The District Surgeon then took the measurement of the Back slab on the left hand to avoid causing pain to the affected hand. It is the usual practise to take measurement on the un-affected side when the case is not anaesthetised. In this case anaesthesia was not administered as it was not necessary. The mother might have thought that the Surgeon was going to apply bandage to the wrong hand when the latter (i.e. the Surgeon) was taking the measurement only.

It is not a fact that the case was treated with Plaster application as reported in the news item. It was a case of immobilisation by Back slab and bandage. It is also not a fact that treatment was rendered to the wrong hand of the child. There was also no occasion for the District Surgeon to apolozise to the mother of the child patient.

The child is still under the treatment of the same District Surgeon Dr. J. Gohain and has been receiving adequate treatment which amply proves that the party is not displeased and Dr. Gohain has also not neglected the case.

The latest diagnosis of the case is Osteomytitis for which adequate treatment has been given with necessary advice.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :--মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা 'জেনেৰেল প্ৰেক্টিচ'ৰ কথা। ডাক্তৰে এই কথাটো ভালদৰে নেচালে আৰু সোঁহাতখনৰ ঠাইত বাওঁ হাতখন প্লাষ্টাৰ কৰি ঘৰলৈ পথাই দিলে। এইটো

এটা সঁচা কথা। এই কথাটো মন্ত্ৰী মহোদয়ে কোনো উল্লেখ নকৰিলে।

Mr. Speaker, :— According to the practice the Minister has made a statement you are to accept it.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :-মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰীমহোদয়ে কি ভিতিৰ ওপৰত এই কথা কৈছে। কৰিব লাগিছিল এখন হাতত আৰু কৰিলে এখন হাতত আৰু সেইদৰেই প্লাষ্টাৰ কৰি ঘৰলৈ শিশুটিক পথিয়াই দিয়া হল। এই কথাটো কোনে অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ক এই ৰিপৰ্টটো দিছে?

শ্ৰীছত্ৰসিং টেৰণ : অধ্যক্ষ মহোদয়, চিভিল চাৰ্জনে অনুসন্ধান কৰি এই ৰিপৰ্টটো দিছিল। তাৰ পিছত আমাৰ ফালৰ পৰাও এই সম্পৰ্কে তদন্ত চলোৱা হৈছে। অভিভাৱক যোৱাৰ কাৰণে অভিভাৱকেই পাষ্টাৰ কৰাৰ পিছত শিশুটিক ঘৰলৈ লৈ আহে। আচলতে কথাটো হৈছে যে পাষ্টাৰ কৰাৰ সময়ত দুয়োটা হাতকেই মিজাৰমেণ্ট কৰি লোৱা হৈছিল। তাকে পাই কোনোৱা ৰিপৰ্টাৰে এই বাতৰিটো উলিয়াই দিলে।

## LEAVE OF MEMBERS

Mr. Speaker : I have an announcement to make.

I hereby inform the House that Shri Tarun Chandra Chutiya, an elected Member of the Assam Legislative Assembly representing Moran constituency has duly submitted an application for leave of absence from the Assam Legislative Assembly which reads as follows :

"I beg your honour for leave of absence from attending the current budget session of the Assembly from 4th June, 1973 to 18th July, 1973 (both days inclusive) due to the reason that I have been indisposed and medically advised for rest. My prayer may therefore kindly be granted.

Tarun Chandra Chutiya, M.L.A."

I think the House will grant leave of absence as prayed for in the application.

Is it the sence of the House that the leave of ab-sence be granted to the Hon. member?

...........( Leave is granted )..........

Smti. Renuka Devi Barkataki : We have not heard about Shri Dipak Mormoo.

Mr. Speaker : When I met him at Dibrugarh recen-tly he was doing well.

Smti. Renuka Devi Barkataki : What about Shri Malia Tanti ?

Mr. Speaker : He is alright, and he had been rele-ased.

Smti, Renuka Devi Barkataki : What about Shri Gunendra Nath Pandit?

Shri Sarat Chandra Sinha ( Chief Minister ) :—He is at Gauhati Medical College and he is alright.

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি অলপতে ঘটা হৃদয় বিদাৰক শোকাবহ ঘটনাটোৰ বিভাগীয় মন্ত্ৰীৰ পৰা অকপট উত্তৰ পাবৰ অৰ্থে সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো। বিষয়টো যোৱা ৩০/৬/৭৩ তাৰিখে প্ৰকাশিত দৈনিক অসম বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত বাতৰি-টোৰ লগতে এক ফটো গ্ৰাফৰ সৈতে প্ৰকাশ পাইছে।

প্ৰকাশিত বাতৰিটো এই —"শোকাবহ মৃত্যু"

উক্ত শিৰোনামাৰে প্ৰকাশিত বাতৰিটো আৰু ঘটনাটোৰ সন্দৰ্ভত প্ৰকাশ পোৱা কথা খিনিয়ে বিভাগটোৰ উদাসীনতা খিনি উদঙাই দিয়াত ৰাই-জৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই শোকাবহ ঘটনাটো যেতিয়া ঘটে সেই সময়ত বচাওঁ বুলি ইচ্ছা কৰা হলে এই মানুহজনক বচাব পৰা গলহেঁতেন আৰু তাৰ সুবিধাও আছিল। যেতিয়া লাইটৰ খুটাত এই মানুহজনক টানি ধৰে সেই ঘটা ঘটমাটোৰ সময়ত প্ৰায় ১৫ মিনিটমান সময় এই লোকজনে নানান চিঞঁৰ-বাখৰ আদি কৰি নিজৰ প্ৰাণ বচাবৰ কাৰণে চেষ্টা কৰিলে। ওচৰৰ আসাম ট্ৰিবিউন প্ৰেছৰ কৰ্ম্মচাৰীসকলে বিদ্যুতবিভাগৰ কাৰ্য্যালয়লৈ টেলিফোনেৰে ততা তৈয়াকৈ জনালে। তথাপিও কোনো ব্যৱস্থা বিভাগে নললে। মানুহজনক বচাওঁবুলি ফবাহলে বছাব পৰা গলহেঁতেন। মানুহ জন ৫০ মিনিতৰো বেচি কাল লাইতৰ খুটাৰ ওপৰতে লাগি থাকিল। এনেদৰে হোৱা অমানুষিক ঘটনাৰ অৱসান ঘটাবলৈ চৰকাৰৰ ওচৰত দাবী জনাওঁ। আৰু লোকজনৰ পৰিয়াললৈ ক্ষতি পুৰণ দিয়াৰ দাবী জনাওঁ।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী :—মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত 'হাজাৰডাচ লাইফ' সম্পৰ্কীয় যিটো প্ৰস্তাৱ আমাৰ মাননীয় সদস্য জনে উত্থাপন কৰিছে সেই সম্পৰ্কে মইও কেইটামান কথা কওঁ। সিদিনা বিধান সভালৈ অহাৰ পিছত মইও 'অসম-ট্ৰিবিউন' প্ৰেছৰ সন্মুখ পাওঁতে তাত প্ৰায় এহেজাৰ-দুহেজাৰমান লোকক গোট খাই থকা দেখিছিলো আৰু সেই তাঁৰত ওলমি থকা মৃতদেহটো নমাবৰ কাৰণে চেষ্টা কৰিছিলো। তাত যথেষ্ঠ মানুহ থকা স্বত্তেও সেই মৃতদেহটো নমাবলৈ কোনেও সাহস কৰিব পৰা নাছিল কিয়নো কোন দাল তাৰ কৰ পৰা আহিছে সেইটো ঠাৱৰ কৰিব নোৱাৰি নমাবলৈ গলে কিজানি তেওঁলোকো মৃত্যু মুখত পতিত হব লাগে এইটো ভয়তে। অধ্যক্ষ মহোদয়, বৰ পৰিতাপৰ কথা যে, এই লোক জনক তাঁৰে ধৰিলে তেতিয়া এই মানুহ জনে প্ৰায় ১৫ মিনিট্‌ মান সময় জুৰি জীয়াই থাকিবৰ কাৰণে অশেষ চেষ্টা কৰিলে কিন্তু তেওঁক কোনো পথ্যেই বচাব পৰা নগল। টেলিফোন আদি কৰি লাইন কানেক-স্বন বন্ধ কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও সেইটো কৰিব নোৱাৰিলে। 'ফায়াৰ-ব্ৰিগেডলৈ' খবৰ দিয়া হল কিন্তু সিও কোনো সহাৰি দিব নোৱাৰিলে। অধ্যক্ষ মহোদয়, এনেকুৱা কিছুমান বিপদ সংকুল অৱস্থাত কোনো সহাৰি ফায়াৰ-ব্ৰিগেডে জনাব নোৱাৰা বথাটোৰ প্ৰতি মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এনেকুৱা ঘটনা সমনেই হৈ থাকে।

সিদিনা মই গুৱাহাটীৰ পৰা ৰঙিয়ালৈ যাওঁতে দুজন লৰাই চিলা উৰুৱাই আছিল। তাৰে এজনৰ চিলা ওচৰেদি যোৱা ইলেক্ট্ৰিকৰ তাঁৰত লাগি যোৱাত সেই চিলাখন এৰুৱাবলৈ যাওঁতে লৰাজনৰ মৃত্যু ঘটিল। এনেকুৱা বিলাক ঘটনা যাতে হব নোৱাৰে তাৰ কাৰণে টেলিফোন, টেলিপ্ৰিণ্টাৰ ইলেক্ট্ৰিচিটি আদি সংশ্লিষ্ট সকলো বিলাক বিভাগৰ লগত লগ লাগি আশু ব্যৱস্থাৰ কাৰণে চেষ্টা কৰিব বুলি দাবী জনাই মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

Shri Md. Idris (Minister) : Mr. Deputy Speaker Sir, my attention has been drawn to the news item, dated the 30th July, 1973 published in "Dainik Asom" under the caption 'শোকবহ মৃত্যু' on 29. 6. 73 at about 1 P.M. the ASEB got a ring from 'Assam Tribune' that a per- son has been electrocuted in front of the Tribune Press. The Board's Officers rushed to the spot and found the man already dead.

The cause of the accident was investigated by the Board on that very day and it was found that the service connection line to the office of the Chief Engi- neer, P.W.D., got slack due to the removal of the stay wire on the pole close to the building. The slack wire touched the telephone line. The deceased was working on one of the telephone poles and thus got direct con- tact with the live-electric wire through the P & D lines.

Due notices of the incident were given on the date of occurrence to the D.S., S.P., Chief Engineer, ASEB and the Senior Electrical Inspector. Also police entry was given immediately on receipt of the information and the case is under police investigation now.

Also on 2. 7. 73 there was joint inspection of ASEB and the P & T staff to go deep into the circumstances that led to the accident.

It was apparent that the direct contact of the elec-

tric line to the telephone line was the cause of accidental death. After the joint inspection, both the Departments chalked out remedical measures to avert such occurrences in future.

Shri Dulal Chandra Barua : Sir, one point for clarification. Whether the Govt. is aware of the fact that the telephone lines and the electric lines are running side by side ? In Gauhati in many places such things are prevailing. It will be good if this matter is taken up with the P & T Deptt. and bring about a co-ordination between the Electricity Deptt. and the P & T Deptt. The hapazard drawing of lines should be stopped forthwith. Even in Dispur such things are going on and we will not be surprised if such a thing happens here also. There is lack of co-ordination between these two departments.

Shri Md. Idris (Minister) : Mr. Deputy Speaker Sir, this is a welcome suggestion. I may inform the House that we have already referred the matter to the P & T Deptt. and I shall pursue the matter also.

## DISCUSSION ON SPECIAL MOTION UNDER RULE 130 A

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, দশ্ম হা আয়োগৰ প্ৰতিবেদনৰ ওপৰত অলপ আলোচনা কৰিবলৈ বিচাৰিছো। আমি যিখন ষ্টেটিচটিকচ্ পাইছো তাত দেখিছো যে ১৮ বছৰৰ ভিতৰত জাতীয় আয়ৰ ৰেট অব গ্ৰথ্ শতকৰা এক ভাগতকৈও কমি গৈছে আজি চাৰিটা পৰিকল্পনাৰ পিচত এইটো কমি গৈছে। অসমৰ মানুহৰ জাতীয় আয় ১৯৫৬ চনত আছিল ২৬৭ টকা আৰু এতিয়াও ১৯৭০ চনত ২৬৭ টকাই থাকিল। এইটো বৰ পৰিতাপৰ বিষয় যে ইমান কোটি টকা নিয়োগ কৰা স্বত্বেও আমাৰ জাতীয় আয়ৰ ৰেট অব গ্ৰথ কমি গল। দশ্ম হা আয়োগে প্ৰায় এক লাখ কৰ্ম্মচাৰীৰ কথা চিন্তা কৰিছে। মাননীয় সদস্য সকলে উদ্বেগ প্ৰকাশ কৰিছে যে অসমৰ অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত

দৰ্মহা নবঢ়াই বস্তুৰ দাম কমাব লাগিছিল। মই জানো দৰ্মহা বঢ়াই এই ক্ষেত্ৰত ব্যৰ্থ হব। মাননীয় সদস্য সকলে দুৰ্নীতিৰ কথা আলোচনা কৰিছে। আমাৰ বেচিকৈ উৰ্দ্ধতম মহলত দুৰ্নীতিৰ প্ৰভাৱ পৰা দেখা গৈছে। এই বিষয়ে ৰাইজৰ মাজত সমালোচনা হৈছে আৰু উদ্বিগ্নতাৰ ভাব সৃষ্টি হৈছে। গুৱাহাটীৰ ওচৰে পাজৰে কংক্ৰিট ঘৰ বিলাক এভাগ দূৰ্নীতি পৰায়ণ প্ৰশাসনীয় কৰ্ম্মচাৰী সকলে উঠাইছে। আমি এই দূনীতি ৰোধ কৰিব পৰা নাই। সহয়হীন ভাবে চকুৰ আগতে চাই থাকিব লগা হৈছে। আমি চীন ৰাচিয়াৰ নিচিনাকৈ নিবৰুণ নিৰ্দ্দয় হব লাগিব। এভাগ কৰ্ম্মচাৰীৰ কাৰণে গোটেইখিনি কৰ্ম্মচাৰীৰ কাম কৰাৰ প্ৰেৰণা নাইকিয়া হৈছেগৈ।

যিমানে দৰ্মহা নাবাঢ়ক কিয় এই অৱস্থাত আমি ৰাইজৰ মঙ্গলকামী ৰাষ্ট্ৰ কৰিব নোৱাৰিম। দৰ্মহা আয়োগৰ আৰু এটা দুৰ্বল দিশ হ'ল বে-চৰকাৰী কৰ্ম্মচাৰী সকলৰ কাৰণে। If similar benefits are given to the non-govt. institutions :– ইয়াৰ দ্বাৰা নিশ্চয় প্ৰাইমাৰী আৰু হাইস্কুলৰ শিক্ষক আৰু কলেজৰ শিক্ষক সকলৰ কথাকে কৈছে। এই সম্পৰ্কে তেওঁলোকে যে কমিটিত টাৰ্ মচ অব্ ৰেফাৰেঞ্চ দাবী কৰিছিল আৰু চৰকাৰে মানিও লৈছিল। গতিকে আমাৰ বিশ্বাস এই দৰ্মহা আয়োগৰ ওপৰিও শিক্ষা বিভাগে স্কুলৰ শিক্ষক আৰু কলেজৰ শিক্ষক সকলৰ কাৰণে চৰকাৰক মনত পেলাই দিব লাগিব চৰকাৰে নিজে কথাটো বিবেচনা কৰিব লাগিব। ১৯৬৪ চনৰ যি দৰ্মহা আয়োগ সেই দৰ্মহা ক্ষেত্ৰতো সেই একেই খেলিমেলিৰ সৃষ্টি হৈছিল। আমাৰ পৰামৰ্শ হ'ল যিসকল উৰ্দ্ধতম দৰ্মহাৰ কৰ্ম্মচাৰী তেওঁলোকৰ দৰ্মহাৰ নিৰিখ ভৱিষ্যতে বঢ়াব নালাগে। ইয়াৰ কাৰণ আছে আজি স্কুলত বা শিক্ষানুষ্ঠান কাম কৰা লোকসকলৰ দৰ্মহা অইন কৰ্ম্মচাৰীৰ তুলনাত কমহোৱাত আজি এজন ডক্তৰেট পি এইটচ দি পোৱা লোকেওঁ বিশ্ববিদ্যালয়ত কাম কৰিবলৈ মন নকৰে তাৰ সলনি তেওঁ এজন ই এ চি হৈ আহিব। আমাৰ দৰং জিলাত এজন পি এইটচ দি পোৱাজনে কাম এৰি গুচি আহিছে। তেওঁলোকৰ কাৰণে আজি চাপ্লাই চাব ইন্সপেক্টৰ, কো-অপাৰেটিভ ইন্সপেক্টৰ বা এচি এচ ক্লাচ টু বহুত ডাঙৰ চাকৰী কাৰণ তেওঁলোকে ভাল দৰ্মহা পায়। কিন্তু আমেৰিকা আদি দেশত শিক্ষকৰ যথেষ্ট মান আছে। আমাৰ দেশত

স্কুলৰ শিক্ষকৰ মানদণ্ড নোহোৱাৰ ফলত আচল ভাল ভাল যি ফাষ্ট ক্লাচ পায় তেওঁ এই শিক্ষানুস্থান বিলাকলৈ নাহে। আৰু চেণ্টেল গ্ৰেদ বিলাকে এই সুবিধা লয় যাৰ কাৰণে শিক্ষাব্যৱস্থাৰ কোনো আমূল পৰিবৰ্ত্তন কৰিব পৰা নাই। গতিকে মই ভাবো চৰকাৰে এই শিক্ষক সকলৰ কথা গুৰুত্ব সহকাৰে বিবেচনা কৰিব।

তলতীয়া কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত বৰ্ত্তমানৰ দৰ্ম্মহা আয়োগে আগয়ে দি এ মাৰ্জ কৰি যি দৰ্ম্মহাৰ নিৰিখ কৰিলে তাৰ পৰা তেওঁলোক হতাশ হৈছে। তেওঁলোকে দৰ্ম্মহা আয়োগৰ পৰা যি লাভ আশা কৰিছিল সেই লাভ নাপালে। গতিকে মই আশাকৰো এই শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ কথাটো পুনৰ বিবেচনা কৰিব লাগে আৰু দিএৰ মাধমেৰে হলেও কিছু বৃদ্ধি কৰিব লাগে। তাৰ পিচত উচ্চ পৰ্য্যায়ৰ কৰ্ম্মচাৰী সকলৰ উচ্চতম দৰ্ম্মহাৰ এটা নিৰিখ বান্ধি দিব লাগে। যেনেকে আমি আজি মাটি বা নগৰীয়া সম্পত্তিৰ ক্ষেত্ৰত সীমা ৰেখা বান্ধি দিছো গতিকে সেই ধৰণে অসমৰ অৰ্থনৈতিক দিশলৈ চাই যাতে কমিচন বিলাকে তেওঁলোকৰ দৰ্ম্ম-হাৰ নিৰিখ নবঢ়াই এটা সীমা ৰেখা বান্ধি দিব লাগে। নহলে আমি তলতীয়া কৰ্ম্মচাৰীৰ পৰা সহায় সহযোগ আশা কৰিব নোৱাৰো।

শেষত দৰ্ম্মহা যিমানে নাবাঢ়ক মূল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰিলে দৰ্ম্মহা বঢ়াই লাভ নাই। এই ক্ষেত্ৰত আমি অসমত দেখিছো চাউল আৰু ধানৰ দাম যোৱা মহাযুদ্ধৰ সময়ত যিমান বাঢ়িছিল তুলনা কৰি চালে তাতকৈ বেছি দাম বঢ়া নাই। কিন্তু চাউল ধানৰ বাহিৰে আমাৰ ইয়াত উৎপাদন নহোৱা যিবিলাক বেলেঞ্চ দায়েটৰ অন্তৰ্গত সেইবিলাকৰ দামে আমাৰ বাইজক জুকলা কৰিছে। দাইল, মিঠাতেল এইবিলাক বস্তুৰ আমাৰ ইয়াত উৎপাত দাম। গতিকে এই বেলেঞ্চ দায়েটৰ যিনি তালিকা সেই তালিকা সেই তালিকাশনৰ মূল্য ৰোধ কৰিব নোৱাৰিলে আমাৰ কোনো উপায় নাই। কাপোৰ কানিৰ কথাই নকওঁ।

গতিকে মোৰ মুঠ কথা দৰ্ম্মহা আয়োগে পুনৰ এই কথাবিলাক বিবেচনা কৰি কিছু কৰ্ম্মচাৰী সকলৰ বেহাই দিব।

এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীলীলা কান্ত দাস :—উপাধ্যক্ষ মহোদয়, চৰকাৰৰ নিৰ্দ্দেশমতে দৰ্ম্মহা আয়োগে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিলে। এই গণতান্ত্ৰিক দেশত চৰকাৰী কৰ্ম্মচাৰীৰ দৰ্ম্মহা নিৰ্দ্ধাৰণ কৰাতো চৰকাৰৰ দায়ী আৰু ৰাইজৰ ও দায় আছে। এই সন্দৰ্ভত প্ৰত্যেকজন মাননীয় সদস্যই দৰ্ম্মহা আয়োগৰ প্ৰতিবেদনৰ ওপৰত বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰি তেখেত সকলৰ পৰামৰ্শ আগবঢ়াইছে। উপাধ্যক্ষ মহোদয় এই খিনিতে মই কব বিচাৰিছো আমি দৰ্ম্মহা কাক দিও এই কথাটো চিন্তা কৰিব লগীয়া। আমাৰ দেশৰ শাসন যন্ত্ৰৰ যাবতীয়া দায়িত্বত থকা কৰ্ম্মচাৰী সকলৰ কাৰণে আমি দৰ্ম্মহা দিও। উপাধ্যক্ষ মহোদয় দৰ্ম্মহা দিয়াৰ লগে লগে আমি আৰু এটা লক্ষ্য কৰিব লাগিব, এজনে দৰ্ম্মহা লব আৰু কিছুৱে দৰ্ম্মহা বহন কৰিব। দৰ্ম্মহা লোৱা হ'ল কৰ্ম্মচাৰী, দিয়া হ'ল চৰকাৰ আৰু বহন কৰোতা হ'ল ৰাইজ। ৰাইজে দৰ্ম্মহা বহন কৰিব এটা ডাঙৰ উদ্দেশ্যত আৰু সেই উদ্দেশ্যটো হল গণতান্ত্ৰিক দিশৰ পৰাই হওঁক বা অন্য দিশৰ পৰাই হওক ৰাইজে তেওঁলোকৰ পৰা প্ৰশাসনৰ উন্নয়ণ আৰু অধিক উৎপাদনৰ উন্নতি আৰু ন্যায় বিচাৰ পাব পাৰে।

উপাধ্যক্ষ মহোদয়, প্ৰতিবেদনৰ সম্পৰ্কে বহুতো সমালোচনা হৈছে। আমাৰ অৰ্থনৈতিক দুৰৱস্থা শাসনতন্ত্ৰৰ ব্যৱস্থা মতে দৰ্ম্মহাৰ নিৰিখ গণতান্ত্ৰিক দিশত যিটো পৰ্য্যায় হব লাগে সেইটো হোৱা নাই আৰু তাৰ বাবেই সকলোৱে আক্ষেপ কৰি আছে।

( থুল নাই )

উপাধ্যক্ষ মহোদয়, বৰ দুখেৰে হৈতে কব লগা হৈছো যে যি সকলে আজি দৰ্ম্মহা বহন কৰিছে তেওঁলোকৰ মাজত হতাশাৰ মনোভাব আছে। তেওঁলোকে প্ৰধানকৈ আজি উন্নত প্ৰশাসন, অধিক উৎপাদনৰ সুবিধা আৰু ন্যায় বিচাৰ এই খিনি পোৱা নাই। তাৰ ফলত আমাৰ দেশত আজি অৰ্থনৈতিক সংকট হৈছে আৰু সমাজত অবিচাৰ হৈছে। এই দুটা কথাৰ ওপৰত গণতন্ত্ৰ চৰকাৰৰ সম্পূৰ্ণ দায়িত্ব আছে। উপাধ্যক্ষ মহোদয় আমি যদি উন্নত জাতি হবলৈ বিচাৰো, নৈতিক চৰিত্ৰ গঢ়িবলৈ বিচাৰো আৰু যদি জাতীয় অনুভূতি জগাই তুলিব লগীয়া হয়, তেনেহলে আজি দৰ্ম্মহাৰ বিষয়ে

যি দাবী আহিছে সেইটো গুৰুত্ব সহকাৰে চিন্তা কৰা প্ৰয়োজন। এই কথা অপ্ৰিয় সত্য হলেও মই কবলৈ বাধ্য হৈছো যে আমাৰ শাসনৰ দায়িত্ব থকা কৰ্ম্মচাৰী সকলে এই বিষয়ে অকনো উপলব্ধি কৰা নাই। যদি তেওঁলোকে ভালকৈ উপলব্ধি কৰিবলৈ চেষ্টা কৰিলেহেতেন তেতিয়াহলে দেশৰ অৰ্থনৈতিক অৱস্থা এনেকুৱা নহলহেতেন। এইটো অভাৱৰ কাৰণে আজি দেশখন এই পৰ্য্যায়ত চলি থাকিব লগীয়া হৈছে।

উপাধ্যক্ষ মহোদয়, এই এখন গণতান্ত্ৰিক দেশত অৰ্থনৈতিক সমস্যাৰ ওপৰত ভীত্তি কৰি জীৱন নিৰ্ব্বাচন ৰাষ্ট্ৰ তথা সমাজৰ যিটো আৰ্থিক ব্যৱস্থাত কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহাৰ দিয়াটো ন্যায় বিচাৰৰ ভিত্তিত হব লাগে। আজি দেশত গণতান্ত্ৰিক ব্যৱস্থা কৰিছে যেতিয়া অৰ্থনৈতিক সমস্যাটোও নিম্নতম কৰ্ম্মচাৰী আৰু উচ্চতৰ কৰ্ম্মচাৰী সকলক সমানে জীৱন নিৰ্ব্বাসৰ ব্যৱস্থা কৰা উচিত। আজি আমাৰ ৰাজ্যত ১৫০ জন মানুহৰ ওপৰত ১ লাখ মানুহৰ দায়িত্ব ন্যস্ত কৰিছো—তেখেতসকলে নিজৰ নিজৰ দায়িত্ব উপলব্ধি কৰাৰ ওপৰিও ১ লাখ মানুহৰ দায়িত্বৰ কথা পাহৰি যোৱা উচিত নহয়। মই এই প্ৰতিবেদনৰ পৰা বুজিব পাৰিছো যে ইয়াৰ আমাৰ কোনোৱেই সন্তুষ্ট হব পৰা নাই, অৰ্থনীতিবিদ সকলেও সন্তুষ্ট হব পৰা নাই সমাজও সন্তুষ্ট হোৱা নাই আৰু শাসনত দায়িত্ব অধিস্থিত কৰ্ম্মচাৰীসকলেও কব নোৱাৰে যে আমি সন্তুষ্ট হৈছো। ইয়াৰ বাবে মই প্ৰত্যেককে জুখিবলৈ আৰু বিচাৰ কৰিবলৈ কৈছো যে প্ৰত্যেকেই সমানে জগৰীয়া হয়নে নহয়। আজি আমি দৰ্ম্মহা দিব লাগিব। দৰ্ম্মহা নিদিলে আমাৰ জীৱনৰ অৰ্থনৈতিক ব্যৱস্থাটো বিপদগ্ৰস্ত হব।

উপাধ্যক্ষ মহোদয়, ১৫০ জনৰ ভিতৰত এজনক দিবৰ কাৰণে সকলোৰ সজাগ কিন্তু ১৪৯ জনৰ কাৰণে কোনে চিন্তা কৰিব? কিন্তু প্ৰশ্ন হয় ১৪৯ জনে তেওঁলোকৰ দায়িত্ব পালন কৰিছেনে নাই? সেইটো দায়িত্ব আমাৰ কৰ্ম্মচাৰী আৰু বিষয়া সকলৰ। শাসনৰ দায়িত্বলৈ চাই কৰ্ম্মচাৰী সকলক প্ৰয়োজনীয়তে দৰ্মহা লাগে সেইটো সঁচা কথা কিন্তু যিজন গৃহস্থীৰ কাৰণে দৰ্ম্মহালৈ কৰ্ম্মচাৰী হৈছিল যি আশাৰ গৃহস্থী কৰে তেওঁলোকৰ অৱস্থা উন্নত কৰিবৰ কাৰণে আজি বিচাৰৰ সময় আহিছে। ইয়াৰ যথাযথ বিচাৰ হব লাগে। গণতান্ত্ৰিক ভিত্তিত যদি ইয়াৰ বিচাৰ নহয়

তেতিয়াহলে হয়তো সময়ত বৈপ্লবিক মনোভাব জাগি উঠিব। মোৰ সমষ্টিত চাৰি বছৰ অফিছ চলাইছিল। সেই এলেকাত জনসংখ্যা ৫০ হেজাৰ আৰু অফিছত ৫০ জন কৰ্ম্মচাৰী আছিল। তাৰ ভিতৰত গেজেটেড ৪ জন আৰু এ, ছি. এছ অফিছাৰো আছিল। তেওঁলোকে যদি নিজৰ দায়িত্ব পালন কৰা হলে দৰ্ম্মহা বৃদ্ধি সহজ হল হেতেন আৰু খাদ্য সমস্যাও সমাধান হলহেতেন আৰু শাসন ব্যৱস্থাও নিয়ন্ত্ৰণাধীনলৈ আহিলেহেতেন।

কিন্তু এই দায়িত্ব আজি কোনেও উপলব্ধি কৰিব পৰা নাই। এই দায়িত্ব যদি উপলব্ধি কৰিব পাৰিলেহেতেন তেনেহলে যেনে তেনে দায়িত্ব পালন নকৰিলেহেতেন। আৰু যি জন মূল কাৰ্যকৰী বিষয়া সেই বিষয়া জনক তলত থকা ৫০ জন কৰ্ম্মচাৰীয়ে কি উদ্দেশ্যৰে কাম কৰিছে। তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য হৈছে যে কেনেকৈ কাৰ্য্যকৰী বিষয়া জনক সন্তুষ্ট কৰিব পৰা যায়। এইটোৱেই হৈছে আজি আমাৰ কৰ্ম্মচাৰী সকলৰ মানবীয় গুন। মই অকল কৰ্ম্মচাৰী সকলৰ কথাই নকওঁ আমাৰ যি সকল ৰাজহুৱা নেতা আছে সেই সকলৰ ক্ষেত্ৰতো মই কথা উল্লেখ কৰিছো যি সকল ৰাজহুৱা নেতা আছে সেই সকল ক্ষেত্ৰতো মই কথা উল্লেখ কৰিছো যে তেওঁলোকৰ যি বিলাক প্ৰকৃততে দোষ সেই বিলাকো তেওঁলোকে স্বীকাৰ কৰি লব নোখোজো এই বিলাক কথা ৰাজহুৱা নেতা সকলে ভাল ধৰণেৰে উপলব্ধি কৰিব পৰাটো উচিত আছিল। যাৰ কাৰণে ইমান বিলাক মানুহৰ প্ৰয়োজন হৈছে, যাক ইমান বিলাক দৰ্মহা দিয়া হৈছে, প্ৰতি বছৰে টেক্স বঢ়াব লগীয়া হৈছে, যাৰ কাৰণে বছৰি দৰ্মহা বঢ়াই দিবলগীয়া হৈছে এই মানুহ খিনিৰ কাৰণে আমি অনুভৱ কৰা নাই। আজি এই বিলাক কাৰণতেই অসমত ভাৰতত বিপ্লৱৰ সৃষ্টি হৈছে। যদি প্ৰকৃততে এই বিলাক ঘটনাৰে পুনৰাবৃত্তি হৈ থাকে তেনে হলে আমি দৰ্মহা বঢ়াই দিয়াৰ অৰ্থ নাই আৰু কমাই দিয়াৰো অৰ্থ নাই। দৰ্মহা বঢ়াই দিলেই উন্নত জাতি এটা গঢ়িব নোৱাৰি আমি যদি জাতি উন্নত জাতি হিচাবে গঢ়ি তুলিব বিচাৰো তেনেহলে আমি অনুভূতিশীল হব লাগিব আমি আমাৰ দায়িত্ব পালন কৰিব লাগিব। আজি দুখ লাগে স্বাধীনতাৰ ২৬ বছৰৰ পিচতো আজি আমাৰ মাজত বিলাস ভাব বৃদ্ধি পাই আমি অতি সংকীৰ্ণ হৈছো। আৰু সম্প্ৰদায়িকতা মনোভাবে আমাক

কলোষিত কৰিছে। সেই কাৰণেই মই কৈছো যে আমাৰ যি বিলাক মূল দায়িত্ব সেই বিলাক নীতিগত ভাবে পালন নকৰাৰ কাৰণে আমাৰ দেশত সংকীৰ্ণ মনোভাবৰ বিকাশ ঘটিছে।

উপাধ্যক্ষ মহোদয়, আমি দেখিছো আমাৰ জাতিটোৰ মাজত আজি এটা চেতনা জাগিছে। এই চেতনা সম্পূৰ্ণ ৰূপে জগাই তুলিবলৈ হলে আমাৰ ৰাজনৈতিক দল সমূহে, আমাৰ চৰকাৰে আমাৰ দেশত এটা উন্নত অৱস্থা আনিবলৈ আগবাঢ়ি যাব লাগিব। মই আগতেই কৈ আহিছো যে আমাৰ দেশৰ অৰ্থনৈতিক ভেটি প্ৰতিস্থা কৰাৰ অভাব নাই। কিন্তু অতি দুখৰ বিষয় অসম দেশতেই অৰ্থনৈতিক সংকট আটাইতকৈ বেচি। সেই কাৰণে এতিয়া আমি যদি অনুভূতিশীল হও তেতিয়াহে আগবাঢ়ি যাব পাৰিম। আমাক অনুভূতিশীল হৈ চলিব পৰা সম্পদ ভগবানে সকলো দিছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে আজি যি চিন্তা কৰা হৈছে যাৰ কাৰণে ধন অনা হৈছে, এই কাম কৰিবলৈ যাওঁতে আজি আমি ৪২১ কোটি টকাৰ ঋণ লবলগীয়া হৈছে। এই টকা কোনে পৰিশোধ কৰিব। সত্য কথা কবলৈ হলে এই টকা ৰাজনৈতিক নেতা সকলে পৰিশোধ নকৰে, কাৰণ তেখেত সকল চতুৰ। তেখেত সকল বাগি দি সাৰি যাব। উচ্চ পদস্থ কৰ্মচাৰী সকলেও সেই বিলাক ঋণ পৰিশোধ নকৰে। তেওঁলোকৰ কাৰণে সকলো বিলাক সুবিধা দিয়া হৈছে। এই ঋণ পৰিশোধ কৰিব লাগিব এই সকল মানুহে যি সকল নিষ্পেসিত মানুহ। যি খিনি মানুহে আজি-বন হাহাকাৰ কৰি আহিছে, যি খিনি মানুহ দিনক দিনে দুৰ্বল হৈ গৈছে সেই খিনি মানুহে এই ঋণ পৰিশোধ কৰিব লাগিব। গতিকে আমাৰ দৰ্মহাৰ প্ৰতিবেদনৰ সম্পৰ্কত আমাৰ অৰ্থনৈতিক যি ব্যৱস্থা এই ব্যৱস্থাৰ মাজত আমি পুনৰ এই কথা অনুভৱ কৰিব লাগিব, অনুভূতিশীল হব লাগিব।

মিঃ ডেঃ স্পীকাৰ :—আপুনি চমু কৰক :—

শ্ৰীলীলা কান্ত দাস :—উপাধ্যক্ষ মহোদয়, দৰমহা আয়োগে এটা নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব। আজি দাবী আহিব বস্তুৰ দাম বাঢ়ি গৈছে গতিকে পুনৰ দৰ্মহা বঢ়াব লাগে। এইদৰে প্ৰতি বছৰে দৰ্মহা বঢ়োৱাত

আছে। এইটো জাতিৰ আদৰ্শ হব নোৱাৰে। গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ ৰাষ্ট্ৰীয় নীতি মতেই কৰ্মচাৰীক দৰ্মহা দিব লাগিব। সঁচা কথা আমাৰ চৰকাৰৰ কাৰণে এই নিৰিখত দৰ্মহা দিবলৈ টান হব তথাপিও যেতিয়া দৰ্মহা বৃদ্ধিৰ কথা উঠিব তেতিয়া বেলেগ শ্ৰেণীৰ কৰ্মচাৰীৰ দৰমহাৰ লগত এটা সামঞ্জস্য থাকিব লাগিব। কাৰণ আজি আমি সমাজ তান্ত্ৰিক সমাজ ব্যৱস্থা গ্ৰহণ কৰিছো আৰু আমাৰ অৰ্থনৈতিক এই আদৰ্শৰ ওপৰত প্ৰতিস্থিত হব লাগিব। গতিকে দৰ্মহাৰ ক্ষেত্ৰত এটা সুস্পষ্ট নীতি লব লাগিব। উচ্চতম আৰু নিম্নতম দৰ্মহাৰ এটা চিলিং বান্ধি দিব লাগিব। চৰকাৰে এইটো অকল চৰকাৰী ক্ষেত্ৰতে কৰিলেই নহব। বে-চৰকাৰী অনুস্থান বিলাকতো এই নীতি ৰাখিব লাগিব। আমাৰ যি বিলাক হাইস্কুল সেই বিলাকৰ চকিদাৰৰ দৰ্মহা সম্পৰ্কত মই এটা কথা কব খোজো। এই চকিদাৰ বিলাকক ৮০ টকালৈ দৰ্মহা দি থকা হৈছে। সেইসকলে ৰাতিপুৱাৰে পৰা গধুলি হেড মাষ্টৰ বা প্ৰিনচিপাল ওলাই নোযোৱালৈকে আগ পৈচান ধৰি তেওঁলোকে ওলাই গলেহে ঘৰলৈ যাব পাৰে। এই ক্ষেত্ৰত কোনোবা মেনেজিং কমিটিয়ে দয়া কৰি কেইটামান টকা বঢ়াই দিছে। নহলে নাই। মই সদস্য হোৱাৰ আগতে কেইবাখনো হাই স্কুলৰ মেনেজিং কমিটিৰ চেক্ৰেটাৰী আৰু কলেজৰ গভৰ্ণিংবডিৰ সদস্য আছিলো। তেতিয়াও মই এই কথাটো দেখি আহিছো। আমাৰ যি সকল বেচৰকাৰী কৰ্ম্মচাৰী বিশেষকৈ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সেই সকলৰ জীৱন নিৰ্ব্বাহৰ ক্ষেত্ৰত যিখিনি প্ৰয়োজন সেই হিচাপেই বেচৰকাৰী অনুস্থান বিলাকত কাম কৰা সমশ্ৰেণীৰ লোক সকলৰ কাৰণেই অনুৰূপ কৰাৰ কাৰণে চৰকাৰে নিৰ্দেশ দিব লাগে। কিন্তু চৰকাৰে হয়তো এই ক্ষেত্ৰত কব পাৰে যে চৰকাৰৰ বেচৰকাৰী অনুস্থানত কোনো হাত নাই। কিন্তু এই কথা মই উল্লেখ কৰো যে এই অনুস্থান সমূহক চৰকাৰে আৰ্থিক সাহায্য দিয়ে।

উপাধ্যক্ষ মহোদয়, বেচৰকাৰী অনুস্থান সমূহে চৰকাৰৰ নীতি অনুযায়ী তেওঁলোকৰ বিভিন্ন ক্ষেত্ৰত দৰমহা লৈছে আৰু চৰকাৰী অনুস্থান সমূহেও চৰকাৰৰ পৰা উপযুক্ত মঞ্জুৰী পাইছে। গতিকে তেওঁলোকৰ দৰমহাৰ ক্ষেত্ৰত এই কথাটো বিবেচনা কৰা প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা চৰকাৰক কব খুজিছো সেইটো হৈছে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ কথা। এই চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ ক্ষেত্ৰত দৰমহা আয়োগে যি নিৰিখ নিৰ্দ্ধাৰণ কৰিছে সি হৈছে ১৮০ টকা এই ক্ষেত্ৰত দোষ দ্বিমত নাই। কিন্তু উপাধ্যক্ষ মহোদয়, এই খিনিতে মোৰ কেইটামান পৰামৰ্শ আছে মই আশা কৰো চৰকাৰে মোৰ এই পৰামৰ্শ কেইটা কাৰ্য্যকৰী কৰিব। এক নম্বৰ কথা হল, চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ পৰিয়াল বৰ্গৰ সকলো লোকক যেি য়াই বিচাৰে তেতিয়াই বিনামূলীয়া সাহায্য চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে। দুই নম্বৰ কথা হল, এই শ্ৰেণীৰ কৰ্মচাৰী সকলৰ লৰা-ছোৱালীক অন্ততঃ মাধ্যমিক শিক্ষা পৰ্য্যন্ত বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে,আৰু তিনি নম্বৰ পৰামৰ্শ হল তেওঁলোকৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। বৰ্ত্তমান আমাৰ দেশৰ যি অস্থায়ী মূল্য নীতি তাৰ ওপৰত নিৰ্ভৰ কৰি এই চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলে গৃহ নিৰ্ম্মাণ কৰিব নোৱাৰে। সেই কাৰণেই এই তলতীয়া কৰ্ম্মচাৰী সকলে পেটৰ জ্বালাত অন্যায় কৰিবলৈ আগবাঢ়ি যাব লগা হৈছে। সেইকাৰণে মই এই শ্ৰেণীৰ কৰ্মচাৰী সকলৰ গৃহ নিৰ্মাণৰ বাবে আৰ্থিক সাহাৰ্য্য দিবলৈ অনুৰোধ জনাইছো।

মিঃ ডেপুটি স্পীকাৰ: আপুনি চমু কৰিব।

শ্ৰীলীলাকান্ত দাস:—আমাৰ বিভাগবোৰত যিমানখিনি কাম আছে সিমানখিনিহে কৰ্মচাৰী লোৱাৰ প্ৰয়োজন বুলি মই ভাবো। উপাধ্যক্ষ মহোদয়, মই দুখেৰে জনাওঁ যে আমাৰ অসমত প্ৰয়োজনতকৈ অধিক কৰ্ম-চাৰী আছে।

(ধ্বনি খেদাব লাগে ণ)

ৰাজনৈতিক স্বাৰ্থৰ কাৰণে তেওঁলোকক ৰাখিব পাৰে, কিন্তু কাৰ দৰ-মহাৰে সেই সকলক ভৰণ-পোষণ দিয়া হৈছে? কাৰ তেজেৰে সেই সকলক দৰমহা দিয়া হৈছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা:—যিটো জোৰেৰে সদস্য গৰাকীয়ে কথা কৈছে চাৰ দিলেও কোনেও দৰমহা নিবলৈ নাহে।

শ্রীশীলাকান্ত দাস :—অতিৰিক্ত কৰ্মচাৰী বঢ়োৱাৰ বাবে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত চৰকাৰে বন্দবস্ত চলাইছে। কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰতেই হওঁক বা ৰাজ্য চৰকাৰৰ ক্ষেত্ৰতেই হওঁক অতিৰিক্ত কৰ্মচাৰী সকলক স্থানীয় শিল্প উদ্যোগত নিয়োগ কৰিব বুলি মই আশা ৰাখিছো।

উপাধ্যক্ষ মহোদয়, মই আৰু বেছি নকও মই মাত্ৰ এইখিনি কৈয়েই সামৰণি মাৰিম। অৰ্থনৈতিক দিশৰ ওপৰত ভিত্তি কৰি দৰমহাৰ ব্যৱস্থা কৰিব লাগে লগতে আমাৰ চৰকাৰে দৰমহাৰ নিৰিখটো পুনৰ বিবেচনা কৰি চাব বুলি আশা ৰাখি মই সামৰণি মাৰিলো।

শ্ৰীমতী সত্যব্ৰতী গোস্বামী :—উপাধ্যক্ষ মহোদয়, পে কমিচনৰ প্ৰতিবেদনখনৰ ওপৰত মোৰ মন্তব্য দিয়াৰ আগতে সদনৰ সদস্য সকলক সোধৰাই দিব খোজো যে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা উদ্যোগিক বিকাশ আৰু নিবনুৱা সমস্যা ইত্যাদি সমস্যাবোৰ ভালকৈ বিবেচনা কৰি চোৱাৰ পিচতেই এই প্ৰতিবেদনৰ ওপৰত আলোচনা কৰা যুক্তি সংগত হব বুলি ভাবো।

এই দৰ্মহা আয়োগৰ নীতি নিৰ্দ্ধাৰণ কৰোতে আগতে হৈ যোৱা কেইবাটাও কমিশান যেনে বাওঁলেস্ত কমিচন, বেমন্তপেণ্টলিৰ নেতৃত্বত হোৱা বৰ্ডেল কমিচন অন যিটো চাৰ্ভিচ আগমন কমিটি বৰদাচ ৰিয়াৰ কমিচন আদি নানান কমিটিৰ বহুমূলীয়া আলোচনা আৰু মন্তব্যৰ ভিত্তিত অসম পে-কমিচনৰ সিদ্ধান্ত প্ৰকাশ পাইছে। তাৰ পৰিবৰ্ত্তে মহাৰাষ্ট্ৰ পে কমিচন, তামিলনাডু এই বিলাক কমিচনেও সিদ্ধান্ত লৈছিল আৰু প্ৰকাশ পাইছিল। কিন্তু ইয়াত এটা কথা দেখা গৈছে যে সৰ্ব্বভাৰতীয় পৰ্য্যায়ত যি কেইটা কমিচন হৈছে তেওঁলোকে মজদুৰ সকলৰ স্বাৰ্থৰক্ষা আৰু তেওঁলোকৰ পাবলগীয়া দৰ্ম্মহা কেনে ধৰণে হোৱা উচিত, মিনিমাম ওৱেজ, লিভিং ওৱেজ বা কেয়াৰ ওৱেজ কোনটোৰ দ্বাৰা তেওঁলোকৰ কৰ্ম্ম ক্ষমতা বঢ়াই সন্তোষজনক পৰিবেশ এটা তৈয়াৰ কৰিব পাৰি। কিন্তু চৰকাৰ যেতিয়া নিয়োগ কৰ্ত্তা হয় তেতিয়া দিশ চিন্তা কৰি একেটা সিদ্ধান্ত লব পাৰে। ব্যাক্তিগত মালিক এজনে এটা ব্যৱসায় চলাওঁতে লাভৰ আকাংখ্যা বা প্ৰফিট মটিভলৈ কাম কৰে আৰু সেয়েহে দৰ্মহা আদি শ্ৰমিকক দিওঁতে উৎপাদন আৰু লাভৰ ওপৰত নিৰ্ভৰ কৰি দিয়ে। এই ব্যৱসায়বোৰত নানা আকৰ্ষণ আৰু—

যেনে দৰ্মহাৰ ওপৰিও লাভৰ অংশ বোনাচ গ্ৰেচুইটি আদিত পায় কিন্তু অইনপিনে চৰকাৰী চাকৰিৰ যি নিৰাপত্তা সেইটো সকলো সময়তে নাপায়। অৱশ্যে আজি কালি তেওঁলোকে সংঘবদ্ধভাৱে ইউনিয়নৰ মাজেৰে এইবোৰ সুবিধা আদায় কৰিছে।

সেয়েহে দেখা গল এটা ব্যৱসায় প্ৰতিষ্ঠানে লাভ কৰিলে তেওঁলোকৰ চাকৰিয়ালসকলক দৰ্মহা বঢ়াই দিয়া বা সুবিধা বেছি কৰা যিমান সহজ এখন ৰাজ্যৰ চাকৰিৰ কাৰণে সিমান সহজ নহয়। ব্যৱসায় প্ৰতিষ্ঠানটোৱে মাত্ৰ নিজৰ চাকৰিত থকা মানুহখিনিৰ কথা ভাবিলেই হৈ গল। কিন্তু চৰকাৰী কৰ্মচাৰী সকলৰ নিয়োগ কৰ্ত্তা বা মালিক হল চৰকাৰ সঁচা কিন্তু আনফালে লক্ষ্য অভুক্ত অৰ্দ্ধইক্ত জনসাধাৰণৰ যাৰ কোনো সংগঠন নাই, মাত মাতিবৰ কাৰণে কোনো ইউনিয়ন নাই, যুজ কৰিবৰ কাৰণে অস্ত্ৰ নাই, সেইলোক সকলৰ প্ৰতিনিধি হিচাবে এই চৰকাৰ গাদীত বহিছে, তেওঁলোকৰ প্ৰতিও চৰকাৰৰ যথেষ্ট দায়িত্ব আছে। চৰকাৰী কৰ্মচাৰী সকলৰ অভাৱ আমি নিশ্চয় বুজি পাইছো, তেখেত সকলক সন্তোষ দিব পৰাকৈ দৰ্মহা বঢ়াই দিব পাৰিলে- স্বশ্চত ভাবে জীৱন যাত্ৰা হোৱা হলে আমাৰো হয়তো বহুখিনি নিস্কণ্টক বছৰত জীৱন যাত্ৰা হলহেঁতেন কিন্তু আমাৰ কথাটো এতিয়া চৰকাৰে দিয়ে কৰ পৰা। বহু সময়ত পে-কমিশনৰ হিচাবৰোৰ দেখা পাই দুখো লাগিছে আচৰিতো অবান্তৰ যেনো পাইছো। কিন্তু তথাপিও আমি ইয়াত নাকচ কৰিবলৈ বা ৰিজেক্ট কৰিবলৈ সাহস কৰিব নোৱাৰো।

পৰিয়ালটো দুজন প্ৰাপ্তবয়স্ক মানুহ আৰু দুটা লৰা ছোৱালীৰে সৈতে তিনিটা কনজ্যুমচন ইউনিট কৰা হৈছে। ১৫ তম লেবাৰ কনফাৰেন্সৰ হিচাবমতে এজন মানুহৰ নিম্নতম প্ৰয়োজনীয়তা বা মিনিমাম নিডচ্ পুৰুষৰ বাবে :—

| | | | |
|---|---|---|---|
| ১। যোৱাত খৰচ হয় মাহে | — | ১১৭·২৬ | পইচা। |
| ২। কাপোৰ-কানিত | — | ১১·৮২ | ,, |
| ৩। ঘৰৰ ভাড়া | — | ১৪·৫০ | ,, |
| ৪। অন্যান্য খৰচ | — | ৩৫·৮৯ | ,, |
| মুঠ খৰচ হয় | | ১৭৯·৪৭ | পইচা। |

উপাধ্যক্ষ মহোদয়, আকৌ ১৯৬৯ চনৰ ভাৰত চৰকাৰে, নেচনেল লেবাৰ কমিচনৰ ৰিপোৰ্ট অনুসৰি দেখা যায় যে আন আন ৰাজ্যত পে-কমিচনে যি দৰমহা নিৰ্দ্ধাৰিত কৰিছে যেনে বিহাৰত ১৫৫ টকা উৰিষ্যাত ১১৫ টকা তামিলনাডুত ১৪৫ টকা। কিন্তু অসম পে-কমিচনৰ ওপৰত নানা সন্থাৰ পৰা যেতিয়া সাক্ষী দি নিজৰ দাবী উত্থাপিত কৰিছিল তেতিয়াও তেওঁলোকে ১১০ টকাৰ পৰা ৩০০ টকাৰ ভিতৰত তেওঁলোকৰ দৰমহাৰ দাবী সীমাবদ্ধ ৰাখিছিল। দিষ্টিক অৰদিনেচন কমিটিয়ে যিটো সংগঠনে বহুতো প্ৰতিস্থান প্ৰতিনিধিত্ব কৰে তেওঁলোকে দাবী জনাইছিল ২৫০ টকাৰ কিন্তু আন পিনে ইকনমিক আৰু ষ্টেটিচটিক দিপাৰ্টমেণ্টৰ টেকনিকেল কৰ্ম-চাৰী সন্থাই দৰমহাৰ দাবী জনাইছিল ১৮৫ টকা। ইন্দিয়া কাউন্সিল অব মেদিকেল ৰিচাৰ্চৰ বিজ্ঞান সম্মত অভিমত হৈছে যে এজন চেদেনটৰি ওৱৰ-কাৰ বা শাৰীৰিক কম পৰিশ্ৰম কৰা মানুহক ২৪০০ কেলৰিৰ প্ৰয়োজন। সেই মতে ডাঃ গোপালমৰ মতে চৰকাৰী তল খাপৰ কৰ্মচাৰী সকলো এই চেদেনটাৰী ওৱাৰকাৰৰ শাৰীত পৰে আৰু তেওঁলোকক প্ৰত্যেককে ২৪০০ কেলৰীৰ প্ৰয়োজন।

মহোদয়, এতিয়া অসমৰ এইটো বিশেষ ভাবিবলগীয়া কথা যে এই ২৪০০ কেলৰীৰ যোগাৰ দিবলৈ যাওঁতে কেলৰি কাটি আনিবলগীয়া সেই সকল মানুহৰ পৰা যি সকলে হয়তো এহেজাৰ কেলৰি খাব পৰা নাই। যি সকল খেতিয়ক দোকানী, সৰু বেপাৰীৰ কোনো সংগঠন আদি নাই আৰু সেই লোকসকলৰ প্ৰতিনিধি হৈ আমি এই সদনলৈ আহিছো। চৰকাৰে নিজৰ অধীনত থকা ৮০/৯০ হাজাৰ কৰ্মীৰ কথা ভবাৰ লগে লগে ৰাজ্য খনৰ আনবোৰ মানুহৰ কথাও মনত ৰাখিব লাগিব। বিশেষকৈ পূব সীমাত অৱস্থিত এই সৰু ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰতে পিচপৰা। লোক-সংখ্যাৰ ঘনত্ব 'ডেনচিটি' সৰ্ব্বভাৰতীয় হিচাবতকৈ বেছি যেনে, সৰ্ব্বভাৰতীয় হিচাবমতে ১ কিলোমিটাৰত ১৬৭ জন মানুহে বসতি কৰে কিন্তু অসমত কিলোমিটাৰত বসতি কৰে ১৮৬ জন অসমৰ শতকৰা ৩৫.৬ ভাগ মাটি জংঘল। জনসংখ্যা গোটেই দেশতকৈ বেছি। অথচ পুৰণি কলীয়া চাহ তেলৰ বাহিৰে কোনো বৃহত উদ্যোগ আমাৰ ইয়াত প্ৰতিস্থা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, ৰাজ্যখনত শতকৰা ৭৫ ভাগ মানুহ দৰিদ্ৰতাৰ সীমা-

ৰেখাৰ তলত থাকে। এই সকলৰ কথা কোনে ভাবিব ? ইয়াৰ বাহিৰেও আপোনালোকে জানে যে ১৯৭১ চনৰ ডিচেম্বৰ মাহৰ শেষ ভাগত হোৱা হিচাব মতে এম্প্লয়মেণ্টত এক্চেঞ্জত নিবনুৱাৰ সংখ্যা ৰেজিষ্টাৰ কৰা হৈছিল ৯১ হাজাৰ ৮৫৭ জন আচল সংখ্যা হয়তো তাতোকৈ বহুত বেছি হব। কাৰণ শতকৰা ২০ ভাগ লৰাইহে নামটো ৰেজিষ্টাৰ কৰায়। গতিকে দেখা যায় যে প্ৰকৃত অৰ্থত আমাৰ দেশৰ নিবনুৱা সংখ্যা বহুত বেছি। ইয়াৰ বাহিৰেও প্ৰতি বছৰে বানপানীয়ে ৰাজ্যত প্ৰায় ৭ কোটি টকাৰ লোকচান কৰে। এই ক্ষতিগ্ৰস্তৰ ফলত আমাৰ নতুন আচনি সমূহ কৰিব পৰা নহয়, এইয়ে হল আমাৰ ৰাজ্যৰ বৰ্ত্তমান অৱস্থা। আমাৰ ৰাজ্যৰ বাজেট বছৰেই ঘাটি হয়। অৱশ্যে ঘাটি বাজেটতো ভয় কৰিবৰ কাৰণ নাই যদি দেশৰ উন্নয়নমূলক পৰিকল্পনবোৰ আগবঢ়াই নিব পাৰি কিন্তু সেইটোও হোৱা নাই। অভাৰ ড্ৰাফটৰ পৰিমান বাঢ়িগৈ ১৯৭২ চনৰ মে মাহত ৪৫.০০ কোটি টকা হলগৈ। গতিকে ৰাজ্যখনৰ আয় বঢ়াবলৈ হয় টেক্স লগাব লগীয়া হব, নহয় ধাৰ কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, কিন্তু টেক্স লগাবৰ কথা যদি চৰকাৰে চিন্তা কৰে তেন্তে ভুল হব। কাৰণ এতিয়াই টেক্সৰ হেচাত মানুহৰ উতসাহ, উদ্যম কমি গৈছে ফলত দিমিনিচিং ৰিটাৰ্ন আৰম্ভ হৈছে। আনহাতে ধাৰ লোৱা কথাও সহজ নহয়। ধাৰ লওতে আজি অসম ৰাজ্যৰ টেটুলৈকে ধাৰ লাগিছে। আনহাতে ধাৰ আৰু সুত মাৰোতে গোটেই ৰাজ্যখন দেউলীয়া হৈ পৰিছে। উপায় এটা আছে। আমি আমাৰ ৰাজ্যৰ উৎপাদন বঢ়াব পাৰিব লাগিব অৰ্জ্জন বঢ়াব লাগিব। আৰু বস্তুৰ দাম কমাই দেশখনত ক্ষুদ্ৰ উদ্যোগ বৃহত উদ্যোগ যত সুবিধা হয় তাকেই স্থাপন কৰক। অৱশ্যে এই উদ্যোগ সমূহ ৰাজহুৱা খণ্ডত কৰিব পাৰিলে ভাল। যদি পৰা নহয় তেন্তে চৰকাৰে কিছু নিয়ন্ত্ৰন ৰাখি ব্যক্তিগত খণ্ডতে কৰিবলৈ দিব লাগে। দেশৰ উৎপাদন বাঢ়িলে নিবনুৱা লৰা বিলাকে চাকৰী পাওঁক আৰু চৰকাৰেও টেক্স আদায় কৰিবলৈ ৰাস্তা ওলাওক।

মহোদয়, শেষত মই ইয়াকে কও যে নানা দুখ অভাৱৰ মাজতো অৰ্থ-নৈতিক ভাবে যি এটা স্থবিৰতা বা ষ্টেগনেণ্ট অৱস্থা তাক দূৰ কৰিবৰ

বাবে এটা বিশেষ শ্ৰেণীৰ বা জইণ্ট এফৰটৰ যদি দৰকাৰ হয় সেইটো কৰি সমাজৰ সকলো মানুহৰ অৰ্থনৈতিক উন্নতিৰ প্ৰতিও চকু ৰখা আমাৰ সকলো মানুহৰে কৰ্ত্তব্য আৰু দায়ীত্ব। আজি মাত্ৰ এক শ্ৰেণীৰ মানুহৰ উন্নতিৰ কাৰণে চিন্তা কৰিলেই নহব, আমাৰ সকলো মানুহৰ কাৰণে চিন্তা কৰিব লাগিব। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীকৃষ্ণ কান্ত লহকৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, মই এই পে-কমিচনে দিয়া ৰিপৰ্টৰ ওপৰত মাত্ৰ দুটামান কথা কবলৈ বিচাৰিছো। আমাৰ পে-কমিচনৰ ৰিপৰ্টত যি বেলেন্স দায়েটৰ কথা কৈছে তাৰ প্ৰতিবেদনত মানুহে মাহে কিমান টকা খৰচ কৰিব লাগে এনে ধৰণৰ কথাও উল্লেখ কৰা হৈছে। গাওঁবিলাকত মানুহ বিলাকে প্ৰতিজনে ১১ টকালৈ খৰচ কৰিব পাৰে : যদি এখন দেশৰ এজন মানুহে মাত্ৰ ১১ টকা ১ মাহত খৰচ কৰিব নোৱাৰে সেই দেশখনৰ ইমান টকা দৰমহা বঢ়োৱা উচিত নহব।

( ভইচ : বেচি টকা নাবাঢ়ে )

মহোদয়, মই এইটো কথা কবলৈ বিচাৰিছো যে, আমাৰ ৰাজ্যত এটাৰ পিচত এটাকৈ ৪ টা পঞ্চবাৰ্ষিকি পৰিকল্পনা পাৰ হৈ গল। কিন্তু অতি পৰিতাপৰ কথা যে, আমাৰ স্বাধীনতাৰ আজি ২৬ বছৰৰ পিছতো আমাৰ গাওঁ অঞ্চলৰ গৰীব ৰাইজৰ অৱস্থাৰ কোনো উন্নতি সাধন নহল। এই গৰীৱ লোকসকলৰ জীৱনৰ মানদন্দ কোনো প্ৰকাৰেই উন্নত নহল। স্বাধীনতা লাভ কৰা ২৬ বছৰৰ পিছতো ভাৰতবৰ্ষৰ প্ৰত্যেক প্ৰদেশত কম বেছি পৰিমানে জনমূৰি আয় বাঢ়ি গৈছে : কিন্তু অসম এতিয়াও এটা ষ্টেগনেণ্ট অৱস্থাতে আছে। আজি পাঞ্জাব, হাৰিয়ানা, মহাৰাষ্ট্ৰ আদি ৰাষ্ট্ৰত প্ৰতিজন মানুহৰ উপাৰ্জন আমাতকৈ বেছি ইয়াৰ কাৰণ কি? কাৰণ হল এইবিলাক ৰাজ্যৰ মানুহে খেতিবাতি আদি কাম কৰিবৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব নালাগে। আৰু নিৰ্ভৰো কৰিব নালাগে। তাত যিবিলাক ঠাইত পানীৰ ব্যৱস্থা নাই তাত নলী নাদ খান্দি জলসিঞ্চনৰ এনে ব্যৱস্থা কৰিছে যে, বৰষুণ নহলেও তাত সুচাৰুৰূপে খেতিবাতি কৰিব পাৰে। কোনো কাৰণতে বা কোনো বিষয়ত এই লোকসকলে ভগবানৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে।

মহোদয়, আনহাতে আমাৰ ৰাজ্যখন নদী মাতৃক। কিন্তু অতি দুখৰ কথা যে, এই নদী মাতৃক দেশত আমাৰ চৰকাৰে নদী-নলা আদি নিয়ন্ত্ৰণ কৰি খেতিৰ পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব পৰা নাই। আৰু এই পানী পাবলৈ বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ ৰাইজে ভগৱানৰ ওপৰত নিৰ্ভৰ কৰি বহি আছে। ভাৰতৰ আন আন ৰাজ্যত মৰুভূমিৰ নিচিনা ঠাই হলেও তাত পানী যোগানৰ ব্যৱস্থা কৰি খেতিৰ সুবিধা কৰিছে। শস্য উৎপাদন কৰিছে আৰু এইদৰেই তাৰ মানুহৰ জীৱন যাত্ৰাৰ প্ৰণালী এচেচ হৈ পৰিছে। আনহাতে আজি আমাৰ নদী মাতৃক দেশত বাস কৰিও বতৰৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ থকা অৱস্থা হৈয়ে আছে। সেই বাবেই আজি আমাৰ এই দুৰবস্থা। ভাৰতৰ আন আন ৰাজ্যৰ অৱস্থা আমাৰ ৰাজ্যৰ তুলনাত বহুতো উন্নত হৈছে। ইয়াৰ প্ৰধান কাৰণ হল যে তেওঁলোকে অকল যে খেতিতেই নিৰ্ভৰ কৰে এনে নহয়। এজনে খেতি কৰিলে আন এজনে আন সৰু উদ্যোগ আৰম্ভ কৰে। নানা ৰকমৰ কল কাৰখানা স্থাপন কৰে। কিন্তু অতি পৰিতাপৰ কথা যে, আমাৰ ৰাজ্যৰ আজি চাৰিটা পৰিকল্পনাৰ পাছতো আমাৰ গৰীব জনসাধাৰণৰ কোনো উন্নতি পৰিলক্ষিত হোৱা দেখা নগল। গতিকে এই সকলো বিলাক কথা চিন্তা কৰিবলৈ মই অনুৰোধ কৰিলো।

( সময়ৰ সংকেট )

উপাধ্যক্ষ মহোদয়ঃ—আপোনাক আৰু কিমান সময় লাগিব।

শ্ৰীকৃষ্ণকান্ত লহকৰ :—মোক আৰু ১০ মিনিটমান সময় লাগিব।

আমি গাওঁলৈ চালে কেইটামান কথালৈ নিশ্চয় লক্ষ্য ৰাখিব লাগিব। তাৰ ভিতৰত আটাইতকৈ দৰকাৰী কথা হল কুটীৰ শিল্প। আজি আমাৰ গাওঁৰ মানুহ বিলাকে যি ভাত খাই আছে তাত কাৰবো হাইড্ৰেটৰ পৰিমাণ খুব কমেই আছে। প্ৰোটিন আন এটা অন্যতম বস্তু কিন্তু তাৰো অভাৱ দেখা যায়। মাছ, মাংস, গাখীৰ আদিত যিমানখিনি প্ৰোটিন থাকে আন খাদ্যত সিমান প্ৰোটিন নাথাকে। এইটো বৰ দৰকাৰ আমাৰ শৰীৰৰ পৰিশ্ৰম কৰি ঘাটি হোৱা অংশ পুৰণ কৰিবলৈ। কিন্তু গাওঁৰ মানুহে ইয়াকো কম পায়। মাটি মাহৰ দাইলত মাত্ৰ শতকৰা ত্ৰিশ ভাগহে প্ৰোটিন আছে মাটি কলাই খাই কিমান প্ৰোটিন পাব গাওঁ অঞ্চলৰ মানুহে। জাল

খন লৈ গলেও কেইটামান মাছ অৱশ্যে পায় গাওঁৰ মানুহে কিন্তু সেইটোবা আছে কিমান জনৰ? দৰমহা বঢ়োৱাৰ কথা কোৱা হৈছে কিন্তু ১৮০০ টকা পোৱাসকলৰ দৰমহা বঢ়ালেই কাম নহব। বঢ়ালে তলৰ ফালেও সমানে বঢ়াব লাগিব। আকৌ পুনৰ এটা দৰমহা আয়োগ কৰি দিলেও ই আকৌ দুই তিনি বছৰ লব। আমাৰ ১৪৯ লাখ দুখীয়া মানুহ। কোনোমতে পেটে ভাতে খাই আছে।

উপাধ্যক্ষ মহোদয়, মানুহক টকা পইচা বা সা-সুবিধা দিও সন্তুষ্ট কৰিব নোৱাৰি। কিয়নো সি যিমানেই পাওক আৰু বিচাৰিব। মই নিজেই যিমান উপাৰ্জন কৰো আৰু লৰা-ছোৱালীয়ে যিমান খৰচ কৰে তাতকৈ আৰু বেছি উপাৰ্জন কৰিবলৈ বিচাৰো আৰু লৰা-ছোৱালীয়েও বেছি খৰচ কৰিবলৈ বিচাৰে। অসমীয়া মানুহৰ এটা স্বভাৱ আছে অৰ্থাৎ কম কাম কৰি বেছি উপাৰ্জন কৰিবলৈ বিচাৰে। কিন্তু সেইটো প্ৰকৃততে অসম্ভৱ। অসমীয়া মানুহৰ এটা এলাহ হৈছে। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাওঁ যাতে এই বিলাক কথালৈ মনযোগ দিয়ে। আজি ১০–১৫ বছৰ আগতে যিবিলাক সৰু সৰু টাউন সেই বিলাকত চুলি কটা চেলুন, কমাৰ আদি লোক অসমীয়া আছিল যদিও আজি সেইবিলাক ঠাইত চুলি কটা ঠাইত বা অন্য কাম বিলাকতো অসমীয়া মানুহ পাবলৈ নাই। দৈনিক দিন মজুৰী কৰি দা লৈ ঘূৰি ফুৰে অথচ এই বিলাক কাম অসমীয়া মানুহে কৰিবলৈ এৰি দিলে। ৰিক্সাৱালা ঠেলাৱালা অসমীয়া মানুহ নাই। তাত কমেও দিনটোত দহ টকা উপাৰ্জন কৰিব পাৰে। এই বিলাক কামলৈ আমাৰ মানুহক ঘূৰাই আনিবলৈ চেষ্টা কৰিব লাগে।

অসমৰ জনসংখ্যা যে বাঢ়ি গৈছে ইয়াৰ কাৰণ জন্ম বৃদ্ধি হোৱাই নহয় ইয়াৰ কাৰণে বাহিৰৰ পৰা মানুহ আহি জনসংখ্যা বঢ়াইছে। অন্য প্ৰদেশৰ মানুহে কয় অসমত হেনো সোন আছে কথাটো মিছা নহয় ইয়াত অলপ কাম কৰিলেই বেছি উপাৰ্জন কৰিব পাৰি। সেয়েহে অলপ কাম কৰিয়েই পেটে ভাতে খোৱাৰ উপৰিও কেইটামান টকা পঠিয়াব পাৰে। এই কাৰণেই অসমীয়া মানুহক আকৌ সৰু সৰু কামলৈ ফিৰাই আনিবলৈ চেষ্টা কৰিব লাগে। আজি বহু কেইজন মাননীয় সদস্যই পে-কমিটিৰ ওপৰত দোষাৰোপ

কৰিছে। মই কিন্তু তেখেতসকলৰ ওপৰত দোষাৰোপ নকৰো। তেখেত-সকলে দিয়া যুক্তি বিলাক অনৰ্থক বুলি মই নাভাবো। কিয়নো এই ৰিপোর্ট দিছে আগৰ ৰিপোর্ট বিলাকৰ ওপৰত ভিত্তি কৰিহে। তাত চতুৰ্থ শ্ৰেণীৰ কাৰণে আশী টকা দৰমহা দিছে আৰু ডি-এ ও দিছে আকৌ এড হক ডি-এ হিচাবেও ৬৯ টকা দি দৰমহাৰ অংক বেছি কৰিছে। একহাজাৰ পোৱা সকলক আকৌ মৰগীয়া বানচ নৱৈ টকা দিয়া হৈছে। কিন্তু তলৰ বিলাকে পাৰচেনটেজ হিচাবে ৫ অথবা ৬ টকাহে পাইছে। তলৰ ফালে বঢ়াই দিয়াৰ কথা কোৱা হৈছে। আপত্তি কৰা হৈছে কিন্তু ওপৰৰ অৰ্থাৎ যোল্ল শ বা তাৰ ওপৰৰ ফালেহে বেছি বৰ্দ্ধিত হোৱা দেখা গৈছে। এইটো নহলে মাননীয় সদস্য সকলে কোনো ক্ষোভ নকৰিলেহেঁতেন বুলি মই ভাবো।

মাননীয় মুখ্যমন্ত্রী মহোদয়ক আৰু এটা অনুৰোধ জনাইছো যেন চতুৰ্থ শ্ৰেণীৰ লোক সকলক আৰু অলপ বঢ়াই দিয়া হয় তাৰ যেন কিবা এটা ব্যৱস্থা কৰে। আন এটা কথা হল তৃতীয় শ্ৰেণীৰ লোক সকল যিসকলে ১০-১৫ বছৰ কাম কৰি আছে ইতিমধ্যে তেওঁবিলাকে একো লাভ পোৱা নাই। নতুনকৈ কামত সোমোৱা বিলাক অলপমান লাভবান হলেওঁ পুৰনি সকলে ইয়াৰ দ্বাৰা লাভবান হ'বপৰা নাই। তেওঁবিলাককো লাভবান কৰাৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, দহ মিনিট সময় খুজিছিলো গতিকে আৰু বেছি নকওঁ আপোনাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ৰ আন এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। জলসিঞ্চনৰ ওপৰত জোৰ দিব লাগে আৰু দ্বিতীয়তে কুটীৰ শিল্পৰ ওপৰত জোৰ দিয়া হোৱা নাই। গতিকে মই মুখ্য-মন্ত্রীক অনুৰোধ কৰো যেন কুটীৰ শিল্পৰ ওপৰত যথাযথ ভাৱে জোৰ দিয়া হয়। প্ৰত্যেকখন গাওঁৰে অশিক্ষিত নিবনুৱা যুৱক সকলক যাতে কৰ্ম্মনিপুণ কৰিব পৰা যায় তাৰ কাৰণে কুটীৰ শিল্পৰ ওপৰত আৱশ্যকীয় ব্যৱস্থা লব লাগে। তেতিয়াহলেহে আমাৰ জনমূৰি আয় বৃদ্ধি হব। আৰু তেতিয়া দৰমহা এশ আশী টকা কিয় ২৫০ টকা পৰ্য্যন্ত দিব পৰা হব। তাতো আমাৰ আপত্তি কোনো নাথাকিব। এইখিনি কথা কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

# HALF-AN-HOUR DISCUSSION UNDER RULE 49

**উপাধ্যক্ষ** :—আধা ঘণ্টাৰ ভিতৰত শেষ কৰিব লাগিব। গতিকে সাত মিনিট কব। কিয়নো মিনিষ্টাৰে উত্তৰ দিবলৈ আছে।

**শ্ৰীজগদীশ দাস** :- উপাধ্যক্ষ মহোদয়, ৪১৫ নম্বৰ প্ৰশ্নৰ ওপৰত আলোচনা মুকলি কৰাৰ আগতে আমাৰ যিটো নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল প্ৰকাশিত প্ৰতিশ্ৰুতিৰ কথা মই এবাৰ মুখ্যমন্ত্ৰী মহোদয়ক সোঁৱৰাই দিব খুজিছো। 'সমাজৰ দুৰ্ব্বল শ্ৰেণী বিশেষকৈ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ লোক সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে বিশেষ মনোযোগ দিয়া হব।'

( ভইচ : এইটো হোৱা নাই আৰু কেতিয়াও নহয় )

অসমৰ জনসংখ্যা ১৯৭৩ চনৰ লোক পিয়ল মতে এশ ছিয়াল্লিশ লাখ পচিশ হাজাৰ এশ বাৱন্ন জন। অসমৰ সৰ্ব্বমুঠ জনসংখ্যাৰ ভিতৰত নানান জাতি উপজাতি সন্নিবিষ্ট হৈ আছে। ইয়াৰ ভিতৰত অসমৰ অনুসূচীত জাতি আৰু ভৈয়ামৰ জনজাতীয় লোক সকলো অন্যতম। অসমৰ কৃষ্টি-সংস্কৃতি ভাষা সভ্যতাৰ লগত এই অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকল ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে।

অসমৰ চুকে কোনে অনুসূচিত জাতি ও জনজাতিৰ লোকসকল সিচঁৰিত হৈ আছে অসমৰ ভাষা কৃষ্টি, সংস্কৃতি, ধৰ্ম্ম আৰু সভ্যতাৰ প্ৰতিটো স্তৰৰ লগতে এই অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকল ওতঃপ্ৰোত ভাৱে জড়িত। অসমীয়া জাতিৰ সামাজিক জীৱনত এই চাম লোকৰ যথেষ্ট অৰিহণা আছে।

সাংবিধানিক মতে এনে তপশীল ভূক্ত মানুহখিনি ১৬ টা বিভিন্ন জাতিত বিভক্ত যেনে :—

১। কৈৱৰ্ত্ত, ২। বণিয়া, ৩। হিৰা, ৪। নমোশূদ্ৰ, ৫। ধুবি, ৬। ঝালু, মালু, ৭। জালকেউট, ৮। ডুগলা, ৯। বাচফুৰ, ১০। ভুইমালী বা মালি, ১১। লালবেগী, ১২। মেহতৰ, ১৩। মুচি

ঠিক সেইদৰে অনুসূচিত জনজাতিৰ লোকসকল ৯ ভাগত বিভক্ত, যেনে ঃ—১। কাছাৰৰ বৰ্ম্মণ, ২ বৰো বা বড়ো কছাৰী, ৩। দেউৰী ৪। হোজাই, ৫। কছাৰী সোনোৱাল। ৬। লালুং, ৭। মেচ, ৮। মিৰি ৯। ৰাভা ইত্যাদি।

১৯৭১ চনৰ লোক পিয়ল মতে অনুসূচিত জাতিৰ লোকৰ সংখ্যা হ'ল ৯.১৩ লাখ (৬.২ পাৰ্চেণ্ট) আৰু ভৈয়ামৰ জনজাতিৰ সংখ্যা ১৩.৪৪ (৯.২ পাৰ্চেণ্ট)।

ভাৰতৰ শাসনতন্ত্ৰ প্ৰণয়নৰ সময়তেই অনুসূচিত জাতিৰ মহা নেতা ডাঃ ভীমৰাও ৰামজে আম্বেদকাৰ দেৱৰ ঐকান্তিক প্ৰচেষ্টাত ১৯৫০ চনৰ পৰা সাংবিধানিক সুযোগ সুবিধা (কনষ্টিটিউচনেল চেফ গাৰ্ড) দিয়াৰ ব্যৱস্থা হৈছিল তথাপি আজি আমি বহু ক্ষেত্ৰত বঞ্চিত হৈ থাকিব লগা হৈছোঁ।

'কনষ্টিটিউচনেল চেফ গাৰ্ডৰ সংক্ৰান্তত মই কিছুমান বিশেষ দৰকাৰী কথা পঢ়ি দিব বিচাৰিছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত উল্লেখ কৰিছে :—

Art. 15(4) "Nothing in this article or in clause (2) of Article 29 shall prevent the State from making any special provision for the advancement of any socially and educationally backward classes of citizens or for the Scheduled Castes and the Scheduled Tribes ........Article 16. Equality of Opportunity in matters of public employment : Art. 16 (4) says" Nothing in this article shall prevent the State from making any provision for the reservation of appointments or posts in favour of any backward class of citizens which in the opinion of the State, is not adequately represented in the services under the State." State is defined in Art. 12 : Art. 29 speaks of protection of interests of minorities. Art.

29 (2) says "No citizen shall be denied admission into any educational institution maintained by the State or receiving aid out of State funds on grounds only of religion, race, caste, language or any of them."

এই সন্দৰ্ভত কবলৈ বিচাৰিছোঁ। যিবিলাক "ৰিজাৰ্ভদ চিট" আছে সেইবিলাক পূৰণ কৰিবলৈ যাওতে যি সকল মেধাবী ছাত্ৰ, সেই সকলৰ ভিতৰতে ধৰা হয় কিন্তু সাংবিধানিক মতে যিবিলাক মেধাবী ছাত্ৰ সেই সকলক ৰিজাৰ্ভড চিটত পূৰণ কৰাৰ কথা ইয়াত উল্লেখ কৰা নাযায়। এই সন্দৰ্ভত দেখা যায়—

"Art. 46—Promotion of educational and economic interests of Scheduled Castes, Scheduled Tribes and other weaker sections. "The State shall promote with special care the educational and economic interests of the weaker sections of the people, and in particular, of the Scheduled Castes and the Scheduled Tribes, and shall protect them from social injustice and all forms of exploitation." Art. 320 speaks about the functions of Public Service Commissions.

আকৌ আৰ্টিকেল ৩২০ (৪) মতে—

Art. 320 (4) says "No,hing in clause (3) shall require a Public Service Commission to be consulted as respects the manner in which any provision referred to in clause (4) of article 16 may be made or as respects the manner in which effect may be given to the provisions of article 335."

Mr. Deputy Speaker : The member who has given notice will make a short statement and it will be open for discussion. Therefore you will have restrict your

speech. This is the rule and I cannot go beyond it.

Shri Giasuddin Ahmed : Sir, according to the rule the House is to adjourn at 11.30 A. M. Was it the consensus of the House that it should be extended ?

Mr. Deputy Speaker : The extension has become necessary because it is in the agenda papers.

Mr. Deputy Speaker : Please make only reference to the provisions of the constitution.

শ্ৰীগিয়াচুদ্দীন আহমদ :—কবলৈ দিয়ক ।

শ্ৰীজগদীশ দাস :—এইবোৰ সাংবিধানিক ব্যৱস্থা থকা স্বত্বেও আজিলৈকে 'চুপ্ৰিম কোৰ্ট' 'হাইকোৰ্ট'ত জৰ্জ থকাৰ কথা বাদেই দিছোঁ। কিন্তু অসমৰ জিলা জৰ্জ এজনো নাই। অসম জনসেৱা আয়োগত আৰু অসম ৰেইলৱে চাৰ্ভিচ আয়োগত এজনো সদস্য নাই ।

নিযক্তিৰ ক্ষেত্ৰত এই দুটা জাতিৰ মানুহৰ প্ৰতি যি অনিয়ম আৰু অবিচাৰ কৰি আহিছে সেই সন্দৰ্ভতে সদনৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণেই সংবিধানৰ এই ধাৰা বিলাক পঢ়ি শুনোৱা হল ।

মাননীয় উপাধ্যক্ষ মহোদয়, পৰিসংখ্য বিভাগৰ পৰা পোৱা হিচাব মতে ৭৮১২৬ জন চাকৰিয়ালৰ ভিতৰত চিডিউল কাষ্টৰ গেজেটেডৰ সংখ্যা হৈছে ১১১ জন, আৰু নন্ গেজেটেডৰ সংখ্যা হৈছে ১৯১১ জন, আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ সংখ্যা হৈছে ২১৫১ জন। সৰ্ব্বমুঠ চাকৰিয়ালৰ সংখ্যা হৈছে. ৪১৭৩ জন আৰু শতকৰা হিচাবমতে এইটো হৈছে ৫% । উপাধ্যক্ষ মহোদয়. সংবিধানত সংৰক্ষণৰ যিটো ব্যৱস্থা আছে সেই ব্যৱস্থা মতে জনসংখ্যা অনুপাতে ৭ ভাগ অনুসূচীত জাতিৰ কাৰণে আৰু ১০ ভাগ অনুসূচীত জনজাতিৰ কাৰণে সংৰক্ষণ কৰাৰ নিয়ম । তথাপিও কাৰ্য্যকৰী ব্যৱস্থা কৰিবলৈ যাওঁতে দেখা যায় যে, যোৱা ২৫ বছৰত এই ৭ ভাগ আৰু ১০ ভাগো পূৰণ কৰা নহল । আজি পৰিসংখ্যা বিভাগৰ হিচাবমতে যিটো দেখুওৱা হৈছে যে, শতকৰা ৫ ভাগ মানুহকেই চিডিউল কাষ্টৰ নিয়োগ কৰা হৈছে

চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালহে। অনুসূচিত মানুহৰ ১৬ টা জাতিৰ ভিতৰতে মুচি আৰু 'চুইপাৰ' শ্ৰেণীটোকো ধৰা হৈছে আৰু এওঁলোকক চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ মাজত ধৰা হৈছে। তাৰ পিছত মেডিকেল বিভাগত দেখা যায় যে, প্ৰথম শ্ৰেণীৰ চাকৰিয়ালৰ ৩৩০ জনৰ ভিতৰত তিনিজন হৈছে চিডিউল কাষ্টৰ। দ্বিতীয় শ্ৰেণীৰ চাকৰিয়ালৰ ১০২৮ জনৰ ভিতৰত ৬৯ জন হৈছে চিডিউল কাষ্টৰ, তৃতীয় শ্ৰেণীৰ চাকৰিয়ালৰ ৪৪৬৩ জনৰ ভিতৰত ২০৩ জন হৈছে চিডিউল কাষ্টৰ আৰু চতুৰ্থ শ্ৰেণীৰ ৪০৬৪ জনৰ ভিতৰত চিডিউল কাষ্টৰ ৩৬৯ জন। এই চতুৰ্থ শ্ৰেণীৰ ৩৬৯ জনৰ ভিতৰত ৩০০ জনেই হৈছে অনুসূচীত জাতিৰ মেটৰ মানুহ। মাননীয় অধ্যক্ষ মহোদয়, সংবিধানত সংৰক্ষণৰ ব্যৱস্থা থকা স্বত্বেও সেইবিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি ব্যৱস্থা এই চৰকাৰে কৰিছে সেইটো দেখিলে আমাৰ সঁচাকৈয়ে দুখ লাগে। তাৰ এটা উদাহৰণ মই দিওঁ। সেইটো হৈছে অসম লোক সেৱা আয়োগৰ তৰফৰ পৰা যিটো বিজ্ঞাপন দিছে তাত চিডিউল কাষ্টৰ কাৰণে কোনো ব্যৱস্থা ৰখা নাইকীয়া।

এইটো কি কৈছে আমি হলে একেবাৰেই বুজি পোৱা নাইকীয়া। উপাধ্যক্ষ মহোদয়, যদি এইটোৱেই সদায় হৈ থাকিব লগা হয় তেতিয়াহলে, মই এইখিনিতে চৰকাৰক সাবধান কৰি দিয়া ভাল হব যে, আজি যোৱা ২৫ বছৰে আমাৰ চিডিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ মানুহ বিলাকক যিদৰে শোষণ কৰিলে সেইদৰে আৰু শোষণ কৰিবলৈ কোনো পধ্যেই দিয়া নহব। এই অনুসূচিত জাতি আৰু জনজাতিৰ মানুহ বিলাকক শোষণ কৰি বহুতদিন খালে আৰু তেওঁলোকক শোষণ কৰিবলৈ দিয়া নহব। এই লোক সকলৰ ওপৰত বিগত দিনবোৰত যি বিলাক শাসন শোষণ আৰু নিপীড়ণ নিষ্পেষণ চলাই আহিছে সি আজি তেওঁলোকৰ অন্তৰত আগ্নেয়গিৰিৰ গলিত তপ্ত লাভা হৈ জমা হৈ আছে। কোন দিনা তাৰ বিস্ফোৰণ ঘটিব কব পৰা নেযায়। সেই কাৰণে মই সময় থাকোতেই সমাজৰ সকলো শ্ৰেণীৰ লোককে সাৱধান কৰি দিছোঁ।

মাননীয় উপাধ্যক্ষ :—আপুনি চমু কৰিব।

শ্ৰীজগদীশ দাস :—মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ কব লগীয়া আৰু

বহুত আছিল । তথাপিও কৈছে যেতিয়া মই চমু কৰিবলৈকে চেষ্টা কৰিম ।

উপাধ্যক্ষ মহোদয়, মই আজি উত্তেজিত ভাষা প্ৰয়োগ কৰিবলৈ বাধ্য হৈ পাৰিছোঁ । কিয়নো আজি সমাজৰ এই পিছপৰা লোক সকলৰ ক্ষেত্ৰত যি অন্যায় আৰু অবিচাৰ কৰি আহিছে তাৰ দ্বাৰা আমাৰ চৰকাৰে সমাজ-বাদৰ আদৰ্শত উপনীত হব নোৱাৰিব। মহোদয়, যদি সচাকৈয়ে আমাৰ চৰকাৰে এই অনুসূচীত জাতিৰ আৰু অনুসূচীত জনজাতিৰ লোকসকলৰ মঙ্গলৰ কাৰণে চিন্তা কৰিছে তেতিয়াহলে মই কেইটামান পৰামৰ্শ আগ-বঢাব খুজিছোঁ । সেইটো হৈছে যে, প্ৰত্যেক চাকৰিৰ ক্ষেত্ৰতে অনুসূচীত জাতিৰ লোকসকলৰ কাৰণে ৭ ভাগ আৰু অনুসূচীত জনজাতিৰ কাৰণে ১০ ভাগ আচুটীয়া কৰি ৰখা হব বুলি এটা প্ৰতিশ্ৰুতি চৰকাৰে দিব লাগিব। দ্বিতীয়তে অনুসূচীত জাতিৰ মানুহ মুৰ্খ হলেও বা কোনো যোগ্যতা নেথাকিলেও তেওঁলোকৰ কাৰণে সংৰক্ষিত থকা আসন বিলাক তেওঁলোকৰ ভিতৰতে সীমাবদ্ধ ৰাখিব লাগিব । তাৰ পিছত যিখিনি বেকলক্ থাকে সেইখিনিও অহা ১৯৭৫ চনৰ ভিতৰতে "এদহক" ভিত্তিত পূৰণ কৰিব লাগিব। তাৰ পিছত অনুসূচীত জাতি আৰু জনজাতিৰ কমিশ্বন যিবিলাক গঠন কৰি দিয়া হৈছে সেই কমিশ্বনে আগবঢ়োৱা পৰা-মৰ্শ বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি তৎপৰতা দেখু-ৱাইছে সেই তৎপৰতাৰে আমাৰ চৰকাৰেও এই বিলাক কাৰ্য্যকৰী কৰিব লাগিব । এইখিনিয়েই হৈছে আজি আমাৰ এই লোকসকলৰ মনৰ অপ্ৰ-কাশিত বেদনা। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Md. Umaruddin : Mr. Dy Speaker, Sir, are we to understand that the House will sit up to 12.30 p.m. to-day also, as usual ?

Mr. Dy. Speaker : No. Up to 12.10 p.m. only and that is why I am asking the Hon. Member to stop. Hon. Member Shri Lila Kanta Das will speak for 2 minutes and then Minister-in-Charge will give his reply.

শ্ৰীলীলাকান্ত দাস :—মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা জুন মাহৰ

২৩ তাৰিখে তাৰাংকিত ৪১৫ ৰ প্ৰশ্নোত্তৰত আমাৰ অনুসূচীত জাতিৰ কল্যান বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা সদনৰ আগত প্ৰকাশ কৰিছিল সেইখিনি সন্তোষ জনক নোহোৱাৰ কাৰণেই এই বিষয়টো অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা বিধিৰ নিয়মাৱলী ৪৯ দফা মতে সদনত আলোচনাৰ্থে পুনৰ উত্থাপিত কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল এইটোৱেই যে অনুসুচীত জাতিৰ বিভিন্ন দিশত যি বিলাক সুবিধা দিয়া হৈছে সেই বিলাক চাকৰিৰ ক্ষেত্ৰতেই হওক বা অন্যান্য ক্ষেত্ৰতেই হওক। তেওঁলোকৰ জন সংখ্যাৰ ভিত্তিত দিয়া হৈছে নে পিছ পৰা সম্প্ৰদায় হিচাবেই সেইবিলাক সুবিধা দিয়া হৈছে ? তাৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে- বিশেষ সুবিধাৰ ভিত্তিত আৰু জনসংখ্যাৰ ভিত্তিতহে এইটো দিয়া হৈছিল। লগতে তেখেতে এইটো কথাও কৈছিল যে, বাকী চাকৰীত পূৰণ কৰিবলৈ যিমান পদ আছে সেই বিলাকো অহা ১৯৭৫ চনৰ ভিতৰত পূৰণ কৰা হব।

মাননীয় উপাধ্যক্ষ :—আপুনি চমু কৰিবলৈ চেষ্টা কৰিব।

শ্ৰীলীলাকান্ত দাস :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই পিছ পৰা অনুসুচিত জাতি আৰু জনজাতি বিলাকক যাতে প্ৰয়োজনীয় সকলোখিনি সুবিধা দি অন্যান্য উন্নত জাতি সমূহৰ পৰ্য্যায়লৈ আনিব পাৰে তাৰ কাৰণে এটা বিবৃতি আমাৰ মন্ত্ৰী মহোদয়ে এই সদনত দিব লাগে।

আমাৰ যি বিলাক অনুসুচীত জাতি আৰু জনজাতিয়ে শ্ৰেণী ভিত্তিত যিটো কোটা পাব লাগিছিল সেইটো কিয় পোৱা নাই তাক তদন্ত কৰি মুখ্যমন্ত্ৰী মহোদয়ক এটা নিৰ্দিষ্ট পলিচিৰ ভিতৰত ষ্টেটমেণ্ট দিবলৈ অনুৰোধ কৰিলো।

Mr. Deputy Speaker : It is Jumua Day. The Minister with reply now.

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :—মাননীয় উপাধ্যক্ষ মহোদয়, ২৯-৬-৭৩ তাৰিখৰ ৪১৫ নম্বৰ তৰাচিহ্নিত প্ৰশ্নৰ সন্দৰ্ভত মই উত্তৰ দিছিলো। সেই উত্তৰৰ পৰিপ্ৰেক্ষিতত এটা আলোচনাৰ মুখনি মেলিছে। তেতিয়া মই কিছুমান পৰিপূৰক প্ৰশ্নোত্তৰ দিছিলো আৰু সেই উত্তৰৰ পৰিপ্ৰেক্ষিতত

তেখেত সকলে আজি কেইটামান পৰামৰ্শসহ সমালোচনা কৰিছে। প্ৰথমতে মাননীয় সদস্য শ্ৰীজগদীশ দাসে নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি সম্পৰ্কে উল্লেখ কৰিছে। আমাৰ নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি আছিল যি সকল সম্প্ৰদায় অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত পিচপৰি আছে এই সকলক যাতে অন্যান্য আগোৱাই যোৱা সম্প্ৰদায়ৰ সমপৰ্য্যায়লৈ লৈ যাব পাৰো। এই নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা কৰিছো। দাস ডাঙৰীয়াই সংবিধানৰ ১৪ (৪)ধাৰাৰ কথা উল্লেখ কৰিছে। আমাৰ ৰাজ্যৰ বিশেষকৈ শিক্ষা আৰু আৰ্থিক ক্ষেত্ৰত এই সম্প্ৰদায় সকলৰ কাৰণে সংৰক্ষণত বিশেষ ব্যৱস্থা দিয়াৰ ব্যৱস্থা কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত অনুসূচীত জাতি ভৈয়ামৰ জনজাতি আৰু পাহাৰৰ জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলক ৪ৰ্থ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সম্পূৰ্ণ মাচুল মাফ দিয়া হৈছে আৰু মাধ্যমিক বা হাইস্কুলত পঢ়া ছাত্ৰ-ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বৃত্তিৰ ব্যৱস্থা কৰা হৈছে। কলেজ পৰ্য্যায়ত যিমান ছাত্ৰ-ছাত্ৰী আছে সেই সকলক বিশেষ এটা জলপানি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে সেই পিচপৰি থকা অঞ্চল বিলাকত প্ৰতিষ্ঠিত হোৱা শিক্ষানুষ্ঠান বিলাকৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ কাৰণে বিশেষ অনুদান দিয়া হৈছে। সংবিধানৰ ২৭৫ ধাৰা মতে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলৰ উন্নয়নৰ কাৰণে আমাৰ পৰিপূৰক মঞ্জুৰীৰ এটা ব্যৱস্থাও আছে। সেই মঞ্জুৰী অনুসৰি প্ৰত্যেক বছৰে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা আমাৰ দেশৰ উন্নয়নৰ কাৰণে অৰ্থ খৰচ কৰা হয়। ইয়াৰ ওপৰিও ২৭৫ ধাৰাৰ পৰা বিশেষ অনুদান যোগে সেই বিলাক অঞ্চলত উন্নয়নৰ কাম কৰা হয়। অস্পৃশ্যতা দুৰীকৰণৰ কাৰণে বিশেষ ঘৰৰ ব্যৱস্থা কৰা হৈছে। চহৰৰ আবৰ্জনা গুচুৱাৰ কাৰণে উন্নত সা-সৰঞ্জামৰ ব্যৱস্থা কৰা হৈছে। ঠিকা, পাৰ্মিট, মীনমহল, ঘাট, বন মহল, আৱকাৰী মহল আদিত যদি অনুসূচীত জনজাতি বা অনুসূচীত জাতিৰ প্ৰাৰ্থী থাকে তেন্তে শতকৰা চাৰে সাত ভাগ ৰেহাই দিয়া হয়। মেডিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ, পশু চিকিৎসা কলেজ আদিত অনুসূচীত জাতি আৰু জনজাতিৰ লৰাৰ কাৰণে শতকৰা ৭ আৰু ১০ ভাগ সংৰক্ষণৰ ব্যৱস্থা আছে। চাকৰিয়ালৰ বাবে বয়স ৫ বছৰ বৃদ্ধি কৰা হৈছে। ১৯৭১ চনৰ জন গননামতে চৰকাৰী চাকৰিৰ সংৰক্ষণ বৃদ্ধি কৰাৰ কাৰণে ব্যৱস্থা ৰখা হৈছে। মীন মহল, বন মহল, ঘাট আদিত চিকিউৰিটি মানি

আৰু আৰনেষ্ট মানি এই সম্প্ৰদায়ৰ লোক সকলৰ বাবে অৰ্দ্ধেক চেকুৰিটি হাৰত দিয়া হয়। সংবিধানৰ ১৪(৪) আৰু ৩২৫ ধাৰা মতে ভৈয়ামৰ জনজাতি আৰু অনুসূচীত জাতিৰ লোক সকলৰ কাৰণে যাতে চৰকাৰী চাকৰি সংৰক্ষন কৰিব পাৰি তাৰ ব্যৱস্থা কৰা হৈছে। ১৯৬১ চনৰ অসমৰ জনসংখ্যা ভিত্তিত ভৈয়ামৰ জনজাতিৰ কাৰণে শতকৰা ১০ ভাগ পাহাৰৰ জনজাতিৰ কাৰণে শতকৰা ১২ ভাগ আৰু অনুসূচীত জাতিৰ কাৰণে শতকৰা ৭ ভাগ চাকৰিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ১৯৭১ চনৰ জনপিয়ল মতে উক্ত সম্প্ৰদায়ৰ লোকসংখ্যা অন্যান্য সকলৰ দৰে বৃদ্ধি হৈছে আৰু সেই অনুপাতে সংৰক্ষনৰ ব্যৱস্থাৰ ভাগ বৃদ্ধি কৰিবলৈ চিন্তা কৰা হৈছে। আজি ৰাজ্য চৰকাৰৰ সংবিধানত অনুসূচীত জাতি আৰু জনজাতিৰ মানুহৰ সংৰক্ষণৰ ব্যৱস্থা মতে সকলো বিলাক সুবিধা দিয়াৰ দিহা কৰা হৈছে। বিশেষকৈ চাকৰিৰ ক্ষেত্ৰত শতকৰা ১০ ভাগ আচুতীয়াকৈ ৰখা সংৰক্ষণৰ ব্যৱস্থা ঠিকমতে সম্পূৰ্ণ হোৱা নাই। তাক অনুসন্ধান কৰিবৰ বাবে জনজাতিৰ এড্ভাইচৰী কাউন্সিক চাব কমিটি গঠন কৰা হৈছে আৰু তেনেদৰে অনুসূচীত জাতিৰ বাবেও এখন চাব কমিটি গঠন কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে। এই চাব কমিটিয়ে কিমান নিয়োগ হৈছে আৰু কিমান বাকী আছে, তাৰ প্ৰতিবেদন দাখিল কৰিবলৈ কমিটিক ভাৰ দিয়া হৈছে। এই সকলো কথা বিবেচনা কৰি বাকী যিখিনি বেকলগ হৈ থাকিব, সেইখিনি অনতিপলমে ১৯৭৫ চনৰ আগতে যাতে সম্পূৰ্ণ কৰিব পৰা যায়, তাৰ কাৰণে ৰাজ্য চৰকাৰে চিন্তা কৰি আছে। এপইণ্টমেণ্টৰ সংক্ৰান্তত থকা সকলোখিনি কথা চৰকাৰে পৰীক্ষা কৰি আছে।

## ADJOURNMENT

The House was then adjourned at 12.13 p. m. till 10 a. m. on Monday, the 16th July, 1973.

Dated : Dispur 13. 7. 73.

Shri P. D. BARUA
Secretary,
Legislative Assembly Assam